# ডিগবৈ মহাবিদ্যালয় আলোচনী



DIGBOI COLLEGE LIBRARY
GOVT.
ESTD. 1965
AIDED
DIGBOI

ডিগবৈ মহাবিদ্যালয় আলোচনী

সম্পাদক/ ৰবীন বসু

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

# ডিগবৈ মহাবিদ্যালয় আলোচনী

৬ষ্ঠ সংখ্যা

১৯৮১-৮২ ইং চন

সম্পাদক ঃ
শ্ৰীৰবীন ৰয়

সমীক্ষা

# ডিগবৈ মহাবিদ্যালয় আলোচনী

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## ৬ষ্ঠ সংখ্যা ঃ ১৯৮১-৮২ চন

### সম্পাদনা সমিতি

পৃষ্ঠপোষক ঃ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা, এম্. এ (ডবল), পি. এইচ. ডি, এল. এল বি

শিক্ষক উপদেষ্টা ঃ অধ্যাপক সমৰেন্দ্ৰ ভাগৱতী

" ৰজনী বৰুৱা

সভাপতি ঃ অধ্যাপক হিতেন শৰ্মা

সম্পাদক ঃ শ্ৰীৰবীন ৰয়

সদস্য ঃ শ্ৰীপৱিত্ৰ কুমাৰ বৰুৱা

" প্ৰদীপ কলিতা

" ভোলা কাকতি

শ্ৰীমতী পল্লৱী ভট্টাচাৰ্য।

বেটুপাত অলংকৰণত ঃ

শ্ৰীবিক্ৰম বুঢ়াগোহাঁই

ৰেখাচিত্ৰ আৰু অংগ সজ্জাত ঃ

শ্ৰীমতী পল্লৱী ভট্টাচাৰ্য

বেটুপাত সংশোধন ঃ

শ্ৰীকল্যাণ দাস

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

# শ্ৰদ্ধাঞ্জলি

বিশ্ববিশ্ৰুত পণ্ডিত, প্ৰাচ্যতত্ত্ববিদ, অসম সাহিত্য সভাৰ 'সদস্য মহীয়ান' আৰু প্ৰাক্তন সভাপতি, আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈ,

প্ৰখ্যাত বুৰঞ্জীবিদ আৰু সাহিত্যিক, আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বেনুধৰ শৰ্মা,

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰসন্ন নাৰায়ণ চৌধুৰী

আৰু

অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত অংশ গ্ৰহণ কৰি শ্বহীদ হোৱা পূণ্যাত্মাসকলৰ

স্মৃতিত

আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।


সম্পাদক,
ডিগবৈ মহাবিদ্যালয় আলোচনী।


## ডিগবৈ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি, ১৯৮১-৮২ চন



বাওঁফালৰ পৰা সোঁফাললৈ) —কুমাৰী পল্লৱী ভট্টাচাৰ্য্য, অধ্যাপক হিতেন শৰ্মা, অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূক্ৰা, অধ্যা াক সমৰেন্দ্ৰ ভাগৱতী, ৰবীন ৰয় (সম্পাদক)
হ (বাওঁফালৰ পৰা সোঁফাললৈ)—ভোলা কাকতি, পবিত্ৰ কুমাৰ বৰুৱা, প্ৰদীপ কলিতা।

মহাবিদ্যালয় সপ্তাহ ( ১৯৮১-৮২)ৰ কেইটামান অবিস্মৰণীয় মুহূৰ্ত্ত





অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা, শ্ৰীৰাণু বৰুৱা আৰু শ্ৰীদ্বীপক ভূঞা, অধ্যাপক প্ৰদীপ কুমাৰ চাহু, শ্ৰীৰাম প্ৰসাদ ডুবে, কুমাৰী প্ৰতিভা বৰুৱা, শ্ৰীবিশ্বজিৎ মণ্ডল আৰু শ্ৰীমানস বৰতামুলীৰ — প্ৰবন্ধৰ থূপ

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

# এই সংখ্যাত

কবিতাৰ লহৰ — শ্ৰীজিতেন্দ্ৰ শৰ্মা কাকতী, শ্ৰীপ্ৰশান্ত কুমাৰ বৰুৱা, শ্ৰীৰাণু বৰুৱা, শ্ৰীমহেন্দ্ৰ বৰা, কুমাৰী ধৰ্মেশ্বৰী ফুকন আৰু ৰবীন ৰয়ৰ

শ্ৰীমতী দীপ্তি কোঁৱৰ, শ্ৰীৰুদ্ৰ কান্ত শৰ্মা, কুমাৰী ৰৌজী বেগম, শ্ৰীনিৰ্মল বৰগোহাঁই, শ্ৰীভুইটী শইকীয়া আৰু শ্ৰীদেৱজ্যোতি হাজৰিকাৰ — গল্প গুচ্ছ

লোক গাথা

**DIGBOI COLLEGE MAGAZINE**

*Volume VI, 1981-82, Editor—Robin Roy*

## ENGLISH SECTION

| | | |
|---|---|---|
| 1. | Prospect of Adult Education Among Tea Garden Labourers of Dibrugarh District, Assam | Prof. S. Bhagawati<br>Prof. N. K. Dey<br>Dept. of Economics |
| 2. | Two Leaves And A Bud | Prof. N. K. Dey<br>Dept. of Economics |
| 3. | The Story of Paper Making | Biswajit Bhagawati |
| 4. | Digboi Refinery At A Glance | Jayashree Chakrabarty<br>Arundhuti Barua |
| 5. | Fair Skies | Biswajit Chakrabarty |
| 6. | Laugh A While | Ashique Hussain. |

# সম্পাদকীয়

## মুমূৰ্ষু শান্তিৰ কপৌ ঃ

বেইৰুটত জুই জ্বলিছে ! তাৰ উত্তাপ আমিও অনুভৱ কৰিছো। জাপানৰ সেই ফুল কুমলীয়া হেজাৰ হেজাৰ শিশুৱে পাৰমাণৱিক অস্ত্ৰৰ বিৰুদ্ধে মৃতকৰ দৰে শুই থাকি কৰা সেই অভিনৱ প্ৰতিবাদে আমাকো ভৱাই তুলিছে। দেশে দেশে পৰিলক্ষিত হৈছে মাথো যুদ্ধৰ বিভীষিকা। মাতাল হৈ পৰিছে সকলো যেন তেজৰ নিচাত ! সন্দেহ হৈছে মানৱজাতিৰ সভ্যতাৰ লক্ষ্যৰ বিষয়ে। কবলৈ বাধ্য হৈছো এয়াই যদি সভ্যতাৰ একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য হয়, তেনেহলে সমগ্ৰ মানৱজাতি আকৌ উভতি যাওক সেই আদিম যুগলৈ। যাৰ বাবে লাজ পাবলগীয়া হয়তো একো নাই, নহলে সভ্যতাৰ মুখা পিন্ধি, জীৱশ্ৰেষ্ঠ বুলি গৌৰৱৰ মুকুট পিন্ধি ভিতৰি ভিতৰি মৃত্যুঞ্জয় জিঘাংসাৰে আত্মতৃপ্তি লাভ কৰি থাকিবলৈ এই আত্ম-ঘাতী পশুহঁতৰ কোনো অধিকাৰ নাই !

## ভাৰতবৰ্ষত এচিয়াড ক্ৰীড়া ?

ভাৰতবৰ্ষত এচিয়াড ! খবৰটো শুনি বহুতৰে হয়তো আহ্লাদত টোপনি যোৱাৰ উপক্ৰম হৈছিল। আমাৰ মনত কিন্তু কিছু বিৰূপ প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰিছে। কাৰণ যিখন দেশত অনাহাৰত, পুষ্টি-হীনতাত, চিকিৎসাৰ অভাৱত লাখ লাখ মানুহ মৃত্যু মুখত পৰে, সেইখন দেশতেই ১৩০ কোটিৰো অধিক টকা ব্যয় কৰি 'এচিয়াড' ক্ৰীড়াৰ দৰে মেলা পাতিবলৈ যোৱাটোত মাথো বিশ্বৰ চকুত নিজকে বৰ বুলি হাজিৰ কৰিবলৈ যোৱাৰ বাহিৰে আমি আন একো যুক্তি বিচাৰি পোৱা নাই। আচৰিত হৈছো এই বিষয়ে ভাৰতবৰ্ষৰ জনসাধাৰণৰ মনত কিন্তু কোনো প্ৰতিক্ৰিয়াৰেই সৃষ্টি নহল, নহল কোনো প্ৰতি-বাদৰ ভাষা ! হায় ভাৰতবৰ্ষ !!

## আৰু এক আন্দোলনৰ প্ৰয়োজন হব ঃ

সমস্যা য'ত আছে, সমাধানো নিশ্চয় আছে। আজি চাৰিবছৰে অসমবাসীয়ে বিদেশী নাগৰিকৰ বিৰুদ্ধে যি ন্যায্য আন্দোলন চলাই আহিছে শান্তিপূৰ্ণভাৱে, তাৰ আশু সমাধানৰ বাবে আমি দাবী জনাও। কিন্তু ইয়াৰ পিছতো বোধকৰো চৰকাৰৰ দৃষ্টিগোচৰৰ বাবে আৰু এক আন্দোলনৰ প্ৰয়োজন হব এই মৃত্যুমুখী জাতিটোক সাংস্কৃতিক আৰু অৰ্থনৈতিক পুনৰুজ্জীৱনৰ বাবে, যিটো সমগ্ৰ অসমবাসীৰ বাবে বিদেশী নাগৰিকৰ অবৈধ অনুপ্ৰবেশৰ সমস্যাৰ দৰেই গুৰুত্বপূৰ্ণ।

**ব্যক্তিগত ঃ**


মোৰ বাবে অপ্ৰত্যাশিত আৰু পলমকৈ হলেও সম্পাদনাৰ ভাৰ গ্ৰহণ কৰাটো অপৰিহাৰ্য্য আছিল। যদিও প্ৰথমতে সঁচা কথাত নিৰুৎসাহ হৈছিলো। বিশৃঙ্খলাত। মোৰ সম্পাদনা সমিতিৰ উপদেষ্টা অধ্যাপক হিতেন শৰ্মা চাৰ আৰু অধ্যাপক সমৰেন্দ্ৰ ভাগৱতী চাৰে দূৰদৰ্শিতাৰ পৰিচয় নিদিয়া হলে মোৰ বাবে কাৰ্য্যভাৰ চলাই নিয়াত অসুবিধাই হলহেঁতেন। তাৰ বাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞতাৰে আবদ্ধ হৈ ৰলো। তাৰোপৰি মোৰ সম্পাদনা সমিতিৰ সদস্য বন্ধু প্ৰদীপ কলিতা আৰু পবিত্ৰ কুমাৰ বৰুৱাৰ হাতে কামে লাগিযোৱাৰ প্ৰতিশ্ৰুতিত মই অভিভূত হলো। মনত সাহস পালো। এই প্ৰতিভাৱান নতুন পুৰুষ দুজনৰ সৈতে বন্ধুত্বৰ এনাজৰীডাল চিৰকালৰ বাবে কটকটীয়া হৈ ৰ'ল।

আলোচনীখন যদিও সৰ্বাঙ্গ সুন্দৰ কৰাৰ প্ৰয়াস কৰিছিলো তথাপিও একেবাৰে কম সময়, সীমিত পুঁজি, আৰু প্ৰেছৰ চৰা দাম আদিয়ে সেই উদ্দেশ্য কিছু পৰিমাণে বাধা দিলে।

**কৃতজ্ঞতা ঃ**

আলোচনীখনৰ পাণ্ডুলিপি সংশোধন কৰি দিয়াত সহায় কৰা বাবে অধ্যাপক মোহিনী বৰদলৈ চাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰোপৰি পল্লৱী ভট্টাচাৰ্য্য, দিপ্তী কৌৰ, ৰাণু বৰুৱা, নীভা মহন্ত, প্ৰীতি ফুকন আৰু বন্ধু মহেন্দ্ৰ বৰাই তেওঁলোকৰ বহুমূলীয়া সময় ব্যয় কৰি গল্প, প্ৰবন্ধ আদিৰ প্ৰতিলিপিসমূহ কৰি দিয়াৰ বাবে মোৰ আন্তৰিক ধন্যবাদ তেওঁলোকলৈ থাকিল।

শেষত সকলো ডিগবৈৱানলৈ শুভেচ্ছাৰে—



সম্পাদক—

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

# স্বাধীন ভাৰতৰ অৰ্থনৈতিক প্ৰগতি

ডঃ প্ৰফুল্ল কুমাৰ ভুঞা
অধ্যক্ষ, ডিগবৈ মহাবিদ্যালয়

ভাৰত পৰাধীন হৈ থকা কালত ভাৰতৰ অৰ্থনৈতিক প্ৰগতিৰ প্ৰচেষ্টা বা পৰিকল্পনাৰ কথাই উঠা নাছিল। ভাৰতক শোষণ আৰু শাসন কৰাই আছিল বৃটিছ শাসক-সকলৰ উদ্দেশ্য। আৰু সেই কাম কৰি যাওঁতে ভাৰতৰ উদ্যোগী মানুহৰ প্ৰচেষ্টাত জানিত বা অজানিতভাৱে ভাৰতৰ যি প্ৰগতি হৈছিল সেয়াই আছিল ভাৰতৰ অৰ্থ-নৈতিক প্ৰগতি। বহুত সময়ত তেতিয়া ব্যক্তিগত লাভৰ প্ৰচেষ্টাতে, ভাৰতৰ অনিচ্ছা স্বত্বেও উন্নতি হৈছিল। কিন্তু ভাৰত স্বাধীন হোৱাৰ পিছত এতিয়া ভাৰত চৰকাৰৰ অৱশ্য কৰ্ত্তব্য হৈছে ভাৰতৰ অৰ্থনৈতিক প্ৰগতি সাধন কৰা। প্ৰথম তিনি চাৰি বছৰ দিয়া-লোৱাৰ প্ৰক্ৰিয়াৰে ব্যস্ত থাকিবলগীয়া হোৱাত আৰু বিভাজনৰ কুফলৰ প্ৰকোপত ভাৰত চৰকাৰে ভাৰতৰ অৰ্থনৈতিক প্ৰগতিৰ হকে বিধিগত প্ৰচেষ্টা চলাব নোৱাৰিলে। কিন্তু ১৯৫১-৫২ চনৰ পৰা ২।৩ বছৰ চিন্তা-চৰ্চা কৰি, পৰিকল্পনা যুগুত কৰি ভাৰতক অৰ্থনৈতিক প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যোগেদি বিধিগত প্ৰচেষ্টা চলোৱাৰ প্ৰয়াস দেখা গ'ল। এতিয়া এনে প্ৰয়াসৰ ফলাফল নো কি হৈছে বা কেনে হৈছে তাৰ খতিয়ান পৰীক্ষা-নিৰীক্ষা কৰি চোৱাৰ সময় হৈছে।

১৯৫১-৫২ চনৰ পৰা আৰম্ভ কৰি একাদিক্ৰমে ভাৰতত ৫টা পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু তিনিটা বাৰ্ষিক পৰিকল্পনা পাৰ হৈ গ'ল। আনকি নালাগে ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰো তিনিবছৰ পাৰ হৈ গ'ল আৰু সেই পৰিকল্পনাৰ এতিয়া চতুৰ্থ বছৰ চলি আছে। এই পৰিকল্পনাবিলাকৰ প্ৰক্ৰিয়াৰ ফল স্বৰূপে ভাৰতৰ বহুত দিশত অৰ্থনৈতিক প্ৰগতি হোৱাৰ লক্ষণ পৰিলক্ষিত হৈছে। এনেবোৰ প্ৰগতিৰ খতিয়ানৰ দীঘলীয়া তালিকা দাঙি ধৰি শেষ কৰিব নোৱাৰি। সেয়েহে কেইটামান মুখ্য কৃতকাৰ্য্যতাৰ তালিকাহে ইয়াত দাঙি ধৰা হৈছে।

ভাৰত এখন কৃষিপ্ৰধান দেশ। গতিকে কৃষিৰ ক্ষেত্ৰত হোৱা অৰ্থনৈতিক উন্নতিৰ পৰাই আমাৰ আলোচনা আৰম্ভ কৰো। ১৯৬১-৬২ চনক ৰিজনীৰ ভেঁটি হিচাবে লৈ ৰিজাই চালে দেখা যাব, যদি ১৯৬১-৬২ চনত শতকৰা এশ ভাগ উৎপাদন হৈছিল, ১৯৪৮-৪৯ চনত ই আছিল শতকৰা ৭২.৮ ভাগ আৰু ১৯৮১-৮২ চনত এই উৎপাদন আহি ১৫৪ ভাগৰ ওচৰা ওচৰি হৈছে। এতেকে কৃষিজাত উৎপাদনত ভাৰতৰ উৎপাদন শতকৰা ৫৪ ভাগ বৃদ্ধি হৈছে ১৯৬১-৬২ চনৰ পৰা ১৯৮১-৮২ চনলৈকে, অৰ্থাৎ কুৰি বছৰৰ ভিতৰত। অকল কৃষিৰ উৎপাদন বাঢ়িছে এনে নহয়। কৃষি পদ্ধতিৰ আধুনিকৰণো হৈছে, উন্নত আৰু বিজ্ঞানসন্মত প্ৰণালীৰ ব্যৱহাৰ হৈছে।

উদ্যোগৰ ক্ষেত্ৰতো তদনুৰূপ উন্নতিয়েই পৰিলক্ষিত হৈছে। ১৯৭০ চনক ৰিজনীৰ ভেঁটি হিচাবে ধৰি ললে,

১৯৭০ চনত শতকৰা ১০০ ভাগ উৎপন্ন হলে, ১৯৬০-৬১ চনত এই উৎপাদনৰ হাৰ আছিল ৫৫ আৰু এই উৎপাদন হাৰ ১৯৭৭-৭৮ চনত ১৪০ হয়গৈ। অৰ্থাৎ ৬০-৬১ চনতকৈ ১৯৭৭-৭৮ চনত উদ্যোগিক উৎপাদন প্ৰায় ২$\frac{১}{২}$ গুণ কৰে।

প্ৰগতিৰ আন এটা চিন হৈছে জনমুৰি আয়। সৰ্ব্ব সাধাৰণ ৰাইজৰ অৰ্থনৈতিক অৱস্থাৰ এটা সত্য প্ৰতিচ্ছবি জনমুৰি আয়ে যদিও আমাৰ অগত দাঙি ধৰিব নোৱাৰে, তথাপিতো জনমুৰি আয়ৰ প্ৰগতিয়ে দেশৰ অৰ্থনৈতিক উন্নতিকে সুচায়। ভাৰতৰ জনমুৰি আয় ১৯৭০-৭১ চনৰ ভিত্তিত পৰিকল্পনা নিগমৰ মতে ৯৩৫ টকা হয়গৈ ১৯৭৭-৭৮ চনত, যদিও পৰিসংখ্যা বিভাগে এই জনমুৰি আয় ৬৯০ টকা বুলিহে কয়। যি কি নহওক, ভাৰতত যোৱা ৭ বছৰত, অৰ্থাৎ ৭০-৭১ চনৰ পৰা ৭৭-৭৮ চনলৈকে ৫৫ টকাকৈ জনমুৰি আয় বাঢ়িল।

জনমুৰি আয়ৰ বৃদ্ধিৰ লগে-লগে দেশৰ ধন খটুৱাৰ সংখ্যাও বেচ ভাল দৰেই বৃদ্ধি পাইছে। ইও অৰ্থনৈতিক প্ৰগতিৰ আন এটা লক্ষণ। মুঠ ধন খটুৱাৰ সংখ্যা প্ৰথম পৰিকল্পনাত ৩৩৬০ কোটি টকা, দ্বিতীয় পৰিকল্পনাত ৬৮৩১ কোটি টক, তৃতীয় পৰিকল্পনাত ১১,৫০০ কোটি টকা, বাৰ্ষিক পৰিকল্পনাকেইটাত ৬৪৮৬.৫ কোটি টকা, চতুৰ্থ পৰিকল্পনাত ২২,৬৩৫ কোটি টকা আৰু পঞ্চম পৰিকল্পনাত ৩৭,২৫০ কোটি টকা। মুঠ ধন খটুৱাৰ সংখ্যা জাতীয় আয়ৰ শতকৰা ৫.৬ ভাগ আছিল ১৯৫১ চনত আৰু ই বাঢ়ি গৈ শতকৰা ১৬.১ ভাগ হৈছেগৈ ১৯৭৫-৭৭ চনত। এখন দেশে বৰ্দ্ধিত হাৰত ধন খটুৱাৰ পৰাটো নিশ্চয়কৈ অৰ্থনৈতিক প্ৰগতিৰেই বা উন্নতিৰেই লক্ষণ।

ঠিক সেইদৰেই যাতায়তৰ সুবিধা, আলি-পদুলি, বিজুলী-বাতি, জল সিঞ্চনৰ সুবিধা, ডাক-তাৰ বিভাগৰ সুবিধা, ঘৰুৱা আচবাব, কাপোৰ-কানি আদি এশ এবুৰি বস্তুৰ উৎপাদন বহু-গুণে বাঢ়ি ভাৰতৰ অৰ্থনৈতিক উন্নতিকে প্ৰতিপন্ন কৰিছে। পঢ়া-শালি, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ব-বিদ্যালয় আদিৰ বৃদ্ধিও বহুতেই হৈছে। ঘৰে ঘৰে চাইকেল, মটৰ-চাইকেল আদি ব্যৱহৃত হৈছে। এই সকলোবোৰ অৰ্থনৈতিক প্ৰগতিৰে দৃঢ় লক্ষণ।

শিক্ষিতৰ সংখ্যা বৃদ্ধি, ৰাজহুৱা স্বাস্থ্যৰ উন্নতি, আয়ুসৰ গড়, বয়সৰ বৃদ্ধি, ডাক্তৰ, হস্পিতাল আদিৰ সংখ্যাৰ বহুগুণে বৃদ্ধি, ৰেডিঅ' টেলিভিচন আদিৰ এহাতে কেন্দ্ৰ আৰু আনহাতে ব্যৱহাৰৰ বৃদ্ধি আদি লক্ষণসমূহে ভাৰতৰ অৰ্থনৈতিক প্ৰগতিকে সুচায়।

এইখিনিতে উনুকিয়াই থোৱা উচিত হব যে, ভাৰতৰ অৰ্থনৈতিক প্ৰগতি মানে ভাৰতীয় জনগণৰ অৰ্থনৈতিক প্ৰগতি নহয় বা নহবও পাৰে। ভাৰতৰ জনসংখ্যাৰ বৃদ্ধিয়ে এই প্ৰগতিবোৰৰ সুফলবোৰ এনেদৰে খাই পেলাইছে, যে প্ৰতিজন ভাৰতীয়ৰ ভাগত এই প্ৰগতিৰ সুফল ক্ৰম হ্ৰাস-মান হাৰতহে পৰিছেগৈ চহকী, চহকী হৈ গৈছে আৰু দুখীয়া, দুখীয়া হৈ গৈছে। ডঃ আৰ, কে, হাজাৰীৰ বিৱৰণ মতে ১৯৫৮ চনতে চাৰিটা কোম্পানী গোষ্ঠীৰ হাতত ভাৰতৰ অনাচৰকাৰী মুলধনৰ শতকৰা ২২ ভাগ গোট খাই আছিল। আনহাতে দিনক দিনে বেছিকৈহে ভাৰতীয়ই দৰিদ্ৰতাৰ সীমাৰেখাৰ মাজত সোমাই পৰিছে। ভাৰতে চলোৱা অষ্টবিংশ জাতীয় চেমপোল চাৰভে মতে, অসমত শতকৰা ৮৭$\frac{১}{২}$ জন লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ ভিতৰত পৰে। আনহাতে অসমৰ পৰিকল্পনা বৰ্ডে দৰিদ্ৰতাৰ সীমাৰেখাৰ উপাৰ্জ্জন ১৯৭২ চনৰ অক্টোবৰ মাহৰ প্ৰচলিত দামত ৪০ টকাত নিৰ্দ্ধাৰণ কৰিছে। অৰ্থাৎ এই দামত অসমৰ ৮৭$\frac{১}{২}$ জন লোকৰ উপাৰ্জ্জন ৪০ টকা মাথোন। গতিকে ভাৰতৰ অৰ্থনৈতিক প্ৰগতিয়ে ভাৰতীয় জনগণক দুখীয়াহে কৰিছে। অথবা অৰ্থনৈতিক অধোগতিৰ পথলৈ থেলি দিছে। ভাৰতত কুৰিদফীয়া আঁচনি এখন কৰি দৰিদ্ৰ লোকৰ অৱস্থাৰ উন্নতি কৰিব পৰা নগ'ল। আকৌ এতিয়া নতুন কুৰিদফীয়া আঁচনি কৰিছে। এই নতুন কুৰিদফীয়া আঁচনিৰ কৃত্য কাৰ্য্যতাৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাবৰ এতিয়াও হোৱা নাই। সময়েহে এই আঁচনিৰ ওপৰত পৰীক্ষা চলাই মতামত দিব।

গতিকে ভাৰতৰ অৰ্থনৈতিক প্ৰগতি বহুতেই হৈছে।

কিন্তু শতকৰা ৮০ ভাগতকৈ বেছি ভাৰতীয়ৰ অর্থনৈতিক অধোগতিহে হৈছে। এনে অৱস্থাত কি কৰা উচিত হব সিও গভীৰভাৱে বিচাৰ্য্য বিষয়। একালত এটা ভুল ধাৰণা আছিল যে প্রগতিৰ লগত উপাৰ্জ্জন বন্টনৰ চিৰকলীয়া বিৰোধ। সেই একেটা মুদ্ৰাৰে আন পিঠিৰ পৰা চালে ওলাই পৰিব আন এটা অসত্য। সেইটো হৈছে দৰিদ্ৰ জনগণৰ উন্নতি সাধন কৰা মানে দেশৰ অর্থনৈতিক প্রগতিত আঘাত জন্মোৱা। এনেবোৰ মানুহৰ যুক্তি হ'ল প্রগতিৰ হকে মূলধন লাগে। মূলধন সাঁচিলেহে পোৱা যায়। ধন সাঁচে ধনীয়েহে, দুখীয়াই নহয়। গতিকে অর্থনৈতিক প্রগতিৰ হকে ধনী শ্ৰেণীৰ ওপৰত কুঠাৰাঘাত কৰিব নালাগে। এইটো একেবাৰেই ভুল ধাৰণা। চিঙ্গাপুৰ, কষ্টাৰিকা, টাইৱান আদিয়ে দেখ দৈখকৈ প্রমাণ কৰিলে যে—অর্থনৈতিক প্রগতি আৰু জনগণৰ কল্যাণৰ মাজত বিৰোধটো নায়েই, বৰঞ্চ দুয়োটাৰে মাজত এনে এটা সংহতি আছে যে এটাই আনটোক আৰু আনটোৱে প্রথমটোক চক্ৰাকাৰে খেদা খেদিকৈ প্রগতিৰ আৰু জন-গণৰ কল্যাণৰ চৰম শিখৰলৈ যাব পাৰে। গতিকে আমাৰ এনেবোৰ আঁচনি হোৱা উচিত যাতে সেইবোৰ এহাতে দেশক অর্থনৈতিক প্রগতিৰ পথত আগবঢ়াই লৈ যোৱাৰ লগে লগে দৰিদ্ৰ জনগণৰ কল্যাণ সাধি প্রগতিৰ আচল অর্থক প্রতীয়মান কৰায়। পুৰণি চহকী দেশৰ কথা বাদেই দিছো; যেতিয়া এই নতুন চহকী দেশকিথনে আমাক এনে এটা আদর্শ দেখুৱাইছে, যে আমিও সেই আদর্শেৰে অনু-প্রাণিত হৈ চৰকাৰৰ তৰফৰ পৰা হাতে কামে আগবাঢ়িলে দেশৰ অর্থনৈতিক প্রগতি আচল অর্থত হ'ব।

('আকাশবাণী' ডিব্ৰুগড় কেন্দ্ৰৰ যোগে প্রচাৰিত)

**'এখন ছবি শব্দবিহীন এটা কবিতা'**

**—হোৰেচ**



**ৰুদ্ৰ কান্ত শৰ্মা**
২য় বাৰ্ষিক, প্ৰাক্-স্নাতক, বিজ্ঞান

আচলতে মই তাইক কেতিয়াও ভাল পোৱা নাছিলো। মই মাত্ৰ তাইৰ লিখনিকহে ভাল পাইছিলো, শ্ৰদ্ধা কৰিছিলো।

তাইৰ নাম আছিল প্ৰীতি বৰুৱা।

মই এখন আলোচনীৰ সম্পাদক আছিলো। কাৰ্য্যালয়ৰ ব্যক্তিগত কোঠালৈ যি কোনো মানুহ অনুমতি লৈহে আহিব পাৰে। কিন্তু প্ৰীতিৰ আগমন হৈছিল আচম্বিতে।

সহকৰ্মীসকলৰ বাহিৰেও নিজ নিজ ব্যৱসায় সংক্ৰান্তত বিভিন্ন উদ্দেশ্য লৈ বিভিন্ন ব্যক্তি মোৰ কাষলৈ দৈনিক আহে। কিন্তু এনে গাভৰু ছোৱালীৰ আগমন আগতে হোৱা নাই।

মই অলপ আচৰিত হলোঁ।

অনুমতি লৈ নিঃসংকোচে তাই মেজৰ কাষ চাপি নমস্কাৰ জনালে। প্ৰতি নমস্কাৰ জনাই মই আগমনৰ কাৰণ সুধিলো। তাইৰ নাম প্ৰীতি বৰুৱা, তাই কৈছিল। গল্প, কবিতা লিখি তাই ভাল পাইছিল। ইয়াৰ পাছত প্ৰীতিয়ে এটা বেঙুনীয়া খাম আগবঢ়াই দিলে। এবাৰ তাইৰ মুখলৈ চাই বগা, লাহী আঙুলিৰ চেপাত থকা খামটো মই ললোঁ। তাই এটি গল্প লিখি আনিছিল।

অৱশ্যে তাই যে ধুনীয়া এই কথা স্বীকাৰ কৰিব লাগিব। কোনোবা কবি সাহিত্যিকে প্ৰীতিৰ সৌন্দৰ্য্য 'শৰতৰ পূৰ্ণেন্দুৰ পৰা নিগৰি অহা এমুঠি মিঠা জোনাক' বুলিও ক'ব পাৰে। মোৰ অৱশ্যে সিমান সৌন্দৰ্য্যবোধ নাই। জনসাধাৰণৰ কথা লিখি প্ৰকাশ কৰো। নিষ্ঠুৰ বাস্তৱৰ লগত মোৰ ভাল পৰিচয় আছে। ইয়াৰ বাবেই সৌন্দৰ্য্যবোধ কিছু হেৰাই গৈছে নেকি ?

প্ৰীতি আঢ্যৱন্ত ঘৰৰ জীয়াৰী যদিও দুখীয়া জনসাধাৰণৰ দুখ-কষ্টক তাই ভালদৰে বুজি পাইছিল। প্ৰীতিৰ ৰচনাত

সমাজৰ দুৰ্নীতি, ব্যাভিচাৰ, সৰ্বসাধাৰণৰ হৃদয়ৰ খবৰ ফুটি উঠিছিল। সেয়ে তাইৰ ৰচনা মই ভাল পাইছিলো আৰু প্ৰকাশ কৰিছিলো।

এদিন তাই মোক ঘৰলৈ আমন্ত্ৰণ জনালে। প্ৰীতিৰ ঘৰৰ ঠিকনা মই আগতেই জানিব পাৰিছিলো। ঘৰটো বিচাৰি উলিয়াওঁতে মোৰ বিশেষ একো অসুবিধা নহ'ল। প্ৰকাণ্ড, সুদৃশ্য ঘৰটোৰ সন্মুখৰ বিৰাট গেটখন ঠেলামাৰি সোমাই যাওঁতে হোৱা শব্দ বাৰান্দাত বান্ধি থোৱা বিদেশী কুকুৰটোৱে মূৰ দাঙি মোলৈ চিকাৰী দৃষ্টিৰে চাবলৈ ধৰিলে।

প্ৰীতি ঘৰত নথকাত তাইৰ মাকেই মোক সোধ-পোচ কৰিলে। মানুহ গৰাকী বেচ স্ফূৰ্তিবান। নিজৰ স্বামীয়ে পোৱা মুক্তি যুঁজাৰুৰ তাম্ৰপত্ৰ গৌৰৱেৰে মোক আনি দেখুৱালে আৰু প্ৰধান মন্ত্ৰীৰ সৈতে একেলগে তোলা ছবি এখনো আনি দেখুৱালে।

প্ৰীতিৰ দেউতাক যে মুক্তি যুঁজাৰু, মই আগতে জনা নাছিলো।

অৱশ্যে, প্ৰীতিৰ দুই এটা গল্পত মই এই বিষয়ে ইংগিত পাইছিলো। কিন্তু, মই তাক গল্প হিচাপেহে লৈছিলো।

সঁচাকৈয়ে, এইসকল মানুহে দেশৰ বাবে বহু খাটিলে।

এনেতে বাৰান্দাৰ ছাদত ৰোৱা ফিয়েটখনৰ পৰা প্ৰীতি জপিয়াই নমাদি নামিল। পৰি যোৱা শাৰীখনৰ আগটো তুলি লৈ, মোক দেখিয়েই তাই আচৰিত হ'ল। আগতীয়াকৈ খবৰ নিদি অহাৰ বাবে প্ৰীতিয়ে অভিমান প্ৰকাশ কৰিলে। সেই সময়তে বাৰান্দাত এক বৃদ্ধৰ আৱিৰ্ভাৱ ঘটে। জৰাজীৰ্ণ বৃদ্ধই বোধহয় প্ৰীতিৰ ধমকনিত ক'ব খোজা কথাখিনিও পাহৰি গ'ল। 'তোমাক সিদিনাই দেউতাক বিচাৰি নাহিবলৈ কৈছিলো নহয়। বাৰু, আহিলা ভালেই হ'ল। সৌ বাৰীৰ চুকত থকা কাঠ কেইটুকুৰা মায়ে ফালি যাবলৈ কৈছে।' বৃদ্ধই কঁপা কঁপা খোজেৰে বাৰীৰ ফালে খোজ ল'লে।

'এই বুঢ়াজনে' তাই কৈছিল, স্বাধীনতা যুঁজত হেনো জেল খাইছিল। সিদিনা দেউতাক এতিয়াও পিঠিত লাঠিৰ কোবৰ চিন আছে বুলি কৈছিল। দেউতাই আকৌ তাম্ৰপত্ৰ আৰু মুক্তি যুঁজাৰুৰ পেঞ্চন পোৱা দেখি বুঢ়াৰ নামো হেনো দেউতাই চৰকাৰলৈ লিখি পঠিয়াৰ লাগে। সেই কাৰণেই সদায় আহি থাকে...।

বৃদ্ধৰ বিষয়ে প্ৰীতিয়ে আৰু বহু কথাই কলে। সাধাৰণতে শুনি ভাল লগা তাইৰ কথাবোৰ মোৰ কাণত বৰ অস্বাভাৱিক যেন লাগিল। দুৰ্নীতি আৰু জনগণৰ দুখ-দৰিদ্ৰতাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা প্ৰীতিৰ মুখত জনগণৰ প্ৰতি এনে ঘৃণা আৰু অৱজ্ঞাসূচক মন্তব্য !

মাত্ৰ নাম কিনিব খোজা বহুতো ভণ্ড লিখকৰ কথা মই জানো। প্ৰীতিৰ চৰিত্ৰত মই তেনে এক সন্দেহ নকৰো। কিন্তু তেনে এক সন্দেহতে মই আশংকিত হৈ উঠিলো।

অনুৰোধ পেলাব নোৱাৰি প্ৰীতিহঁতৰ গাড়ীতে ঘৰলৈ উভতিলো। বাটত ড্ৰাইভাৰৰ লগত ইটো সিটো কথা পাতিছিলোঁ। তেতিয়াই গম পালো, সেই বৃদ্ধ তাৰেই বাপেক। বাটত সি বৰুৱাৰ ( প্ৰীতিৰ দেউতাক ) বিষয়ে বহু কথা ক'লে। কেনেকৈ ওপৰ মহলাক সন্তুষ্ট কৰি মুক্তি যুঁজাৰুৰ লিষ্টত নাম লিখালে তাৰ বিষয়ে বিশদভাৱে ক'লে। সিয়েই বৰুৱাক ইঠাই সিঠাইলৈ লৈ যায়। সেয়ে তেওঁৰ কাম-কাজৰ বিষয়ে তাৰ ভাল ধাৰণা আছে। 'তেন্তে বৰুৱা প্ৰকৃত মুক্তি যুঁজাৰু নহয় নেকি'? 'ক'ৰ মুক্তি যুঁজাৰু হেৰি। বৃটিছৰ দিনত অহিংস সত্যাগ্ৰহীক ধৰাই দি ধন ঘটিছিল। এবাৰ টকা আত্মসাৎ কৰাৰ অভিযোগত তেওঁ জেলো খাইছিল। তাকেই এতিয়া স্বাধীনতা যুঁজত জেল খোৱা বুলি লিখাই পেঞ্চন লৈছে। এই সকলোবোৰ কথা আমাক দেউতাই কৈছে। কি কব, জোৰ যাৰ মুলুক তাৰ। ড্ৰাইভাৰে এটি হুমনিয়াহ কাঢ়িলে।

এক গভীৰ ষড়যন্ত্ৰ যেন মোৰ সন্মুখত উদ্‌ঘাটিত হ'ল। প্ৰীতিয়ে মোৰ সৈতে গঢ়ি তোলা সম্বন্ধৰ ( ভাল পোৱাৰ অভিনয় ? ) গুৰি ক'ত তেতিয়াহে বুজি পালো। দেউতাকৰ সৈতে একেটা সুঁতিতে মিলি নিজৰ আৰু লগতে দেউতাকৰ নামো সমাজত প্ৰতিষ্ঠা কৰিবলৈ মোক এপাত অস্ত্ৰ হিচাপে লৈছিল ? তাৰ বাবেই এনে ধৰণৰ কিছুমান মিছা কাহিনীৰ সৃষ্টি ? নাই, নাই এনে হব নোৱাৰে, মই এনে হবলৈ দিব নোৱাৰো। মই অন্ততঃ জনগণক ফাঁকি দিব্‌-নোৱাৰোঁ।

সেয়ে, কলম হাতত লৈ লিখি গৈছো এই স্বীকাৰোক্তি।

প্ৰাচীন পাহাৰী লোক গাথা

# ৰাজুলা-মালুশ্বাহ উপাখ্যান

ভুইটী শইকীয়া
স্নাতক, ১ম বাৰ্ষিক ( বাণিজ্য )

ভাৰতৰ বিভিন্ন প্ৰান্তৰ ভিন্ন লৌকিক সাহিত্য-সংস্কৃতিত প্ৰেম-বিৰহ-দ্বন্দ্ব-সমন্বিত কিছুমান সুন্দৰ কাহিনী আছে। এই সকলোবোৰ কাহিনীৰ মাজত ঘটনা, আদৰ্শ, চৰিত্ৰ আদিৰ যথেষ্ট মিল দেখা যায়।

কুমায়ুন, গাড়োৱাল, উত্তৰ খণ্ড অৰ্থাৎ উত্তৰ প্ৰদেশৰ উত্তৰ প্ৰান্তৰ আৰু বৰ্তমান হিমাচল প্ৰদেশৰ দক্ষিণ অঞ্চলত যি লোক কথা প্ৰচলিত সেয়াই ৰাজুলা-মালুশ্বাহ উপাখ্যান।

ভৌগোলিক কাৰণতেই এই অঞ্চলৰ ওপৰত তিব্বতীয় সংস্কৃতিৰ যথেষ্ট প্ৰভাৱ পৰিছে। এই কাহিনীৰ গীতৰ সুৰ, নাচৰ ছন্দ আৰু ভাষা আদিত তিব্বত আৰু চীন দেশৰ লোক-সংস্কৃতিৰ প্ৰভাৱ দেখা যায়। এই ৰাজুলা-মালুশ্বাহ উপাখ্যানটিৰ প্ৰচলন ছামোলী, নন্দ প্ৰয়োগ, শিমলি, জাখোলী, ধামী গাওঁ, মৈখোলি, কুমায়ুন আৰু উত্তৰলৈ উত্তৰ কাশী, গঙ্গোত্ৰী, হুনদা, সানন্দ্ৰা, পুশা, পাতৰা প্ৰভৃতি পাহাৰী জন-সমাজত প্ৰচলিত। কুমায়ূনী, গাড়োৱালী আৰু হিমাচলী পাহাৰীসকলৰ চেহেৰা, দীৰ্ঘ, উন্নত নাক, বগা ৰং। এই অঞ্চলত এসময়ত প্ৰচলিত আছিল 'টাংকৰি' নামৰ তেওঁলোকৰ নিজস্ব লিপি। কিন্তু আজি তেওঁলোকৰ ভিতৰত আনকি শিক্ষিতজনেও এই ভাষা নাজানে। অৱশ্যে কথ্য-ভাষা হিচাপে কেইবাটাও উপ-ভাষা প্ৰচলিত আছে, যেনে—কাংড়া, চাম্বিয়ালী, মণ্ডিয়ালী, কুলবি, চিৰমৌৰী, বিলাসপুৰী, পাংগোৱালী, ভাগাতি, দক্ষিণ মহাশুভি, উত্তৰ মহাশুভি, কিয়ুনথালী, কিন্নৰী ইত্যাদি। সংস্কৃত আৰু প্ৰাকৃত ভাষাৰ পৰা সৃষ্টি হোৱা এই উপভাষাবোৰৰ লগত কাশ্মীৰ, পাঞ্জাৱ, হাৰিয়ানা আদিৰ ভাষাৰ লগত যথেষ্ট মিল দেখা যায়।

এওঁলোকৰ সামাজিক আনন্দ-উৎসৱ 'ভগত', কৰিয়ালা আদি আমাৰ ৰাস-লীলাৰ দৰেই। 'ঝংঝটি,' 'ভেট', 'নাৰটি' নামৰ লোক সঙ্গীত আৰু নৃত্যই উৎসৱৰ বিশেষ অঙ্গ। এই লোক সঙ্গীতবিলাকে এক স্বাধীন সমাজ, স্বাধীন প্ৰেম, দুষ্টৰ দমন, শিষ্টৰ পালন আদিৰ জয়গান গায়। এই উৎসৱৰ বেছি ভাগেই দেৱ-দেৱীৰ ভাবাপন্ন। কৃষ্ণ, শিৱ-পাৰ্ব্বতী, সৰস্বতী আদিৰ দেৱ-দেৱতা বা দেৱীৰ সাজ সাজি নাচনী শোভাযাত্ৰা কৰা দেখা যায়। একমাত্ৰ 'মনসুখা', 'মুজৰা' নামৰ নাৰী-পুৰুষৰ প্ৰেমলীলা সমন্বিত আনন্দ উৎসৱহে ইয়াৰ ব্যতিক্ৰম।

আৰু ব্যতিক্ৰম গাঁৱে গাঁৱে প্ৰচলিত ৰাজুলা-মালুশ্বাহ উপাখ্যানটি। এয়া কোনো দেৱ-দেৱীৰ কাহিনী নহয়। সম্পূৰ্ণ মানৱ-মানৱীৰ চিৰন্তন প্ৰেমৰ উপাখ্যান।

[ ১ ]

সেউজীয়া বননি, দুৰন্ত ঝৰ্ণা আৰু বিস্তৃত পাহাৰৰ পাহাৰী ছোৱালী ৰাজুলা। সিহঁতৰ গাঁৱৰ শেষ প্ৰান্তৰৰ পৰা অৰান্ত হৈছে তিব্বত দেশ। ৰাজুলাহঁতে কয় হুণ দেশ।

ৰাজুলাৰ বাপেক শোনপতি শৌকা এটা ডাঙৰ বাণিজ্য দলৰ নেতা। তিব্বত দেশৰ পৰা দ্ৰব্য-সামগ্ৰী ক্ৰয় কৰি ভৈয়ামত বিক্ৰী কৰা, ভৈয়ামৰ সামগ্ৰী তিব্বতত নি বিক্ৰী কৰাই এওঁলোকৰ ব্যৱসায়। এদিনৰ কণমানি পাহাৰী ৰাজুলা পলে পলে বয়স বাঢ়ি এদিন গাভৰু হ'ল। সৌন্দৰ্য্যৰে ভৰি উঠিল তাইৰ শৰীৰ। সখীসকল মুগ্ধ হয় তাইৰ যৌৱনপুষ্ট ৰূপ দেখি। বিহ্বল হয় আৰু এজন। তেওঁ হ'ল তিব্বতৰ এজন ৰজা। এদিন সখীসকলৰ লগত স্নানৰত অৱস্থাত এক অসংলগ্ন মুহূৰ্ত্তত সিক্তবাসনা ৰাজুলাক দেখিছিল এই ৰজাই। দূত আহিছিল শোনপতিৰ কাষলৈ। ৰাজুলা তিব্বতৰ ৰাণী হব। উচ্চাভিলাষী শোনপতি আনন্দত আত্মহাৰা হৈ পৰিল। ৰাজুলা ৰাণী হব, আৰু তেওঁ হব ৰাণীৰ বাপেক। তেওঁৰ বৃদ্ধি হব বাণিজ্য, সম্পদ, সন্মান। স-সন্মানে ৰজালৈ তেওঁ সন্মতি পত্ৰ পঠালে। ষোল বছৰীয়া সদ্য যৌৱনা ৰাজুলাৰ বিবাহ উৎসৱৰ বাবে সকলো যো-জা আৰম্ভ হ'ল। এই খবৰ ইতিমধ্যে সকলোতে বিয়পি পৰিছিল। তেওঁলোকৰ 'শৌকিয়ানা' জনসমাজত আনন্দৰ জোৱাৰ উঠিল। গাঁৱৰ সুন্দৰ গাভৰুজনী হুণ দেশৰ ৰাণী হব। এয়াতো তেওঁলোকৰ কম গৌৰৱ নহয়। ৰাজুলাৰ কিন্তু এইবোৰ ভাল লগা নাছিল, তাই দেখিছে হুণ ৰজাৰ চকুৰ দৃষ্টি সুবিধাৰ নহয়; তাৰ উপৰিও মানুহজন হেনো বৰ নিষ্ঠুৰ, অকাৰণে যুদ্ধ কৰি মানুহক হত্যা কৰে।

[ ২ ]

এনিশা ৰাজুলাই এক বিচিত্ৰ সপোন দেখিলে। দেখিলে দীৰ্ঘ সুন্দৰ চেহেৰাৰ এজন পুৰুষ তাইৰ সমুখত আহি থিয় দিছে। উন্নত নাক, দুচকুত প্ৰেমময় দৃষ্টি, বিশাল বক্ষস্থল, সেই পুৰুষে তাইলৈ হাত আগবঢ়াই ক'লে, 'আহা'! বিচিত্ৰ অনুভূতিত অৱশ হৈ পৰিল ৰাজুলাৰ চেতনা। সেই পুৰুষজনো স্বৰ্গৰ দৰে এখন ৰাজ্যৰ ৰজা! সেই ৰাজ্যৰ নাম 'বৈৰাট'। আনন্দ-দুখত ৰাজুলাৰ টোপনি ভাঙিল। কোন এই পৰম পুৰুষ? ক'ত এই 'বৈৰাট' ৰাজ্য?

এনে এখন ৰাজ্য আৰু ৰজাৰ কথা ৰাজুলাই সখীসকলক সোধাত সখীসকলেও এই বিষয়ে একোৱেই কব নোৱাৰিলে। শেষত ৰাজুলা মাকৰ কাষ চাপিল। চিন্তিতা মাতৃ গাঙুলা দেৱীয়ে যেন ইমান দিনৰ পাছতহে নিজ কন্যাক দুচকু জুৰাই চালে—তেওঁৰ সেই মৰমৰ ৰাজুলাজনী আজি যৌৱন-প্ৰাপ্ত গাভৰু। দেহত দৃঢ় পাহাৰী যৌৱন, দুচকুত স্বপ্নময়তা। তেওঁ জানে ৰাজুলাৰ সপোন-পুৰুষজন কোন? সেই ৰূপবান পুৰুষৰ নাম মালুশ্বাহ। 'বৈৰাট' ৰাজ্যৰ ৰজা তেওঁ।

এই কথা জানি ৰাজুলাৰ মন-প্ৰাণ ঘনে ঘনে চঞ্চল হৈ উঠিল। তাইৰ সপোন-পুৰুষজন অলৌকিক নহয়, ভৈয়ামৰ এজন ঐশ্বৰ্য্যশালী বীৰ পুৰুষ। তেন্তে তেওঁৰ কাষলৈ যোৱাত বাধা ক'ত? গাঙুলা দেৱী চমকি উঠিল। এই কথা শোনপতিয়ে শুনিলে কথা বিষম হব। ভৈয়ামৰ মানুহক তেওঁ ভাল নাপায়।

কিন্তু দৃঢ় চেতনা ৰাজুলা মনে মনে আৰু কঠিন হৈ উঠিল। যেনেকৈয়ে হওক যি কোনো উপায়েৰে তাই এবাৰ 'বৈৰাট' ৰাজ্যলৈ যাবই।

শেষত সুযোগ ওলাল। শোনপতি এইবাৰ বাণিজ্য দল লৈ যাব বৈৰাট ৰাজ্যলৈ। মৰমৰ ৰাজুলাই ঠেহ পাতিছে, তাইও যাব। শেষত শোনপতি ৰাজি হ'ল। আৰম্ভ হ'ল যাত্ৰা। বিৰাট বাণিজ্য দল পাহাৰৰ পাছত পাহাৰ বগাই বহুত নদ-নদী পাৰ হৈ, উপত্যকাৰ জন-সমাজত জিৰণি লৈ লৈ সমতললৈ নামি আহিল। বৈৰাট ৰাজ্যৰ প্ৰান্তত 'অগ্নিয়াৰী' দেৱীৰ প্ৰাচীন মন্দিৰ। চিৰাচৰিত প্ৰথা অনুযায়ী শোনপতিয়ে এই মন্দিৰত পূজা দিয়ে। তাতে এইবাৰ ৰাজুলাও লগত আছে। কিন্তু নিয়তিৰ বিচিত্ৰ লীলা। মন্দিৰলৈ আহিয়েই বিপত্তি ঘটিল, ৰাজুলাক বিচাৰি পোৱা নাই। পূজাৰ শেষত দেখা গ'ল

ৰাজুলা নাই। হঠাতে ৰাজুলাৰ কি হ'ল? ক'লৈ গ'ল হঠাতে সৰল, অনভিজ্ঞা পাহাৰী গাভৰু?

বিশাল মন্দিৰতেই ৰাজুলাই দেখিছিল তাইৰ সপোনৰ সেই পৰম পুৰুষক। ৰজা মালুশ্বাহ আহিছিল দেৱী পূজালৈ। নিৰ্বাক নয়নেৰে দুয়ো দুয়োলৈ চাইছিল। মালুশ্বাহে দেখিছিল এক সদ্য যৌৱন বিকশিতা উন্মুখ ৰাজুলাক, ৰাজুলাই দেখিলে ৰূপময়, মহিমাময় মালুশ্বাহক। মালুশ্বাহ আগবাঢ়ি আহিল ৰাজুলাৰ সমুখলৈ। পাহাৰৰ পাদদেশত, মন্দিৰৰ অনতি দূৰত শান্ত এক বিশ্ৰাম কুঞ্জলৈ ৰজাই লৈ আহিল তেওঁৰ নবীনা প্ৰেয়সীক। মুগ্ধ বিস্ময়েৰে দেখিলে পাহাৰী যুৱতীৰ সতেজ সৌন্দৰ্য্য, সৰল অমলিন প্ৰেম। উভয়েই মুগ্ধ, মৃদুস্পন্দিত মন-প্ৰাণ, বিস্ময়ত বিকশিত।

শোনপতিৰ অনুচৰসকলে বহু চেষ্টাৰ পাছত আৱিষ্কাৰ কৰিলে নৱ প্ৰেমিক-প্ৰেমিকাক। ৰাজুলাক ধৰি লৈ আহিল উদ্বিগ্ন পিতাকৰ কাষলৈ। শোনপতিৰ সমুখত ভীতা হৰিণীৰ দৰে ৰাজুলাই সকলো স্বীকাৰ কৰিলে—"বাবা, মই হূণ দেশলৈ নাযাওঁ। এই ৰজাই মোৰ স্বামী।" শেষত প্ৰায় বন্দিনীৰ দৰেই ৰাজুলাক শৌকিয়ানালৈ অনা হ'ল। ৰাজ প্ৰাসাদৰ দৰে ঘৰ শোনপতিৰ। ৰাজুলাক কঠিন পাহাৰৰ মাজত ৰখা হ'ল।

[ ৩ ]

কেইদিনমানৰ পাছতেই আৰম্ভ হ'ল 'গৌৰ মহেশ্বৰ' পূজাৰ আনন্দ। এই আনন্দৰ উৎসৱত উজ্বল ৰং-চঙীয়া হাতে বোৱা কাপোৰ পিন্ধি যুৱক-যুৱতীসকলে নাচে। তিব্বতীয় ব্যৱসায়ীসকলে মূল্যবান পোছাক বিকে। সম্পন্ন খেতিয়ক, ব্যৱসায়ীসকলে এই মূল্যবান পোছাক পিন্ধে এই উৎসৱত। পূজা, আৰতি আৰু বন্দনাৰ পাছত আৰম্ভ হয় 'মনসুখা' উৎসৱ। প্ৰমত্তসকল মাতাল হৈ উঠে 'মুজৰা' নৃত্যত।

বুদ্ধিমতী ৰাজুলাই এই উৎসৱলৈকে ইমান দিনে অপেক্ষা কৰি আছিল। তাইৰ সখীসকলেও তাইৰ বাবে সকলো কৰিবলৈ সাজু হ'ল। তাইৰ পহৰাত আছিল দুটা অসুৰ হেন দাৰোৱান। দেখাত যিমানেই ভয়ঙ্কৰ সিহঁতৰ চেহেৰা, কিন্তু কামত সিমানেই সিহঁত মূৰ্খ। ৰাজুলাৰ পৰামৰ্শত সখীসকলে দাৰোৱান দুটাক প্ৰচুৰ মদ আৰু আহাৰ খুৱালে। যুৱতীসকলৰ নাচৰ আনন্দত অজ্ঞান হৈ পৰিবলৈ সিহঁত দুটাৰ বেছি সময় নালাগিল। ৰাজুলাই তাইৰ দামী পোছাক এৰি সখীৰ সাধাৰণ পোছাক পৰিধান কৰি বাহিৰলৈ ওলাই আহিল। এইবাৰ আৰম্ভ হ'ল প্ৰেমৰ পৰীক্ষা। দেৱী আগ্নিয়াৰী আৰু গৌৰ মহেশ্বৰৰ নাম স্মৰণ কৰি তাই এটাৰ পাছত এটা পাহাৰ বগাবলৈ ধৰিলে। বহু দীৰ্ঘ পথ। অকলশৰীয়া অসহায় নাৰী তাই; বাটত ভয়ৰ শেষ নাই। জন্তু-জানোৱাৰৰ পৰা ৰক্ষা পাবলৈ ৰাতি হ'লেই জন-সমাজত আশ্ৰয় ল'ব লাগে আৰু তাত আছে অকলশৰীয়া গাভৰু পোৱাৰ আশাত পৰ দি থকা কিছুমান মানুহ। কিন্তু ৰাজুলা বুদ্ধিমতী। তাই কাৰোবাৰ মন ভুলাই, কাৰোবাক চকু দেখুৱাই খং কৰি, কাৰোবাক 'এই আহিছো, তুমি বিয়াৰ বাবে সাজু হোৱা' ইত্যাদি মন ভুলোৱা কথাৰে বাধাবোৰ আঁতৰাই অৱশেষত অগ্নিয়াৰী দেৱীৰ মন্দিৰত উপস্থিত হ'ল। দেৱীক প্ৰণাম কৰি ৰাজুলা যেতিয়া মালুশ্বাহ ৰাজপ্ৰাসাদ পালেগৈ তেতিয়া মাজনিশা। ৰজাই খবৰ পাই আগবাঢ়ি আহিছিল। আনন্দত মালুশ্বাহৰ প্ৰশস্ত বুকুত মূৰ গুজি দিলে ৰাজুলাই।

দীৰ্ঘ অদৰ্শনৰ উচ্ছ্বাস পলুৱাই মালুশ্বাহে কৈছিল— "আজিৰ পৰা তুমি মোৰ ৰাণী, প্ৰধান মহাৰাণী। তুমি আৰু যাব নালাগে, ইয়াতেই আমাৰ বিয়া হ'ব।'

এই কথাত দীপ্ত তেজেৰে ৰজাৰ বাহু বন্ধনৰ পৰা ওলাই আহি ৰাজুলাই কৈছিল—"এয়াই তোমাৰ উপযুক্ত কথা? ইমান ডাঙৰ ৰজা হৈ কেনেকৈ কলা তুমি এই কথা? তুমি মোক ভাল পোৱা। মই নাৰী হৈ ইমান কষ্ট, অপমান সহ্য কৰিছো, আৰু তুমি কৈছা মোক থাকি যাবলৈ? এয়াই তোমাৰ পুৰুষত্ব? এই তোমাৰ প্ৰেম? মালুশ্বাহে অবাক বিস্ময়ত চাইছিল পাহাৰী গাভৰুৰ অগ্নিময়ী চেহেৰা। ৰাজুলাই তীক্ষ্ণ কণ্ঠত কৈছিল "তোমাৰ কি

ক্ষমতা নাই মোক শৌকিয়ানাৰ পৰা কাঢ়ি অনাৰ ? তুমি কি নাজানা ৰজাৰ বাবে এনে বিয়াই বেছি গৌৰৱৰ ?"

ৰাজুলা নামৰ যে এই পাহাৰী কন্যাৰ ইমান প্ৰখৰ আত্ম-সন্মানবোধ, সেয়া বোধহয় মালুশ্বাহে জনা নাছিল। স্তব্ধ হৈ গৈছিল তেওঁ। ৰাজুলাই প্ৰাসাদ এৰি অহাৰ আগতে কৈছিল, "যদি বীৰ পুৰুষৰ দৰে মোক জয় কৰিব পাৰা, তেতিয়াহে মই তোমাৰ ৰাণী হম, অন্যথা মোৰ ভাগ্যত সেই ভয়ঙ্কৰ হূণ ৰজা।"

আকৌ অসীম সাহসী এই যুৱতীৰ এক যাত্ৰা হ'ল। এইবাৰ পিতৃ-গৃহৰ অভিমুখে।......বহু কষ্টেৰে ৰাজুলা ঘূৰি আহিল। শোনপতিয়ে আকৌ বন্দী কৰিলে তাইক।

মালুশ্বাহ প্ৰস্তুত হ'ল। লগত ললে কেইজনমান বিশ্বাসী আৰু সাহসী অনুচৰ, মোমায়েক মিৰতু গাড়োৱালী আৰু গুৰুদেৱক। মালুশ্বাহৰ মাকে যদিও শৌকিয়ানালৈ যোৱাত বাধা দিছিল মালুশ্বাহে কিন্তু সেই বাধা নামানিলে। সকলোৱে ছদ্মবেশ ধৰি যাত্ৰা আৰম্ভ কৰিলে। কোনোবাই সাধুৰ, কোনোবাই ভিক্ষুকৰ বেশ সাজি যাত্ৰা কৰিলে। স্বয়ং মালুশ্বাহে বৈৰাগী সাজেৰে ওলাল।

শৌকিয়ানী পালেগৈ তেওঁলোক। ৰাজুলাই গোপনে খবৰ পাই আগুৱাই আহিল। এক পাহাৰী অঞ্চলত তেওঁলোকৰ মিলন হ'ল। শোনপতিয়েও অনুচৰৰ দ্বাৰা মালুশ্বাহৰ আগমনৰ সংবাদ পাইছিল। শোনপতি এইবাৰ ক্ৰোধত অন্ধ হ'ল। তেওঁৰ কন্যা তিব্বতৰ ৰাণী হ'লে তেওঁৰ যথেষ্ট লাভ। মালুশ্বাহও ৰজা। কিন্তু তিব্বতৰ ৰজাৰ দৰে ঐতিহ্যপূৰ্ণ আৰু সম্পদপূৰ্ণ নহয়। শোনপতিয়ে পৰামৰ্শদাতাসকলৰ লগত ষড়যন্ত্ৰ কৰি মালুশ্বাহ যি জন-পদত আশ্ৰয় লৈছিল তাৰ এজন গাঁওবাসীক অৰ্থেৰে বশীভূত কৰিলে। সেই গাঁওবাসীজনে মালুশ্বাহৰ আহাৰত বিহ মিলাবলৈ সমৰ্থ হ'ল।

অলৌকিক ক্ষমতাৰ বলত মালুশ্বাহৰ গুৰুৱে জানিব পাৰিছিল এই বিপদৰ কথা। মোমায়েক মিৰতুক লৈ তেওঁ বিশ্ৰাম কুঞ্জলৈ গ'ল। মিৰতুৱে জানিছিল বিষক্ৰিয়া কেনেকৈ দূৰ কৰিব পাৰি। লতা-পাত আদিৰ সহায়ত তেওঁ মালুশ্বাহক আৰোগ্য কৰিলে।

সুস্থ হৈ মালুশ্বাহে ভিন্ন মূৰ্ত্তি ধাৰণ কৰিলে। তেওঁ সঙ্গীসকলক লৈ শোনপতিৰ প্ৰাসাদ আক্ৰমণ কৰিলে। শোনপতিৰ অপদাৰ্থ অনুচৰসকলে বাণিজ্য জানিলেও অস্ত্ৰ ধৰিব নাজানিছিল। তেওঁলোক পলাই সাৰিল। সমৰত শোনপতিও হাৰিল। ৰাজুলাৰ অনুৰোধত শোনপতিৰ প্ৰাণ ৰক্ষা পৰিল। ইয়াৰ পাচতেই ৰাজুলাক লৈ স্থানীয়সকলৰ শুভেচ্ছা গ্ৰহণ কৰি মালুশ্বাহ সগৌৰৱে ঘূৰি আহিল বৈৰাটলৈ।

( বঙ্গৰ সাপ্তাহিক 'পৰিবৰ্ত্তন'ৰ সৌজন্যত )

# 'Dying Is An Art'—Sylvia Plath

# অসমত বিজ্ঞানৰ কেনেকৈ উন্নতি কৰিব পাৰি

শ্ৰীমানস বৰতামুলী
প্ৰাক্ স্নাতক, প্ৰথম বাৰ্ষিক ( বিজ্ঞান )

ভাৰতবৰ্ষৰ অন্য ৰাজ্যসমূহৰ তুলনাত অসম ৰাজ্যখন বিজ্ঞানৰ ক্ষেত্ৰত যে অধিক পিচপৰা সেই কথাত নিশ্চয় সন্দেহৰ অৱকাশ নাই। অথচ আজি এই কুৰি শতিকাৰ বিজ্ঞানৰ চৰম উন্নতিৰ যুগত বিজ্ঞানৰ ক্ষেত্ৰত পিচপৰা বুলি কলে লাজ লগাৰেই কথা। অৱশ্যে অসমৰ দৰে এখন ৰাজ্যত এই বিষয়ত বহুতো অসুবিধাও নথকা নহয়। সেই কাৰণেই বিজ্ঞানৰ উন্নতিৰ পথত থকা অন্তৰায়-সমূহক আঁতৰ কৰিবলৈ ৰাজ্যখনৰ তথা দেশখনৰ সকলোৰে সংঘবদ্ধভাৱে প্ৰচেষ্টা চলোৱাৰ অতি প্ৰয়োজন হৈ পৰিছে। অসমত বিজ্ঞানৰ উন্নতি সাধিবলৈ হলে প্ৰথমেই ইয়াৰ উন্নতিৰ সমস্যাবোৰ বিচাৰি উলিয়াব লাগিব। কিন্তু অকল সমস্যাবোৰক বিচাৰি উলিয়ালেই নহব, সেইবোৰক সুন্দৰভাৱে সমাধান কৰাৰ পথও নিৰ্ব্বাচন কৰিব লাগিব। তলত ইয়াৰ কিছুমান সমস্যা দাঙি ধৰা হল আৰু এই সমস্যাবোৰক কেনেকৈ সমাধান কৰিব পাৰি তাকো উল্লেখ কৰা হ'ল।

প্ৰথম সমস্যাৰ ভিতৰত আমি উল্লেখ কৰিব পাৰো যে অসমত এতিয়ালৈকে বিজ্ঞান বিষয়টো যিমান জনপ্ৰিয় হব লাগিছিল, সিমান জনপ্ৰিয় হৈ উঠা নাই। গতিকেই এই বিজ্ঞান বিষয়টো অসমৰ চুকে-কোণে আৰু অধিক জনপ্ৰিয় কৰি তোলাটোৱেই প্ৰথম কৰ্ত্তব্য হব।

এই বিষয়টো জনপ্ৰিয় কৰি তুলিবলৈ হলে প্ৰথমেই অসমীয়া ভাষাত বিজ্ঞান সম্পৰ্কীয় আলোচনী, বাতৰি কাকত আদিৰ প্ৰচলন আৰু বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধ আদিৰ প্ৰকাশ কৰাৰ প্ৰয়োজন। কিন্তু দেখা গৈছে যে আমাৰ অসমখনত তেনেধৰণৰ আলোচনী বা প্ৰকাশন আদিৰ ক্ষেত্ৰত বহু পিচপৰা। দুই এখন আলোচনী ওলাইছে যদিও সি সকলো চাহিদা পূৰণ কৰিব পৰা নাই। বিজ্ঞানৰ উন্নতিত আলোচনী, প্ৰবন্ধৰ পুথি, বাতৰি কাকত আদিৰ বৰঙণি যথেষ্ট, গতিকে এইবোৰৰ বৃদ্ধিও যিমান পৰা যায় সিমান বৃদ্ধি কৰাটো নিতান্ত প্ৰয়োজন।

অসমৰ স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়বিলাকত মৌলিক গৱেষণাৰ সুস্থ বৌদ্ধিক বাতাবৰণ গঢ়ি তুলিব লাগিব। যিহেতু তেনে বৌদ্ধিক বাতাবৰণৰ অভাৱ তথা মৌলিক গৱেষণাগাৰৰ সা-সুবিধা যথেষ্ট নোহোৱা হেতুকে বহু ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান সম্পৰ্কীয় জ্ঞান আহৰণৰ ক্ষেত্ৰত অসুবিধা অনুভৱ কৰে।

বিজ্ঞানৰ উন্নতি সাধনৰ ক্ষেত্ৰত বিজ্ঞানৰ নানা বিষয়ৰ ওপৰত পতা প্ৰতিযোগিতাই যথেষ্ট অৰিহণা যোগায়। কিন্তু অসমত এনে ধৰণৰ প্ৰতিযোগিতা যথেষ্ট সংখ্যক আয়োজন কৰা নহয়। এনে প্ৰতিযোগিতা কেতিয়াবা পাতিলেও সেইবোৰ যথা নিয়মে সংগঠিত নহয়। সেই বাবে অসমত বিজ্ঞানৰ উন্নতি সাধিবলৈ হলে স্কুল, কলেজ আৰু নৱগঠিত বিজ্ঞান সমিতিবোৰে বেলেগ বেলেগ স্তৰৰ বিজ্ঞান বিষয়ৰ

আলোচনা চক্ৰ, বক্তৃতা প্ৰতিযোগিতা, বিজ্ঞান-মেধা-অনুসন্ধান প্ৰতিযোগিতা আদি সঘনে আয়োজন কৰাৰ প্ৰয়োজন। তাৰোপৰি অসমৰ সকলো স্কুল-কলেজতে বিজ্ঞান বিষয়ৰ পুথিভঁৰাল, গৱেষণাগাৰ, তথা উচ্চথাপৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অধ্যয়নৰ বাবে অনুষ্ঠান ( Institution of advanced studies in Science and Technology ) আদি স্থাপন কৰিব লাগিব। আমাৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকল তথা শিশু-বিজ্ঞানী-সকলৰ নিজৰ অভিৰুচি অনুযায়ী গৱেষণাগাৰ আৰু পুথিভঁৰাল স্থাপন কৰিব লাগিব। তাৰোপৰি নানা বৈজ্ঞানিক তথ্যসম্বলিত বিজ্ঞান সংগ্ৰহালয় ( Museum ) আদিও স্থাপন কৰিব লাগিব।

অসমত বিজ্ঞানৰ উন্নতিৰ আন এটা বাধা হিচাপে ভাষাৰ কথাও উল্লেখ কৰিব পাৰি। অসমত আলোচনী বা বাতৰি কাকতসমূহত বিজ্ঞান সম্পৰ্কীয় যি দুই এটা প্ৰবন্ধ প্ৰকাশিত হৈছে সেইবিলাকত বিজ্ঞানৰ যুক্তিনিষ্ঠ ভাষাৰ ঠাইত বেছিভাগ ক্ষেত্ৰতেই অনুপযুক্ত শব্দ প্ৰয়োগহে কৰা দেখা যায়। গতিকে অসমীয়া ভাষাত বৈজ্ঞানিক প্ৰবন্ধ পাতি লিখাৰ উপযোগী কৰি তুলিবলৈ হলে শব্দ গাঁথনি, তথা বৈজ্ঞানিক পৰিভাষাৰ প্ৰকাশ, প্ৰয়োগ আৰু বহুল প্ৰচাৰৰ প্ৰয়োজন। এইক্ষেত্ৰত ৰাজ্যখনৰ বিশ্ববিদ্যালয়, মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ, টেকনিকেল কলেজ আৰু আন আন বিজ্ঞান কলেজৰ শিক্ষক আৰু ছাত্ৰসকলে উপযুক্ত অৰিহণা যোগাব পাৰে।

অসমত প্ৰতিষ্ঠিত হোৱা অসম বিজ্ঞান সমিতি (Assam Science Society), ছাত্ৰ বিজ্ঞান সমিতি (Students Society) আদি অনুষ্ঠানৰ দ্বাৰা আয়োজিত আলোচনা চক্ৰৰ মূল আলোচ্য কথাখিনি আৰু সেইবোৰৰ পৰামৰ্শ তথা সিদ্ধান্তসমূহ নিয়মিতভাৱে আলোচনী, বাতৰি কাকত আদিত প্ৰকাশ কৰাৰ প্ৰয়োজন। এনে ব্যৱস্থা কৰিলে বিজ্ঞান বিষয়ত আগ্ৰহী লোকসকল উপকৃত হ'ব আৰু তেওঁলোকে তেওঁলোকৰ মত-অভিমতসমূহো দাঙি ধৰিবলৈ সক্ষম হ'ব। আৰু তেনে কৰাৰ ফলত যিসকল লোকে বিজ্ঞানৰ পোহৰ পোৱা নাই বা বিজ্ঞান কি তাক বুজা নাই বা বিজ্ঞান বিষয়ত আগ্ৰহী নহয় তেনে লোকেও বিজ্ঞানৰ কিছু আভাষ পাব আৰু ইয়াৰ প্ৰতি আকৰ্ষিত হ'ব। এই সকলোবোৰ কাৰ্য্যব্যৱস্থা লৈও আমি এটা কথাত সতৰ্ক হব লাগিব যে অসম বিজ্ঞান সমিতি, ছাত্ৰ বিজ্ঞান সমিতি বা আন আন বিজ্ঞান সমিতিৰ অনুষ্ঠান-সমূহ যাতে মেলামুখী কৰি গঢ়ি নুতুলে তালৈ লক্ষ্য কৰিব লাগিব। কাৰণ বিজ্ঞানৰ গৱেষণা নিৰবচ্ছিন্ন প্ৰক্ৰিয়াৰেহে সম্ভৱ হয় আৰু এনে এক নিৰন্তৰ প্ৰক্ৰিয়াৰ যোগেদিহে বিজ্ঞান আৰু সমাজৰ আন্তঃক্ৰিয়া সংঘটিত হৈ ইটোৱে সিটোক বিকশিত কৰিবলৈ সক্ষম হয়।

অসম বিজ্ঞান সমিতি বা ছাত্ৰ বিজ্ঞান সমিতি আদিৰ দ্বাৰা প্ৰকাশিত বিজ্ঞান সম্পৰ্কীয় আলোচনীবোৰত অনূদিত প্ৰবন্ধবোৰত উচ্চ মানদণ্ডৰ ভাষাশৈলী, বাক্য গাঁথনি আৰু পৰিভাষাৰ অভাৱ প্ৰায়ে অনুভৱ কৰা হয়। অৱশ্যে অনুবাদিত বা স্ব-ৰচিত প্ৰবন্ধকাৰকসকলৰ প্ৰচেষ্টা প্ৰশংসনীয়। বৰ্ত্তমান অসমত থকা উভয় বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা অসমীয়া ভাষাৰ বৈজ্ঞানিক পৰিভাষা আৰু অসমীয়া আখৰ জোটনি আদি গ্ৰন্থসমূহৰ সহায়ত প্ৰবন্ধ আদি লেখিলে সৰ্ব্বসাধাৰণ ৰাইজৰ বোধগম্য হ'ব।

অসমত বিজ্ঞান শিক্ষাক উন্নতিৰ পথলৈ আগুৱাই নিবলৈ হলে উপৰোক্ত আঁচনিসমূহ সম্পাদন কৰিব লাগিব। অৱশ্যে এই আঁচনিসমূহ কাৰ্য্যত পৰিণত কৰিবলৈ আৱশ্যক হ'ব এক বৃহৎ পুঁজিৰ। চৰকাৰে পুঁজি আগবঢ়োৱাৰ ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব। পাশ্চাত্য দেশসমূহৰ বিজ্ঞানৰ অগ্ৰগতিৰ মূল কাৰণ হ'ল চৰকাৰৰ অধিক অৰ্থ প্ৰয়োগ নীতি। আশাকৰো আমাৰ জনপ্ৰিয় চৰকাৰে অসমত বিজ্ঞানৰ অগ্ৰগতিৰ বাবে সাৰ্থক প্ৰচেষ্টাৰ অকণো ত্ৰুটি নকৰিব। পৰিশেষত আমি দোঁহাৰিব খুজো যে এখন আত্মনিৰ্ভৰশীল আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ সমাজ গঢ়ি তুলিবলৈ হলে বিজ্ঞানক যি পৰ্য্যন্ত জনসাধাৰণৰ কামৰ আহিলা কৰি লোৱা নেযায় সেই সময়লৈকে বিজ্ঞান জন সমাজৰ পৰা পৃথক হৈ থাকিব।

# ক
# বি
# তা
# ল হ ৰ

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

সুন্দৰৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰ মাতে
সেয়েহে ইমান ফুল
প্ৰভাতে প্ৰভাতে।

"জ্যোতিপ্ৰসাদ"

# 'কিউবিজিম' বুজিলা ?

**জিতেন্দ্ৰ শৰ্মাকাকতি**
প্ৰাক্ স্নাতক, প্ৰথম বাৰ্ষিক ( বিজ্ঞান )

কথাবিলাক বৰ খেলিমেলি—
কোনেও নুবুজে
মই জানো
তোমালোকেও নুবুজা
অৱশ্যে
বুজিবও নোৱাৰা
ঠিক যেন
তোমালোক কোনেও বুজি নোপোৱা
পিকাচোৰে আঁকি থোৱা
এখন তেজৰঙা মৌন 'কিউবিজিম' ।
আচলতে
সেইবিলাক মইয়ো নুবুজো
তথাপিও
নিৰ্মম প্ৰহৰৰ কোবত
সাৰ পাই
ক্ষত বিক্ষত দেহাটো তুলি
দুৱাৰ দলিলৈ চাই
সোধোঁ
অসময়ত সেইয়া বাৰু কোন ?
মই জানো
বোৱাৰী পুৱাতে
বৰদৈচিলাজনী
সাজি কাচি ওলাবহি
আৰু মই
ওঁঠত ওঁঠ থৈ
পুৰঠ বাহু দুটা
আলফুলে সাৱটি
দুটি প্ৰাণ এটি কৰি
সুধিম
বৰদৈচিলা
'তুমি আহিলা'
'মহা সমুদ্ৰ নিশ্চয় দেখিলা'
আৰু এতিয়া
ক্ষন্তেক ৰৈ
বুজাই দিয়া আমাক
তুমি ভালপোৱা
এই 'কিউবিজিম' ।

## দুটি স্তৱক

( ১ )

এনাটমীৰ কিতাপত
মুৰ থৈ
মই টোপনি যাওঁ ;
সাৰ পাই দেখোঁ
তোমাৰ ওঁঠত
এখন ডাঠ ধূলিৰ চামনি

( ২ )

আকাশখন প্ৰথমে মোক
তুমিয়েই দেখুৱালা,
মই পিচে
একো ধুনীয়া নেদেখিলো ;
এতিয়াহে বুজিছো
মই কিয় অদৃষ্টবাদী নহলো ।

# অপৰাজেয় মই অসম

প্ৰশান্ত কুমাৰ বৰুৱা
স্নাতক, ১ম বাৰ্ষিক ( বিজ্ঞান )

আদ্যাক্ষৰ 'অ'
অঋণী অংশুমান
অতীত আমাৰ অসম
আৰু আজি ?   আমি অগতি
অন্ধকাৰ অমানিশাত আবদ্ধ।
অগণন অ-স্বদেশীৰ অধিকাৰ আই অসমত
আসুৰিক অত্যাচাৰত অতীষ্ঠ।   আৰু…
আৰক্ষী বাহিনীৰ অমানুষিক অপকৰ্ম।
অকলঙ্ক, অক্লিষ্ট, অক্লান্ত
অবলাও আজি অকাৰণে অকাজভাগী, অঘৰী।
আহাঁ—
আমাৰ আন্দোলনত আগবাঢ়োঁ
আলস্য আঁতৰাই অবিৰতে
আকুল আহ্বান
আই অসমীৰ
অপৰাজেয় আই অসম।

---

# কেৰোণে ধৰা কবিৰ মহৌষধ

**প্ৰশান্ত বৰুৱা**
প্ৰথম বাৰ্ষিক, স্নাতক ( বিজ্ঞান )

মোৰ বুকুত বেগেৰে বৈছে
প্ৰেমৰ এখনি নৈ
Physics, Chemistry আৰু Mathematics
প্ৰেমত মিলিছে গৈ
Biology নামেৰে আৰু এটা অংশ ;
তাৰ আকৌ দুটা ভাগ
এইটো আকৌ কেনেকুৱা প্ৰেমিক
নেপাওঁ গুৰি আগ।
Zoology আৰু Botany নামেৰে
ইহঁত জনাজাত
Zoology প্ৰেমিকক কোনোৱে বোলে
ইহঁত জীৱ প্ৰেমী
কোনোৱে আকৌ মন্তব্য দিয়ে
ইহঁত মহা 'চেনি'।
Botanyক আকৌ ভালপালে
বোলে প্ৰকৃতি প্ৰেমী
জড়ৰ লগত আকৌ কিহৰ প্ৰেম
নেপাওঁ ভাবি গুণি।
Pre-degreeক বোলে 'প্ৰেম ডিগ্ৰী'
'ফাৰ্ষ্ট ইয়েৰ'ত বেছি চৰা
'চেকেণ্ড ইয়েৰ'ত বোজা পৰিব মূৰত
এতিয়াই যি পাৰা কৰা।
বেছিভাগৰে সস্তীয়া প্ৰেম
বেছিদিন নিটিকে
মালদাৰৰ ওপৰত চকু পৰিলেই
প্ৰেমৰ স্থানান্তৰ ঘটে।

---

# উজাগৰী ৰাতিৰ ছন্দ

শ্ৰীৰবীন ৰয়
দ্বিতীয় বাৰ্ষিক, স্নাতক ( কলা )

বন্ধু,
বুকুত হাত নথবা ;
থলেই হোহোৰাই উজাই বব
উজাগৰী ৰাতিৰ হাহাকাৰ !
তাতোকৈ
প্ৰেয়সীৰ ঈষৎ ৰক্তাভ চকুৰ অন্ধকাৰ উষ্ণতাত
মুখ গুজি
শুহি লোৱা বহাগৰ নতুন প্ৰত্যয়,
এপথাৰ বসন্তত ডুব যোৱা
সেউজীয়া সপোনৰ উম।
মই মাটিত কাণপাতি শুনো
উজাগৰী চাওতালী গাভৰুৰ/নিগূঢ় আমন্ত্ৰণ
ঘাম আৰু শৰীৰী ঘ্ৰাণেৰে গধুৰ
নতুন জন্মৰ।

---

# তেজস্ক্ৰিয়তাৰ ইতিহাস

শ্ৰীৰাণু বৰুৱা
প্ৰাক-স্নাতক, দ্বিতীয় বাৰ্ষিক

( ছেমুৱেল কোহেনৰ প্ৰতি )

হে, আণবিক বিজ্ঞানীবৃন্দ !
তোমালোকে বিশ্বৰ পূৰ্ব প্ৰান্তলৈ চোৱাৰ প্ৰয়োজন আছে ;
ভয়াবহতাৰ এক দীঘল ইতিহাস
তোমালোকে চাব লাগিব, পঢ়িব লাগিব
সেই ইতিহাস অতীত হৈ যোৱা নাই—
জাপানৰ হিৰোচিমা মহানগৰীৰ
প্ৰান্তৰ সেই বস্তিখন,
য'ত এতিয়াও '৪৫ চন জীয়াই আছে !
তাৰ মাটিৰ প্ৰতিটো ক্ষুদ্ৰ কণাই
এতিয়াও এক দীঘল ইতিহাস কব বিচাৰে,
কিন্তু তেজস্ক্ৰিয়তাৰ প্ৰচণ্ড আঘাতত
সিহঁত মূক হৈ যায়।

মানৱতাৰ দোহাই দিয়া বিজ্ঞানৰ
চৰম নগ্নতাৰ বলি—
'ইয়ামি'
বস্তিনিবাসী এক জাপানী যুৱতী।
তাইৰ লিউকেমিয়াৰ বিষাক্ত তেজে লিখি যোৱা
আধুনিক বৰ্বৰতাৰ ইতিহাস
তোমালোকে পঢ়াৰ প্ৰয়োজন আছে,
সেই ইতিহাসৰ নায়ক যে তোমালোকেই—
সেয়ে সাৱধান হোৱা
তোমালোকৰ বুকুলৈকো সোঁচৰিব
তেজস্ক্ৰিয়তাৰ বলি হোৱা অসংখ্য 'ইয়ামি'ৰ
ক্ৰুদ্ধ অন্ধ মৌনতা।

* * *

[ বিঃ দ্ৰঃ নিউট্ৰন বোমাৰ আৱিষ্কৰ্তা আমেৰিকাৰ পদাৰ্থ বিজ্ঞানী ছেমুৱেল কোহেনে অলপতে এটা সাক্ষাৎকাৰত নিউট্ৰন বোমা ইত্যাদিৰ ব্যৱহাৰক নীতি-বহিৰ্ভূত কাৰ্য্য নহয় বুলি মন্তব্য প্ৰকাশ কৰাত বিশ্বত আণবিক বিজ্ঞানীসকলৰ প্ৰতি শান্তিকামী জনসাধাৰণে বিদ্ৰোহ কৰিবৰ হ'ল ]

# সংঘাতৰ শেষত


মহেন্দ্ৰ বৰা
১ম বাৰ্ষিক, স্নাতক ( কলা )

ইপিঠি সিপিঠি দগ্ধ দিনৰ কঠিনতা,
পাত লুটিয়ালেই
ধুমুহাত খহি পৰা ঘৰৰ নিৰ্মম শূন্যতা ;
প্ৰতি চপৰা ইটাৰ বুকুত
আমাৰ ঘৰ্মাক্ত নিশ্বাস ।
কুটিল কপটে পূৰি ছাই কৰে
বুকুৰ সোণালী ধাননি ।
তথাপি—
আমি আকৌ নাঙল ফলাওঁ,
ছাইৰ মাজত আশাৰ কঠিয়া
পুনৰ সিচোঁ ।

# বিন্দু

শ্ৰীধৰ্মেশ্বৰী ফুকন
১ম বাৰ্ষিক ( কলা )

বিন্দুৰ আছে স্থিতি, নাই তাৰ পৰিধি
ৰেখাডালৰ দীৰ্ঘতাও অসীম ;
জীৱনৰ অভিনয়ো হয় বাৰে বাৰে ।
আমাৰ হৃদয়ত ক্ৰছৰ
করুণ বিন্দু ।
যোগ আৰু বিয়োগৰ মাজত আজীৱন সংগ্ৰাম চলে
অবিৰাম ।
স্থিতিৰ দিগবলয়ত
কোন নতুন কুহকিনীয়ে আহি কৰেহি সূচনা
সূৰ্যোদয়ৰ নতুন ৰেঙনি ?
বিন্দু আৰু ৰেখা ঃ জন্ম আৰু মৃত্যু ;
মোৰ স্থিতিৰ শূন্যতাত
মোৰ মৃত্যুৰ চিৰবাঞ্ছিত লাৱণ্য ।
প্ৰৱেশ আৰু প্ৰস্থানেৰে
উজলে ক্ৰছৰ বিন্দু
মোৰ দুখৰ মাংস পেশীত ।



DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

শ্ৰীদেৱজ্যোতি হাজৰিকা
২য় বাৰ্ষিক প্ৰাক্-স্নাতক, ( বিজ্ঞান )

অৱশেষত মই যি সন্দেহ কৰিছিলোঁ, সেয়েই হ'ল। অৰ্থাৎ জনসংযোগৰক্ষী বিভাগৰ চাকৰিয়াল হিচাপে মোলৈ ওপৰৱালাৰ পৰা নিৰ্দেশ আহিল যে ডিব্ৰুগড়ত চৰকাৰে মহা পয়োভৰেৰে উদ্‌যাপন কৰিবলৈ লোৱা 'বিকলাংগ-বৰ্ষ সপ্তাহ'ত শাৰীৰিকভাৱে অক্ষম লোকক সম্বৰ্ধনা জ্ঞাপন কৰা কাৰ্যসূচীৰ বাবে কেইজনমান বিকলাংগ লোকক মই ডিব্ৰুগড় জিলাৰ কঠালগুড়ি গাঁৱলৈ গৈ নিমন্ত্ৰণ কৰি আহিব লাগে। মাথোন মোকেই নহয়, মোৰ সমপৰ্য্যায়ৰ কেইবাজনো লোকক এই দায়িত্ব দিয়া হ'ল আৰু বিভিন্ন জনলৈ বিভিন্ন ভিতৰুৱা ঠাইলৈ গৈ মানুহ বিচাৰি উলিয়াবৰ বাবে নিৰ্দেশ আহিল। এনেবোৰ ঘূৰিব লগা কামৰ পৰা সদায় ফালৰি কাটিবলৈ চেষ্টা কৰি থকা স্বত্বেও যেতিয়া মোলৈ কঠালগুৰিৰ দৰে এখন ঠাইলৈ যোৱাৰ এনে নিৰ্দেশ আহিল, সঁচাই চাকৰিটোৰ ওপৰতে বিৰক্তি উপজিল। এই হেন ৰ'দত অফিচত বহি থকা আৰামৰ মোহ এৰি ঘূৰি ফুৰিব লাগিব কঠালগুৰিত—তাকো বিকলাংগ মানুহ বিচাৰি। ছেঃ, কিবা এটা উপায়েৰে এইটো বিপদৰ পৰা বাচিব নোৱাৰিনে !···ওহো, একো উপায়েই নাই। অৱশেষে কিবা এটা অজুহাত দেখুৱাই কেইদিনমান ছুটী লৈ ঘৰত সোমাই থাকিব পাৰি। কিন্তু এনেহেন কামৰ দিনত অতি প্ৰয়োজন নহ'লে ছুটী দিয়াৰো আশা নাই। অথচ 'Father serious' বুলি কৈ ছুটী লবলৈও মোৰ মা-দেউত উভয়েইযে দুবছৰ আগতেই স্বৰ্গগামী হ'ল।

বহুকথা চিন্তা কৰি অৱশেষত ওপৰৱালাৰ নিৰ্দেশৰ ওচৰত সেও মনাই ভাল হ'ব বুলি সিদ্ধান্ত ললো আৰু কঠালগুৰি অভিযানৰ বাবে এটা নিৰ্দ্দিষ্ট দিনলৈ অপেক্ষা কৰি ৰ'লো।

মই থকা চহৰখনৰ পৰা কঠালগুৰিলৈ মাত্ৰ এখন

পাৱিক বাছেই চলে। অৱশেষে বাছখন কঠালগুৰিৰ পৰা আৰু দহ মাইলমান আগলৈকে যায়। ৰাতিপুৱা ই গৈ সেইখন সন্ধিয়াহে চহৰ পায়হি। অৱশেষে সদায়ে যে ঘূৰি আহিব তাৰো কোনো নিশ্চয়তা নাই। বাছৰ যাত্ৰীসকলৰ ভাগ্যৰ ওপৰতহে সেইকথা নিৰ্ভৰ কৰে। বাছখনৰ যিটোহে অৱস্থা, যাত্ৰীবোৰে বাছখনত উঠি থকা সময়খিনিৰ সৰহখিনি সময় ঈশ্বৰৰ নাম লৈ থাকোতেই যায়। সেইখন বাছতে উঠি মোৰ অভিযান সফল কৰিবলৈ অগ্ৰসৰ হলোঁ। অৱশেষে বাছখনত বহিবলৈ ছিট এটা যে পাম সেইটো আশা ঘৰৰ পৰা ওলাই আহোতেই চেঁচা পানী ঢালি আহিছিলো। আমাৰ দৰে চাকৰিয়াল এজনক কোনেনো সন্মান (!) জনাই বহিবলৈ ছিট এটা উলিয়াই দিব! যি কি নহওক, কোনোমতে কঠালগুৰি পালেই হয় ভাবেৰে বাছখনত নিজকে চন্তালি যাবলৈ চেষ্টা কৰিলো। কিন্তু মানুহৰ ঠেলা-হেঁচা আৰু ভীৰৰ প্ৰকোপত মই এনেদৰে ঘামিবলৈ ধৰিলো যেন বাছখন ৰখাই খোজ কাঢ়িয়েই কঠালগুৰি পামগৈ এনে লাগিল। ৰুমালখন উলিয়াবলৈ কোনোমতে হাতখন পকেটত সুমুৱাই দেখোঁ যে ৰুমালখনো নাই। মনটো খং, হতাশা ইত্যাদি বহু মিশ্ৰিত ভাবেৰে ভৰি পৰিল। কিন্তু তেনেতে বাছখন ৰ'ল আৰু হেণ্ডিমেনটোৱে চিঞৰিবলৈ ধৰিলে—"কঠালগুৰিৰ ৰাইজ নামক।" তৎক্ষণাৎ মই বাছৰ পৰা নামি পৰিলো। উস্ৰাম, এতিয়াহে ৰক্ষা! ইমান পৰে বাছৰ ভিতৰৰ পৰা মানুহৰ ভীৰত বাহিৰৰ জগতখন দেখাই নাছিলো। মুকলি ঠাই এডোখৰলৈ গৈ অলপ ঠাণ্ডা বতাহ বলি থকা ঠাই এটুকুৰাত বহি লৈ ভৱিষ্যত কাৰ্য্যপন্থাৰ বিষয়ে ভাবিবলৈ ধৰিলো। তেতিয়াহে মোৰ ঘড়ীটোলৈ মনত পৰিল। ঘড়ীটোলৈ চাই দেখো যে দহ বাজি পোন্ধৰ মিনিট গৈছে।

যি কি নহওক, যিমান সোনকালে কাম শেষ কৰিব পাৰি সিমানেই মঙ্গল, এই কথা ভাবিয়েই কঠালগুৰি গাঁৱৰ গাঁওবুঢ়াৰ ঘৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। গাঁওবুঢ়াজন মোৰ চিনাকি। আগতে এবাৰ বিশেষ কামত আহোঁতে তেখেতৰ ঘৰতে আছিলোঁহি। গাঁৱৰ মানুহবোৰে মোক আচৰিত বস্তু চোৱাদি চাবলৈ লাগিল; সম্ভৱ ঘামি-জামি মোৰ যিটো অৱস্থা হৈছিল, তাকে দেখি তেওঁলোকে চাগৈ ভাবিছিল চহৰৰ মানুহনো ইমান জধলানে!

গাঁওবুঢ়াইতো মোক দেখিয়েই চিঞৰি উঠিল—"ঐ গোসাঁই! সেয়া বৰুৱা বোপাই নহয়নে? আজিনো তোমাক এনে সময়ত দেখিম বুলি কোনে ভাবিছিল! আহা আহা, ভিতৰলৈকে আহা। চহৰৰ মানুহ আহিছা আমাৰ ঘৰলৈ! আমাৰেই কপালখন কিবা ভাল বুলি ক'ব লাগিব।"

গাঁওবুঢ়াৰ ঘৰত সোমোৱাৰ পিছত যেতিয়া বাঁহৰ চকী এখনত বহিলো তেতিয়াহে সম্ভৱ গাঁওবুঢ়াই মোৰ শুকান মুখখন লক্ষ্য কৰিলে। তেওঁ পুনৰ চিঞৰি উঠিল—"ইস্ ৰাম! বৰ কষ্ট পালা বোধহয়! বাছখনত বৰ ভীৰ হয় নহয় বোপাই! ব'লা ভিতৰতে মুখ-হাত ধুই আহিবাগৈ।"

মুখ-হাত ধোৱাৰ পিছতহে মই কথা ক'বলৈ মুখ মেলিলো—"মই পিছে বৰ ডাঙৰ কাম এটাতহে আহিলোঁ। সোনকালে কামফেৰা কৰি আকৌ মই এইখন বাছতে উভতিব লাগিব। গতিকে আজি আপোনাৰ সহায়ৰ বৰ প্ৰয়োজন।"

মোৰ কথা শেষ হ'বলৈ নাপাওঁতেই গাঁওবুঢ়াৰ সৰু ছোৱালী জেউতিয়ে বাটি এটাত চিৰা-দৈ আদি আনি মোৰ হাততে দিলেহি। তেতিয়াহে মোৰ ভোকলৈ মনত পৰিল।

"তুমি খোৱাচোন বাৰু। কামৰ কথা পিছতো পাতিম।" এইবুলি কৈ গাঁওবুঢ়া ভিতৰ সোমাল।

মোৰ মনত তেতিয়া এটাই চিন্তা। যি কোনো উপায়েৰে তিনি বজাৰ আগেয়ে কাম শেষ কৰিবই লাগিব। কাৰণ বাছখন তিনিবজাত ঘূৰি আহি কঠালগুৰি পায়হি। সেয়েহে গাঁওবুঢ়া ভিতৰৰ পৰা ওলাই অহাৰ লগে লগে মই অলপ জোৰ দিয়েই ক'লো—'এতিয়া খোৱা-বোৱা হ'ল যেতিয়া কামৰ কথা পাতো।'

গাঁওবুঢ়াই সুধিলে—"বাৰু কোৱাচোন, কি সকামতনো আহিলা? আমি গাঁওৰ মানুহে তোমালোকক সহায় কৰিবলৈ

সদায় সাজু। পিছে আমাৰ গাঁওতনো আমি এনে কি কাম ওলাল ?"

মই তামোল এখন মুখত ভৰাই লৈ গাঁওবুঢ়াক মোৰ উদ্দেশ্যৰ কথা ভালকৈ বুজাই ক'লো। ইয়াকো ক'লো যে যি কেইজন বিকলাংগ মানুহক সম্বৰ্ধনাৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব তেওঁলোকক চৰকাৰী গাড়ীৰে অনা-নিয়া কৰা হ'ব। গতিকে একো অসুবিধা নাপায়।

গাঁওবুঢ়াই হাঁহি এটা মাৰি ক'লে—"বৰ ভাল কথা বোপাই। আমাৰ গাঁওখনলৈ থকা তোমাৰ মৰমৰ কথা মই সকলোকে ক'ম। আমাৰ গাঁৱত পিছে তেনে বিকলাংগ মানুহ কেইজনমানহে আছে। আটাইকেইজনেই বৃদ্ধ। ব'লা তেন্তে কাম আৰম্ভ কৰা যাওক। তেওঁলোকক বিচাৰি উলিয়াওঁতে সময় লাগিব।"

মই তৎক্ষণাৎ গাঁওবুঢ়াৰ লগত ওলালো আৰু বিকলাংগ মানুহ বিচাৰি যাত্ৰা আৰম্ভ কৰিলো। অৱশেষত যতীন মাষ্টৰ, ৰূপাই কুমাৰ, কলাই মাউত আৰু দৰ্জী কাম কৰি খাই থকা মানুহ এজনক লগ ধৰি তেওঁলোকক সকলো কথা বুজাই ক'লো। তোকলোকক চৰকাৰে মাহেকীয়া পেন্সন দিয়াৰ ব্যৱস্থাও কৰিছে ইত্যাদি কথাবোৰ বুজাই বঢ়াই লোৱাৰ পিছত যেতিয়া ঘড়ীটোলৈ চালো বুকুখন চিৰিংকৈ গ'ল। দুই বাজি গ'লেই। আনহাতে বাছখন তিনিবজাত আহি পাবই। বাছ অহা ঠাইলৈকো বহুত দূৰ যাব লাগিব। গতিকে গাঁওবুঢ়াক কথাটো কোৱাৰ পিছতে মানুহকেইজনক মাত লগাই বাছ অহা ঠাইলৈ খোজ চলালো। কিন্তু গাঁওবুঢ়াৰ খোজৰ মন্থৰ গতি দেখি মোৰ বাছ পোৱা যে নহ'বগৈ খাটাং হৈ পৰিলো। গতিকে মই ক'লো—"আপুনি মোৰ লগত আহি বৰ কষ্ট কৰিলে। আপুনি এতিয়া মোক বাছলৈ আগবঢ়াই থবলৈ যাব নালাগে। ঘৰতে জিৰণি লওকগৈ।" গাঁওবুঢ়াই সন্তৰ মোৰ কথা শুনি ভালেই পালে। সঁচাকৈয়ে মোৰ লগতে তেওঁৰো ভাগৰ লাগিছিল। সেয়েহে মোৰ কথাত তেওঁ নীৰৱে সন্মতি জনালে।

গাঁওবুঢ়াক ধন্যবাদ জনাই বাছ অভিমুখে খৰকৈ খোজ চলালো। অৱশেষে নিৰ্দ্দিষ্ট সময়খিনিত কামটো সুকলমে সম্পূৰ্ণ হৈ যোৱাত মনটো ভালেই লাগিল। কিন্তু বাছ অহা ঠাইখিনিলৈ আহি বাছৰ বিষয়ে মানুহ এজনক সোধাত যি উত্তৰ দিলে সঁচাকৈয়ে খং উঠিল—"ইং, বাছনো ক'ৰ তিনি বজাত আহে! চাৰি বজাৰ আগতে এইখিনিলৈ বাছ কেতিয়াও আহি নাপায়।"

বহু ভাবি-চিন্তি অৱশেষত খোজ কাঢ়ি বাছ অহা ৰাস্তাটোৰে চহৰ অভিমুখে আগবাঢ়ি গৈ থকাটোকে ঠিৰাং কৰিলোঁ। থিয় হৈ থকাতকৈ গৈ থকাই শ্ৰেয়। বাছখন আহি পালে উঠি লম। কিন্তু গোটেই দিনটো ঘুৰি ফিৰি থকাত ভাগৰে আমনি কৰিবলৈ ধৰিলে। সেয়েহে কঠাল-গুৰিৰ পৰা আধামাইলমান আগবাঢ়ি অহাৰ পিছত বাটৰ কাষতে এখন সৰু দোকান দেখি থমকি ৰ'লো। দোকান-খনত দুখনমান আলোচনী আৰু পুৰণি বাতৰি-কাকতো ওলোমাই থোৱা আছিল। মই বৰ আগ্ৰহেৰে দোকানখনলৈ আগবাঢ়ি গলো। তদুপৰি চিগাৰেট এটাৰো অভাৱ বৰকৈ অনুভৱ কৰিছিলো। দোকানীজন এজন ডেকা ল'ৰা। তেওঁক এখন তামোল আৰু চিগাৰেট এপেকেট দিবলৈ কৈ দোকানখনৰ ভিতৰত কি কি বস্তু আছে চাবলৈ চেষ্টা কৰিলোঁ।

কিন্তু মোৰ দৃষ্টি আবদ্ধ হ'ল দোকানখনৰ এচুকত আওজাই থোৱা পেংযোৰলৈ। তেতিয়াহে মই দোকানীজনক ভালকৈ লক্ষ্য কৰিলোঁ। কিন্তু ল'ৰা জন বহি থকা বাবে হঠাতে ধৰিব নোৱাৰি। মনটো উচ্ পিচাবলৈ ধৰিলে। এওঁ তাৰ মানে বিকলাংগ। গতিকে এওঁকোচোন নিমন্ত্ৰণ কৰিব পাৰি। কিন্তু হঠাতে তেনেকৈ সুধিবলৈ মন ন'গল। তেওঁ দিয়া তামোল আৰু চিগাৰেট লৈ ঘড়ীলৈ চালো। চাৰিটা বাজিবলৈ বিশ মিনিটহে বাকী। কিন্তু বাছৰ চিনচাবেই নাই। ল'ৰাজনৰ পইচাখিনি আগবঢ়াই দি মই অলপ বুদ্ধিৰেই আৰম্ভ কৰিলোঁ—"আপোনাক আগতে ক'ৰবাত দেখা যেন লাগিছে। মানে ক'ত দেখিছিলো সঠিক ক'ব পৰা নাই। কিন্তু কৰবাত দেখা যেন অনুভৱ হৈছে। বাৰু, আপোনাৰ ঘৰ ইয়াতে নেকি ?"

মোৰ প্ৰশ্ন শুনি ল'ৰাজনে মোলৈ এবাৰ চালে আৰু গহীন-ভাৱে ক'লে—"মোক আপুনি বুলি সম্বোধন নকৰিলেও হ'ব। মোৰ ঘৰ ইয়াৰ পৰা এমাইলমান দূৰৈত।" তোমাক তেন্তে এটা কথা সোধোঁ। বেয়া নাপাব। "তোমাৰ ক'ৰবাত কিবা দুৰ্ঘটনা ঘটিছিল নেকি? সেই পেং দুডাল দেখি সুধিলো।"

এইবাৰ ল'ৰাজনে মোলৈ এটা সন্দেহৰ দৃষ্টি নিক্ষেপ কৰি ক'লে—"সেইবোৰ কথা জানি আপোনাৰ একো লাভ নহব।"

মই কিন্তু পুনৰ আৰম্ভ কৰিলো'—"নহয়, তুমি কথাটো বুজা নাই। মই ডিব্ৰুগড়ত চৰকাৰে পাতিবলৈ লোৱা "বিকলাঙ্গ বৰ্ষ সপ্তাহ"ত সম্বৰ্দ্ধনা জনাবৰ বাবে কেইজন-মান বিকলাংগ লোকক আমন্ত্ৰণ কৰিবলৈ আহিছিলো। গতিকে তোমাকো যদি মই অনুৰোধ কৰো তুমি অনুৰোধটো ৰাখিবানে?"

মোৰ কথা শুনাৰ পিছত ল'ৰাজনে মোলৈ যিটো দৃষ্টি নিক্ষেপ কৰিলে, মোৰ বহুতদিনলৈ মনত থাকিব। সি এটা বেলেগ সুৰত ক'বলৈ ধৰিলে—"অ,' তাৰ মানে আপোনাৰ উদ্দেশ্য সেইটো। জানেনে চৰকাৰী ডাঙৰীয়া, মোৰ আজি এই পেং লৈ থাকিবলগীয়া অৱস্থাৰ বাবে দায়ী কোন? মোৰ দৰে এজন ডেকা ল'ৰাৰ ভৱিষ্যতৰ সোণালী সপোনবোৰ ঠানবান কৰি দিয়াৰ বাবে দায়ী কোন? 'বিকলাঙ্গ বৰ্ষ সপ্তাহ' পাতি বিকলাংগ মানুহক নিচুকাবলৈ যোৱা আপোনালোকৰ এইখন ভণ্ড চৰকাৰেই মোৰ এই অৱস্থাৰ বাবে দায়ী। এই চৰকাৰে পোহা কিছুমান পশুৱে বিনাদোষত ছুলিয়াজানত সেইদিনা মোৰ এই পংগু ভৰিখনেদি তিনিটা গুলী সৰকাই দিছিল। দিনটো আছিল ১৯৮০ চনৰ ১৮ জানুৱাৰী। মাথো মোকেই নহয়। মোৰ দৰে আৰু বহু যুৱকেই সেই বন্দুকধাৰী পশুবোৰৰ বলি হৈছিল। বুকুৰ কেঁচা তেজেৰে ছুলিয়াজানৰ ৰাজপথ ৰঙা কৰি অজিত নেওঁগ, কুমুদ গগৈহঁতে আমাক এৰি থৈ গুচি গৈছিল। কিন্তু আমাৰ দোষ কি আছিল? নিজৰ জননীক কিছুমান দানবৰ নাগপাশৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰাটো দোষ নেকি? আমি সম্পূৰ্ণ নিৰস্ত্ৰভাৱে আৰু শান্তিপূৰ্ণ-ভাৱে পিকেটিং কৰিছিলো। কৰিছিলো অন্যায়ৰ প্ৰতিবাদ। কিন্তু বিনিময়ত আমি পালো কি? অথচ আজি সেইখন নপুংশক চৰকাৰৰ ফালৰ পৰা আপুনি মোক আমন্ত্ৰণ জনাবলৈ আহিছে—'বিকলাংগ বৰ্ষ সপ্তাহ'ত সম্বৰ্দ্ধনা জ্ঞাপন কৰিবলৈ! চৰকাৰে আমাক ভিক্ষাৰী বুলি ভাবিছে নেকি? যাওক, কৈ দিয়ক গৈ আপোনাৰ চৰকাৰক—বিকলাংগ আমি নহয়। বিকলাংগ তেওঁলোক নিজেহে…"

তেওঁৰ কথা শেষ হবলৈ নৌপাওঁতেই এটা ঘৰ্ ঘৰ্ শব্দ শুনি চাই দেখিলো বাছখন মন্থৰ গতিত আহি আছে। ল'ৰাজনৰ শেষৰ ফালে সুৰটো এনে হৈছিল যে সঁচায়ে মোৰ বৰ ভয় লাগিল। বাছখন অহাত স'চাকৈয়ে ৰক্ষা পৰিলোঁ। ল'ৰাজনৰ ফালে এটা করুণ দৃষ্টি নিক্ষেপ কৰি মই আঁতৰি আহিলোঁ এটা চোৰৰ দৰে, ল'ৰাজনৰ চকুদুটাত যেন জুই জ্বলিছিল।

মোৰ নিজকে বৰ নীচ যেন লাগিল। ল'ৰাজনৰ প্ৰতিটো কথাই সম্পূৰ্ণ সত্য। এটা গধুৰ মন লৈ মোৰ ওচৰত ৰৈ যোৱা বাছখনত উঠি পৰিলো।


> 'মৃত্যুওতো এটা শিল্প/জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য'। —শ্ৰীহীৰেন ভট্টাচাৰ্য

# ক্রিকেট ঃ ইয়াৰ ওপৰত অন্ধবিশ্বাস আৰু অৰ্থনীতিৰ প্ৰভাৱ

অধ্যাপক **প্ৰদীপ কুমাৰ চাহু**
বাণিজ্য বিভাগ

### ক্রিকেট ঃ চমু পৰিচয়—জনপ্ৰিয়তা

আজিৰ যুগত ক্রিকেটক সঁচাকৈয়ে এটা জনপ্ৰিয় খেলৰ শাৰীত ধৰিব পাৰি। নতুন চাম যুৱক-যুৱতীৰ ৯০% ই ক্রিকেট খেলৰ নামত নিজকে বিলাই দিবলৈ প্ৰস্তুত থকা বুলি কলে অত্যুক্তি কৰা নহব। সাধাৰণতে অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহলৈকে ( ইংৰাজী ) নতুন পুৰুষৰ মাজত ইয়াৰ মোহিনী মন্ত্ৰৰ প্ৰভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। ঘৰে ঘৰে ৰেডিঅ'ত চলন্ত বিৱৰণী, কলেজ-স্কুলবোৰতো পকেট ৰেডিঅ'ৰ পয়োভৰৰ লগতে 'হাউচ্ ডেট' (How is that), চেঞ্চুৰী (century), স্ক'ৰ (score) ইত্যাদি শব্দই গোটেই অৰহাৰাটোকেই সলনি কৰি দিয়ে। এই সময়ত যদি কোনোবাই সোধে—ক্রিকেট নো কি বস্তু। টিঙিচ্ কৈ খং উঠি কবলৈ মন যায়—'কি অ' এইটো, ক্রিকেটৰ কথা নেজানে' ! গতিকে এতিয়া ইয়াৰ জনপ্ৰিয়তাৰ ওপৰত সন্দেহ কৰাটো নিতান্তই অমূলক হব।



আজি পৃথিৱীৰ দেশৰসমূহৰ মাজত যিবোৰ দেশে এই খেল খেলে তাৰ ভিতৰত ভাৰতবৰ্ষৰ নাম অন্যতম। এতিয়ালৈকে সৰ্বমুঠ সাতখন দেশে আই, চি, চি, (I.C.C.) ৰ (membership) পাইছে। দেশ কেইখন যথাক্রমে—ইংলণ্ড, অষ্ট্ৰেলিয়া নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, ভাৰত, পাকিস্তান আৰু শ্ৰীলঙ্কা। পূৰ্বতে দক্ষিণ আফ্রিকা সদস্য আছিল যদিও তেওঁলোকৰ বৰ্ণবৈষম্য নীতিৰ বাবেই সদস্য পদৰ পৰা বাদ দিয়া হৈছে। অৱশ্যে বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাত আৰু দুই এখন দেশে অংশ গ্ৰহণ কৰিলেও

তেওঁলোকক আই. চি. চি.ৰ সদস্য হিচাপে ধৰা নহয়। এই জনপ্ৰিয়তাৰ শীৰ্ষত থকা খেল ক্ৰিকেটৰ জন্ম ইংলণ্ডতে। ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ আগেয়েই বৃটিছসকলে এই খেলৰ বীজ ভাৰতবৰ্ষত অঙ্কুৰিত কৰি থৈ গ'ল। সম্প্ৰতি সি উঠি অহা গছৰ দৰে লহপহকৈ বাঢ়ি পূৰ্ণ অৱস্থা পাইছেগৈ।

ক্ৰিকেট খেলনো কি এই সম্পৰ্কে কবলৈ গলে, কেৱল ইমানেই কব পাৰি যে ই এটা 'আউট দ'ৰ' ((Outdoor) খেল, য'ত প্ৰতিপক্ষতে এঘাৰজন খেলুৱৈয়ে ভাগ লয় আৰু বেটৰ সংঘৰ্ষৰ যোগেদি ইয়াৰ ফলাফল বিচাৰকে (Umpire) নিৰূপণ কৰে। এই খেলৰ এটা বিশেষ বৈশিষ্ট্য হ'ল যে আন সকলোবোৰ খেলতকৈ এই খেলত অভিলেখৰ (Record) সংখ্যা বেছি। প্ৰত্যেকটো বলতেই নতুন অভিলেখৰ আশা কৰা যায়। তদুপৰি এই খেলৰ ফলাফল সঁচাকৈয়ে অনিশ্চিত। এটা আটাইতকৈ দুৰ্বল দলৰ হাতত এটা শক্তিশালী দ'ল পৰাজিত হোৱাটোত আচৰিত হব লগা একো নাই। উদহৰণ স্বৰূপে ১৯৮০ চনত নিউজিলেণ্ডত অনুস্থিত, নিউজিলেণ্ড-ৱেষ্টইণ্ডিজৰ মাজত দুৰ্বলী নিউজিলেণ্ডে বলী ৱেষ্ট ইণ্ডিজক ১-০ত পৰাজিত কৰিছিল। সেয়ে এবাৰ Sports Week নামৰ আলোচনী খনত সেইসময়ত প্ৰচলিত ভাৰত-ইংলণ্ডৰ মাজত অনুস্থিত টেষ্টচিৰজৰ ফলাফলৰ ভৱিষ্যতবাণীৰ কথা কওঁতে উত্তৰটো দিছিল এনেভাৱে—'I do not want to be a stupid and fool by forecasting about this, because only the fools can forecst about the outcome of a game like Cricket. আন এটা বৈশিষ্ট্য হ'ল যে এইখেলত নিহতৰ সংখ্যা বেছি নহলেও, কিন্তু দুখ পোৱাৰ মাত্ৰা বেছি। কোনো ক্ৰিকেট খেলুৱৈয়ে ইচ্ছা কৰি কোকো মাৰিব নোৱাৰে। যদিও এই ক্ষেত্ৰত 'বাউঞ্চাৰ' (bouncer)ৰ কথাটোক বাদ দিব নোৱাৰি, তথাপিও ৰেটছ্‌মেনজনে হাতত থকা বেটখনৰ দ্বাৰা আত্মৰক্ষা কৰাৰ যথেষ্ট সুবিধা পায়। আঘাট পাই থিতাতে মৃত্যু হোৱাৰ ঘটনা ক্ৰিকেটৰ পুৰণি অভিলেখৰ মাত্ৰ এঠাইতহে আছে। এবাৰ ভাৰতৰ ন'ৰী কন্‌ট্ৰেকতৰে (Nauri contractor) ৱেষ্ট ইণ্ডিজত খেলোতে নৰ্মান গ্ৰিকিথৰ বলত ইমান বেয়াকৈ আঘাট পাইছিল যে তেওঁক তেজদান দিবলগীয়া অৱস্থা হৈছিল; নহলে তেওঁৰ মৃত্যু নিশ্চিত আছিল। তেওঁ জীয়াই আছে যদিও ক্ৰিকেট বাদ দিব লগা হ'ল। অৱশ্যে আজিকালিৰ খেলুৱৈসকলে যি অখেলুৱৈসুলভ মনোভাৱ দেখুৱায়, সি সঁচাকৈয়ে নিন্দনীয়। ইপক্ষই সিপক্ষক অপকাৰ কৰা, 'আম্পায়াৰক' গালি-গালাজ দি দোষাৰোপ কৰাটো আজিকালি গতানুগতিক হৈ পৰিছে। সেয়ে—The game of cricket is so decent that it is only gentlemen's game—এই অপবাদটোৰ সত্যতাৰ ওপৰত যদিও সন্দেহ হয়, কিন্তু আগতে এয়েই নিয়ম আছিল।

## কিছুমান অদ্ভুত ঘটনা

ইয়াতেই ক্ৰিকেট জগতত ঘটা কিছুমান আচৰিত ঘটনাৰ কথা উন্মুকিয়াব খুজিছো। এবাৰ ইংলণ্ডত এজন খেলুৱৈয়ে ইমান জোৰেৰে বলটো মাৰি পঠিয়াইছিল যে এখন আহি থকা গাড়ীৰ সন্মুখৰ আয়নাত লাগি আয়না টুকুৰা-টুকুৰ হৈ গ'ল। ফলত গাড়ীখনৰ গৰাকীক ক্ষতিপূৰণ দিব বিচৰাত তেওঁ বলটোকে লৈ সন্তুষ্ট মনেৰে গুচি গ'ল।

আকৌ এবাৰ ( এবাৰত এটা 'শ্বট'ত ৰাণৰ কোনো প্ৰতিবন্ধক নাথাকোতে ) এখন খেলত বেট ধৰি থকা পক্ষৰ পৰাজয় নিশ্চিত আছিল; কিয়নো তেওঁলোকৰ শেষ যুটি খেলপথাৰত আৰু জিকিবলৈ মুঠ ৯৪ ৰাণৰ প্ৰয়োজন। খেলপথাৰৰ কাষতে এজোপা খেজুৰজাতীয় গছ আছিল। এজন খেলুৱৈয়ে হঠাৎ বলটো ইমান জোৰেৰে মাৰি পঠিয়ালে যে বলটো ওপৰলৈ গৈ গছজোপাত লাগি ধৰিল। কিন্তু বলটো গছত উঠি নমোৱা মানে দুইজন খেলুৱৈয়ে খৰ গতিত দৌৰি ৯৪ ৰাণ সংগ্ৰহ কৰি নিজৰ দলক বিজয়ৰ মুকুট পিন্ধাই দিলে।

এবাৰ এখন খেল ইমান নিৰস হৈছিল যে 'ফিল্ডিং' কৰি থকা পক্ষৰ অধিনায়কে 'বাউণ্ডেৰী' সীমাত বৈ বাতৰি কাকত

পড়ি আছিল। আৰু খেলৰ প্ৰতি সম্পূৰ্ণ অমনোযোগী হৈ আছিল।

আনকি আমাৰেই ভাৰতবৰ্ষৰ মহান খেলুৱৈ ৺ৰঞ্জিত সিংহজীয়ে একেদিনতে দুটা পক্ষৰ হৈ বেট ধৰি মুঠ তিনিটা 'ইনিংচ'ত তিনিটা শতৰাণ কৰি বিশ্ব অভিলেখ প্ৰতিষ্ঠা কৰি থৈ গৈছে। কিন্তু আজিৰ যুগত এনে আচৰিত কাৰ্য্য প্ৰায়ে অসম্ভৱ।

এনেকুৱা বহুতো বিক্ষিপ্ত ঘটনাৰ উদাহৰণ দিব পাৰি।

## অন্ধবিশ্বাসৰ প্ৰভাৱ

এই জনপ্ৰিয় খেল ক্ৰিকেটটো অন্ধবিশ্বাসে বাৰুকৈয়ে শিপাইছে। আনবোৰ দেশৰ কথা কব নোৱাৰি কিন্তু ভাৰতবৰ্ষত ইয়াৰ প্ৰভাৱ প্ৰকট। তাৰে কেইটামান উদাহৰণ দাঙি ধৰিছো।

ক্ৰিকেট খেলত ভাৰতৰ ত্ৰাণকৰ্ত্তা সুনীল মনোহৰ গাভাস্কাৰ, যি পৃথিৱীৰেই অন্যতম ভাল খেলুৱৈ তথা পৃথিৱীৰ শ্ৰেষ্ঠ 'অপেনিং' (opening) বেট্‌ছমেন, অন্ধবিশ্বাসৰ বশৱৰ্ত্তী। গাভাস্কাৰে খেলৰ আগতে হনুমানৰ পূজা কৰি যায়। তদুপৰি বেট কৰিবলৈ গলে খেলপথাৰত সোমাওঁতে লগৰ খেলুৱৈজনৰ সদায় সোঁহাতে যায়। গাভাস্কাৰে নিজেই এই কথা স্বীকাৰ কৰিছে। তদুপৰি গাভাস্কাৰৰ হাতত থকা ক'লা মালাডাল (কেতিয়াবা অৱশ্যে ডিঙিতো দেখা যায়) কিহৰ প্ৰতীক ?

সেইদৰে আন এজন খেলুৱৈ গুন্দাপা ৰঙ্গনাথ বিশ্বনাথে ১৯৭৯-৭৫ চনত ৱেষ্ট ইণ্ডিজৰ লগত ভাৰতৰ হৈ থকা 'টেষ্ট চিৰিজৰ'ৰ কলিকতাৰ তৃতীয় টেষ্টত আগদিনা ৯৬ ৰাণত অবিজিত থৈ থাকি খেল শেষ হোৱাত পিছদিনাৰ বাবে গুচি আহে। দিনটো খেলাৰ পিছত তেওঁৰ কাপোৰজোৰ একেবাৰে লেতেৰা হৈ গৈছিল। তেওঁলোক যদিও সদায় নতুন আৰু পৰিষ্কাৰ কাপোৰ পিন্ধিবলৈ দিয়া হয় তথাপি তেওঁ আগদিনাৰ কাপোৰজোৰকে পিন্ধি আহিছিল বেট ধৰিবলৈ, কাৰণ আগৰ সাজজোৰকে তেওঁ 'ভাগ্যবান' (Lucky) বুলি ভাবিছিল। তেওঁক শতৰাণ লাগে—নতুন কাপোৰজোৰে তেওঁক সেই ৰাণ সংগ্ৰহ কৰিবলৈ বাধা দিবও পাৰে!

সেইদৰে যচপাল শৰ্ম্মাই 'টেষ্ট মেচ' চলি থকা কেইদিন ডাড়ি নুখুৰাই, কিয়নো ডাড়ি খুৰালে তেওঁ হেনো ভাল খেলিব নোৱাৰে।

আকৌ আগতেও এনে এক প্ৰবাদ ভাৰতত প্ৰচলিত আছিল যে যিজন খেলুৱৈয়ে তেওঁৰ জীৱনৰ প্ৰথম খেলত (টেষ্ট মেচ) শতৰাণ কৰিব, তেওঁ আৰু কোনো খেলতেই কেতিয়াও শতৰাণ কৰিব নোৱাৰে। উদাহৰণ হিচাপে লালা অমৰনাথ, হনুমন্ত সিং, সুৰিন্দৰ অমৰনাথ আদিৰ নাম উল্লেখ কৰিব পাৰি। কিন্তু এই অন্ধবিশ্বাস সৌ সিদিনা মাত্ৰ মিছা বুলি প্ৰমাণিত হ'ল, যেতিয়া জীৱনৰ প্ৰথমখন 'টেষ্টতে' শতৰাণ কৰা বিশ্বনাথে সুদীৰ্ঘ ৪ বছৰৰ পিছত ১৯৭২-৭৩ চনত ইংলণ্ডৰ বিৰুদ্ধে বোম্বাইৰ 'ব্ৰেব্ৰোণ' খেল পথাৰত দ্বিতীয়বাৰৰ বাবে ১১৩ ৰাণ সংগ্ৰহ কৰে।

তেনেদৰে উদীয়মান খেলুৱৈ সন্দীপ মধুসূদন পাটিল কিন্তু নাস্তিক। তেওঁ কোনো অন্ধবিশ্বাসৰ বশৱৰ্ত্তী নহয়।

## অৰ্থনীতিৰ সৈতে ইয়াৰ সম্পৰ্ক

এইটো অনস্বীকাৰ্য্য যে ক্ৰিকেট এটা খৰচী খেল। এখন ক্ৰিকেট খেল পতা মানেই প্ৰথমেই কথা আহি পৰে খেলপথাৰৰ। আনবোৰ পথাৰৰ তুলনাত এইখন খেলপথাৰৰ নিৰ্ম্মাণত বহুত খৰচ পৰে। 'পিট্‌চ' (Pitch) অৰ্থাৎ মুখ্য অঞ্চল যত খেলখন হয় তাৰ নিৰ্ম্মাণত হেজাৰ হেজাৰ টকা খৰচ কৰিব লগা হয়। তলত এটা আনুমানিক হিচাপ দেখুওৱা হ'ল ঃ

খেলুৱৈক দিবলগা পাৰিশ্ৰমিক ঃ—

গাইপতি ১০,০০০ টকাকৈ মুঠ ২৪ জন (১২+১২)
=২,৪০,০০০

বিচাৰক (Umpire) ক গাইপতি
১৫,০০০ টকা দুজনক=৩০,০০০

(বিৱৰণী দিওঁতা, স্কৰাৰ, খেলপথাৰৰ
তত্বাবধায়ক আৰু অন্যান্য) =৩০,০০০

মুঠ=৩,০০,০০০ টকা

উপৰোক্ত হিচাপটো প্ৰকৃত হিচাপ নহয়, আনুমানিকহে। এইবোৰৰ উপৰিও সা-সঁজুলিৰ বাবদ খৰচ আছে। লগতে খেলৰ লগত জড়িত সকলোৰে থকা—খোৱাৰ বন্দবস্ততত অজস্ৰ টকা ব্যয় হয়। দৰ্শকৰ দৃষ্টিৰে চাবলৈ গ'লে প্ৰত্যেক জন দৰ্শকে খেলচোৱাৰ নামত পাঁচ। ছয় দিনকৈ বিনা-কাৰণত অপব্যয় কৰে। ইয়াৰ লগতে তেওঁলোকৰ টিকটৰ বাবদ খৰচ, দুপৰীয়াৰ আহাৰ ( Lunch ), আবেলিৰ চাহ ( Tea break )ৰ বাবদ খৰচৰ উপৰিও ভাগৰৰ কথাটোৰো আছে। ইয়াৰ বিনিময়তো মনোৰঞ্জনৰ বাহিৰে তেওঁলোকে একো নাপায়। আনহাতে খেলহোৱা ঠাইখনক বাদ দি আনবেৰ ঠাইত ( আনকি খেলহোৱা ঠাইতো ) ৰেডিঅ' তথা টেলিভিছন লৈ সকলো ক্ৰিকেট প্ৰেমীকে ব্যস্ত হৈ থকা দেখা যায়। এনেকুৱা এক অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ পঢ়া শুনাত ব্যাঘাত, কাৰ্য্যালয়বোৰত কৰ্ম্মীৰ অনুপস্থিতি, আৰু উপস্থিত থাকিলেও ভালকৈ কামত মন নবহোৱা মানে শাৰিৰীক উপস্থিতি আৰু মানসিক উপস্থিতিৰ অৱস্থাত বিৱৰণী শুনা আদি চিৰাচৰিত ঘটনা। সকলো ফালেই লোকচানৰ মাত্ৰাহে বেছি হয়। গতিকে দেখা যায় যে ক্ৰিকেট খেলে টাকা পইচা তদুপৰি শ্ৰম ঔদ্যোগিক বিকাশৰ অৰ্থে বিনিয়োগ কৰিলে দেশৰ তথা জাতিৰ উন্নতি কিছু পৰিমাণে হলেও আশা কৰিব পাৰি।

### মতামত :

এই খিনিতে মই কব খোজো যে এই প্ৰবন্ধৰ উদ্দেশ্য ক্ৰিকেটখেলক ঘৃণা বা এই খেলৰ পৰা মানুহৰ আকৰ্ষণ হ্ৰাস কৰি সমালোচনা কৰা নহয়। কিয়নো লেখক নিজেই এই খেলৰ প্ৰতি অনুৰক্ত। কিন্তু ইমান খৰচী খেল কেৱল মনোৰঞ্জনৰ বাবেই খেলাটো সঁচাকৈয়ে এক চিন্তনীয় বিষয়। অৰ্থনৈতিক ভাবে সমৃদ্ধ ৰাচিয়া, আমেৰিকা, চীন, জাপান আদি দেশে যেতিয়া এই খেলত ৰাপ দেখুৱা নাই তেনে ক্ষেত্ৰত ভাৰতৰ দৰে বা পাকিস্তান, শ্ৰীলঙ্কাৰ দৰে দুখীয়া দেশে এনে এটা খৰচী খেলত ব্যস্ত থকাতো খুব ভাল বুলি কোৱা নাযায়। ইয়াৰ অৰ্থ এইটো নহয় যে ৰাছিয়া, আমেৰিকা চীন জাপানত খেলুবৈৰ অভাৱ। তেওঁলোকৰ বক্তব্য হ'ল যে ইমান প্ৰতিযোগিতাৰ দিনত মনোৰঞ্জনৰ বাবে পাঁচদিনকৈ অবাবত কটোৱা কথাতো কল্পনা কৰিব নোৱাৰি। গতিকে ভাৰতৰ দৰে দুখীয়া দেশে এনে খেলৰ বোজাটো বহন নকৰি, পাৰিলে বন্ধ কৰাই ভাল। নহলে ইয়াৰ বাবদ হোৱা অপব্যয়ৰ মাত্ৰাটো কমাই ইয়াৰ অস্তিত্ব ৰাখি ইয়াত আজিৰ দৰে ইমান মনোনিবেশ নকৰাটো মঙ্গলজনক হব যেন লাগে। অৱশ্যে ইমান ভদ্ৰ এটা খেল বন্ধ কৰিববলৈৰো চিন্তা হয়। সেয়ে অৰ্থনৈতিক দিশটো প্ৰথমতে টনকিয়াল কৰি পিছত এই খেলৰ ওপৰত জোৰ দিলে ভাল হয় যেন মন্তব্য কৰিব পাৰি।

সামৰণিত এটা উদাহৰণৰ সৈতে এই প্ৰবন্ধৰ মোখনি মাৰিব বিচাৰিছো। এজন মেজিষ্ট্ৰেতে ক্ৰিকেট নো কি নেজানিছিল কিন্তু তেওঁৰ পুত্ৰদ্বয় ক্ৰিকেটৰ ভক্ত আৰু অনুগামী আছিল। এবাৰ এখন ডাঙৰ খেল একেঠাইতে অনুষ্ঠিত হৈছিল। পুত্ৰ কেইজনে জোৰ কৰি দেউতাকক খেলখন চাবলৈ অনুপ্ৰাণিত কৰিলে। মেজিষ্ট্ৰেট ডাঙৰীয়াই পেণ্ট-চাৰ্ট, টাই, কোট পিন্ধি খেলখন চাবলৈ গ'ল। আৰু তালৈ গৈ তেওঁ দেখা পালে যে মানুহবোৰে প্ৰত্যেক পাঁচ/ছয় মিনিটৰ মূৰে-মূৰে হাতচাপৰি বজাই থাকে। তেওঁ একো বুজি নেপাই দেখাক দেখি চাপৰি বজোৱা আৰম্ভ কৰি দিলে। পিছত প্ৰত্যেকটো শ্বটতে তেওঁ হাতচাপৰি বজোৱা আৰম্ভ কৰি দিলে। তেওঁক দেখি আনবোৰ দৰ্শকেৰো হাত-চাপৰি বজাবলৈ ধৰিলে। তেওঁৰ ধৈৰ্য্যৰ বান্ধ ছিঙি যোৱাত খেলখন আধা চাইয়েই উঠি আহিল। ঘৰত আহি তেওঁ পুত্ৰদ্বয়ক খুব বকিলে আৰু পিছদিনাৰ পৰা খেলচাবলৈ যাবলৈ মানা কৰি দিলে। সিহঁতে কাৰণ সোধাত কলে যে তেওঁ পিছদিনা হাত চাপৰি বজাবলৈ মানুহ আনি দিব। কিয়নো তেওঁৰ মতে Cricket is nothing but a game of clapping"

---

উপৰোক্ত প্ৰবন্ধটো লিখোতে Sportsweek, Sportsworld khel khilari (Hindi), Cricket Samrat (Hindi) আৰু অন্যান্য কিতাপৰ সহায় লোৱা হৈছে—লিখক।

# ভাৰতৰ বৈদেশিক নীতি

শ্ৰীৰাম প্ৰসাদ ডুবে
স্নাতক দ্বিতীয় বাৰ্ষিক, (বিজ্ঞান)

কোনো ৰাষ্ট্ৰৰ বৈদেশিক নীতিয়েই হ'ল সেই ৰাষ্ট্ৰৰ আন্তৰ্জাতিক মৰ্য্যাদাৰ পৰিচায়ক। আন্তৰ্জাতিক সমস্যাবোৰৰ ক্ষেত্ৰত নিজৰ অভিমত দাঙি ধৰি আৰু সেই অভিমতৰ প্ৰতি উচিত সমৰ্থন প্ৰাপ্ত কৰাৰ যি ক্ষমতা, সেই ক্ষমতাৰ পৰাহে সেই ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ সাফল্যৰ অনুমান কৰিব পাৰি। স্বাধীনতা প্ৰাপ্তিৰ পিছৰেপৰা আজিলৈকে ভাৰতৰ বৈদেশিক নীতিয়ে নানা সফলতা-বিফলতা আৰু উৎকৰ্ষ-অপকৰ্ষৰ সন্মাৰ্গ হ'ব লগা হৈছে! এই কথা নুই কৰিব নোৱাৰি যে স্বাধীনোত্তৰ কালৰ এই ৩৫ বছৰে ভাৰতীয় বৈদেশিক নীতি সাৰ্থক প্ৰমাণিত নহ'ল। ভালেমান বছৰৰ আগতে কলিকতাৰ 'আনন্দবাজাৰ পত্ৰিকা'ত এটা ব্যঙ্গ-চিত্ৰ (কাৰ্টুন) ওলাইছিল, য'ত এজন মানুহে লাইব্ৰেৰীত বহি নিজৰ বন্ধুক কৈছিল যে—তেওঁ লাইব্ৰেৰীলৈ অহাৰ একমাত্ৰ কাৰণ হ'ল তাত ভাৰতৰ বৈদেশিক নীতিৰ বিষয়ে পঢ়িবলৈ পোৱা যায় আৰু ভাৰতীয় বৈদেশিক নীতি হ'ল মনোৰঞ্জনৰ (humour)ৰ উৎকৃষ্ট সমল।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ দশকত বিশ্বৰাজনীতিৰ পটভূমিত অনেক পৰিবৰ্ত্তনে দেখা দিয়ে। এই দশকতেই ভাৰতকে ধৰি এচিয়া, আফ্ৰিকা, আৰু লেটিন আমেৰিকাৰ বহুতো দেশ স্বাধীন হ'ল। জনসংখ্যা আৰু আকাৰত আটাইতকৈ ডাঙৰ হোৱা বাবে ভাৰতে এই নৱজাত দেশবোৰৰ নেতৃত্ব লাভ কৰিলে। ইতিমধ্যে যুদ্ধোত্তৰ বিশ্ব দুটা গোষ্ঠীতে বিভক্ত হৈছে। পুঁজিবাদী আৰু সমাজবাদী গোষ্ঠীত। ৰাষ্ট্ৰ নিৰ্মাতা নেহেৰুৱে দুয়ো গোষ্ঠীৰ লগত মৈত্ৰীভাব ৰাখি ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনুৰূপে মুকলিমূৰীয়া বৈদেশিক নীতিৰ মাৰ্গ অৱলম্বন কৰে। ফলস্বৰূপে আমেৰিকা আৰু ৰাচিয়া এই দুই মহাশক্তিয়ে ভাৰতক নিজৰ মিত্ৰ বুলি গণনা কৰিব ধৰে। পিছত এচিয়া আৰু আফ্ৰিকাৰ অন্য নৱজাত ৰাষ্ট্ৰবোৰেও ভাৰতৰ বৈদেশিক নীতিৰ অনুসৰণ কৰিবলৈ ধৰিলে। নেহেৰুৰ প্ৰচেষ্টাৰ ফলতেই গোষ্ঠীনিৰপেক্ষতা আন্দোলনৰ জন্ম হয়, ইয়াৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল বেলগ্ৰেডত (১৯৬১)। এপ্ৰিল ১৯৫৫ত বাণ্ডুং সন্মিলনত ভাৰতে পঞ্চশীলৰ সিদ্ধান্ত দাঙি ধৰে। ১৯৫০ চনৰ কোৰিয়া যুদ্ধ, কঙ্গোৰ গৃহযুদ্ধ, মিছৰৰ সৈতে হোৱা ইজৰাইল, ইংলেণ্ড আৰু ফ্ৰান্সৰ যুদ্ধত ভাৰতে U.N.O. ৰ তত্বাৱধানত শান্তি-বাহিনী প্ৰেৰণ কৰি বিশ্বশান্তি স্থাপনত মহত্বপূৰ্ণ যোগদান দিছিল।

এই কাৰ্য্যৰ ফলত বিশ্বদৰবাৰত ভাৰতৰ স্থান উন্নত হয়। ভাৰত হৈ পৰে বিশ্ব শান্তিৰ অগ্ৰদূত। কিন্তু ভাৰতৰ এই বৈদেশিক নীতিয়ে ভাৰতৰ ক্ষতি সাধন নকৰাও নহয়।

এহাতে সুদূৰ দেশবোৰত ভাৰতে বিশ্বশান্তিৰ প্ৰচাৰ কৰি থাকিল, আনহাতে নিজৰ চৌপাশে দৃষ্টিপাত কৰিবলৈ সুবিধাই নেপালে। আৰু এই অৱস্থাৰ সুযোগ লৈ চুবুৰীয়া

দেশ চীনে আমাৰ উত্তৰ সীমান্তত সেনা আৰু অস্ত্ৰৰ সমাবেশ ঘটাবলৈ ধৰিলে, আৰু আমি গমেই নেপালো। অহিংস নীতিৰ প্ৰবল সমৰ্থক হোৱাৰ বাবেই আমি 'সাম' ক্ষেত্ৰত কাণ নিদিলোঁ। ফলস্বৰূপে ১৯৬২ চনত চীনৰ হাতত ভাৰতে লজ্জাজনকভাৱে পৰাজয় বৰণ কৰে। বহুতৰ মতে ১৯৬২ চনৰ এই বিপৰ্য্যয়ৰ বাবে নেহেৰু আৰু তৎকালীন ৰক্ষামন্ত্ৰী ভি. কে. কৃষ্ণমেননেই দায়ী। এই পৰাজয়ত স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে বিশ্বৰ সমুখত ভাৰত অপমানিত হ'ব লগা হয়। এচিয়া আৰু আফ্ৰিকাৰ নব্য-স্বতন্ত্ৰ দেশবোৰে, যিয়ে এসময়ত ভাৰতক নেতা বুলি জ্ঞান কৰিছিল, সেইবোৰ দেশেই লাহে লাহে চীনৰ ফালে ঢাল খাব ধৰিলে। ভাৰত বিশ্বৰাজনীতিত হৈ পৰিল পৰিত্যক্ত আৰু নিসঙ্গ।

দুখৰ বিষয় যে চীনৰ এই বিশ্বাসঘাটকতাৰপৰাও আমাৰ নেতৃবৰ্গই একো শিক্ষা নেপালে। বৰঞ্চ চীনৰ লগত বন্ধুত্বৰ হাত আগবঢ়াবলৈ উদ্যত হ'ল। জনতা পাৰ্টিৰ শাসনকালতো বিদেশ মন্ত্ৰী শ্ৰীঅটলবিহাৰী বাজপেয়ীয়ে আত্মসন্মানক আওকাণ কৰি ১৯৭৮ চনত চীন ভ্ৰমণলৈ গ'ল। এই ভ্ৰমণৰ সময়তেই চীনে আমাৰ অন্যতম বন্ধুৰাষ্ট্ৰ ভিয়েটনামৰ ওপৰত আক্ৰমণ চলালে, অথচ পিকিঙস্থ আমাৰ বিদেশ মন্ত্ৰী আছিল এই বিষয়ে সম্পূৰ্ণ অজ্ঞ! পিছত খবৰ পায়েই ভ্ৰমণ সম্পূৰ্ণ নকৰাকৈয়ে উভতি আহি তেওঁ অৱশেষেই ভাল কামেই কৰিলে।

১৯৬৯ চনত ইজৰাইলৰ বিৰুদ্ধে সংযুক্ত পদক্ষেপ আগবঢ়াবৰ কাৰণে মৰক্কোৰ (Morocco)ৰ ৰাজধানী ৰাবাট (Rabat)ত ইচ্‌লামী ৰাষ্ট্ৰসমূহৰ সন্মিলন হ'ল। ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে ভাৰতে এই সন্মিলনত অংশ গ্ৰহণ কৰাৰ প্ৰশ্নই উঠিব নেলাগিছিল। কিন্তু দেশৰ এক সংখ্যা লঘু সম্প্ৰদায়ক তুষ্ট কৰিবলৈ তৎকালীন কংগ্ৰেছ চৰকাৰে এই সন্মিলনত যোগ দিয়াৰ বাবে কিবা প্ৰকাৰে নিমন্ত্ৰণ পত্ৰ যোগাৰ কৰে। কিন্তু ভাৰতীয় প্ৰতিনিধি দল যেতিয়া ৰাবাট পায়গৈ তেতিয়া পাকিস্থানৰ প্ৰবল বিৰোধিতাৰ ফলত ভাৰতক সন্মিলনত যোগ দিবলৈ দিয়া নহ'ল। ফলতঃ ভাৰতীয় প্ৰতিনিধিবৰ্গ খালি হাতে উভতি আহে। এই ঘটনাৰপৰা আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ ঘোৰ অপমান হয়।

ইজৰাইলে ভাৰতক বিভিন্ন ক্ষেত্ৰত সময়ে সময়ে সমৰ্থন জনাই আহিছে। ১৯৭১ চনৰ ভাৰত-পাকিস্থান যুদ্ধৰ সময়তো ইজৰাইলে ভাৰতক সামৰিক সাহায্য আগবঢ়াবলৈ প্ৰস্তাৱ দিছিল আৰু "ব্লেক-ডিচেম্বৰ" (Black-December) হেন উগ্ৰপন্থীৰ বিৰোধিতা কৰা সংগঠনৰ বাবে আৰ্থিক আৰু নীতিগত সমৰ্থন আগবঢ়াইছিল। কিন্তু ভাৰতে ইজৰাইলৰ এই সাহায্য অগ্ৰাহ্য কৰে। ইমানেই নহয়—আজিকোপতি আমাৰ চৰকাৰে ইজৰাইলৰ জীয়াই থকাৰ ন্যায়সঙ্গত অধিকাৰৰ বিৰোধিতা কৰি বিশ্ব-শান্তি স্থাপনত কি অৰিহণা যোগাব পাৰিছে? এই ধাৰাবাহিক সমৰ্থন আৰু ইজৰাইল বিৰোধী নীতিৰ বিনিময়ত আৰব দেশসমূহে ভাৰতক দিছে কি? তেল? তেলতো তেওঁলোকে ইজৰাইলৰ পৰম সমৰ্থক ইংলেণ্ড, ফ্ৰান্স আৰু পশ্চিম জাৰ্মানীকো দি আহিছে। এই তেলৰ বাবে আৰবসকলে আমাৰপৰা তেওঁলোকৰ ইচ্ছামতে দাম আদায় কৰি আছে, অথচ সেই একেই তেল তেওঁলোকে পাকিস্থান, বাংলাদেশক যথেষ্ট কম দামত বিক্ৰয় কৰি আছে।

১৯৬৫ আৰু ১৯৭১ চনত ভাৰতে পাকিস্থানৰ বিৰুদ্ধে দুখনকৈ যুদ্ধত লিপ্ত হয়। ১৯৬৫ চনৰ যুদ্ধত আমাৰ জোৱানসকলে নিজৰ প্ৰাণ উৎসৰ্গা কৰি পাকিস্থানৰ ভালেমান ভূখণ্ড অধিকাৰ কৰে। কিন্তু আমাৰ নেতাসকলে আমাৰ সৈনিকসকলৰ ত্যাগৰ কথা পাহৰি তাচখণ্ড (Taskhent) আৰু চিমলা (Simla) চুক্তিত হস্তাক্ষৰ কৰি সকলো বিজিত ভূমি ঘূৰাই দিয়ে। আনহাতে পাকিস্থানে আজিলৈকে ভাৰতৰ সহস্ৰ বৰ্গমাইল ভূমিত অবৈধ অধিকাৰ কৰি আছে। ভাৰতৰ বৈদেশিক নীতিৰ বিফলতাৰ ইয়াতকৈ ডাঙৰ প্ৰমাণ কি হ'ব পাৰে যে—যি বাংলাদেশক মুক্ত কৰিবলৈ ভাৰতে ১৯৭১ চনত পাকিস্থানৰ বিৰুদ্ধে থিয় দিছিল, সেই বাংলাদেশেই আজি ভাৰতক আওকাণ কৰি পাকিস্থানকহে নিজৰ শুভচিন্তক বুলি ভাবিব ধৰে!

বিশ্বৰ যি কোনো ক্ষেত্ৰতে মহাশক্তিসমূহৰ হস্তক্ষেপক ভাৰতে বিৰোধিতা কৰি আহিছে। নামিবিয়াৰ ওপৰত দক্ষিণ আফ্ৰিকাৰ অবৈধ শাসন, আমেৰিকাৰ ভিয়েটনামৰ ওপৰত আক্ৰমণ আৰু ইংলণ্ড-ফ্ৰান্স-ইজৰাইলৰ মিছৰৰ ওপৰত আক্ৰমণৰ বেলিকা ভাৰতে মহাশক্তিসমূহৰ ঘোৰ বিৰোধিতা কৰি আহিছে। কিন্তু চোভিয়েত সংঘৰ দ্বাৰা চেকোশ্লোৱাকিয়া (Czechoslovakia) আৰু ১৯৭৯ চনত আফগানিস্থান আক্ৰমণৰ বেলিকা ভাৰতে তীব্ৰ বিৰোধিতা নকৰি অস্পষ্ট শব্দাৱলীৰ প্ৰয়োগ কৰে। কিয়নো ৰাছিয়াই কাশ্মীৰ সমস্যা আৰু পাকিস্থান যুদ্ধৰ সময়ত ভাৰতৰ সপক্ষে সুৰক্ষা-পৰিষদত (Security Council) 'ভেটো' (Veto) প্ৰয়োগ কৰিছিল। ইয়াৰপৰা ভাৰতৰ গোষ্ঠীনিৰপেক্ষ প্ৰতিচ্ছবি ম্লান হয় আৰু এনে ভাব হয় যেন ভাৰত ক্ৰমশঃ ৰাছিয়াৰ গোষ্ঠীৰ প্ৰতি আকৰ্ষিত হ'ব লাগিছে।

১৯৭৯ চনত হাভানাত (Havana) গোষ্ঠীনিৰপেক্ষ ৰাষ্ট্ৰসমূহৰ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত ভাৰতৰ সন্মান বৰ বেয়াকৈ ক্ষুণ্ণ হয়। এই সন্মিলনত চৌধুৰী চৰণসিংৰ অস্থায়ী চৰকাৰৰ বিদেশ মন্ত্ৰী শ্যামনন্দন মিশ্ৰই গোষ্ঠীনিৰপেক্ষ ৰাষ্ট্ৰসমূহৰ অধ্যক্ষ পদৰ বাবে যি হাস্যাত্মক প্ৰচেষ্টা চলালে আৰু ইয়াত সকলো ৰাষ্ট্ৰই বিৰোধিতা কৰাত ভাৰতৰ বৈদেশিক নীতি আকৌ এবাৰ উপলুঙাৰ পাত্ৰ হয়।

ভাৰতে সময়ে সময়ে ৰাষ্ট্ৰসংঘৰ শান্তি-বাহিনীত সৈনিক নিযুক্ত কৰি বিভিন্ন ৰাষ্ট্ৰৰ মাজত যুদ্ধ বিৰতি ঘটোৱাৰ বৰঙণি যোগাই আহিছে। ইচ্ছা কৰা হ'লে ১৯৪৮ চনতেই সম্পূৰ্ণ কাশ্মীৰক পাকিস্থানৰ কবলৰপৰা ভাৰতে মুক্ত কৰিব পাৰিলেহেঁতেন, কিন্তু ভাৰতে শান্তিৰ হকেই এই সমস্যা ৰাষ্ট্ৰসংঘ (U.N.O.) লৈ হস্তান্তৰ কৰে। কিন্তু আজিলৈকে এই সমস্যাৰ সমাধান সম্ভৱ হোৱা নাই। জনসংখ্যা, ক্ষেত্ৰফল আৰু সামৰিক শক্তিত ইমান বৃহৎ হৈয়ো ভাৰতে আজিলৈকে সুৰক্ষা-পৰিষদৰ সদস্য হ'ব পৰা নাই। আনকি নিজৰ ৰাষ্ট্ৰভাষা হিন্দীক ( ভাষাভাষী ১৫ কোটি ) ৰাষ্ট্ৰসংঘত মান্যতা অৰ্জন কৰোৱাব পৰা নাই। আনহাতে কিন্তু, স্পেনিচ (Spanish), আৰবী (Arabic) আদি কম প্ৰচলিত ভাষাও ( ভাষাভাষী ক্ৰমশঃ ১৩ কোটি ১০ লাখ, ৮ কোটি ১০ লাখ ) ৰাষ্ট্ৰসংঘত স্বীকৃতি পাবলৈ সমৰ্থ হৈছে। এইটো ভাৰতীয় বৈদেশিক নীতিৰ আৰু এক বিফলতা। আজি পূৰ্বকালীন দোষ-গুণৰ বিবেচনা কৰি এক নতুন আৰু সুস্থ বৈদেশিক নীতিৰ প্ৰবৰ্ত্তন কৰাহে প্ৰয়োজন। ভাৰতবৰ্ষই দুই প্ৰমুখ্য মহাশক্তিৰ লগত মৈত্ৰীভাৱ ৰখাৰ লগতে, নিজৰ চুবুৰীয়া দেশবোৰৰ মুখ্যতঃ দঃ পূঃ এচিয়াৰ ৰাষ্ট্ৰসমূহ (ASEAN)ৰ লগত আৰু ঘনিষ্ঠ সম্বন্ধ বজাই ৰখাটো আৱশ্যক। নিজৰ ৰক্ষা-ব্যৱস্থাক আৰু সংগঠিত কৰি আৰু এক যথাৰ্থবাদী বৈদেশিক নীতিৰ সহায়ত আমি আকৌ বিশ্ব ৰাজনীতিৰ মঞ্চত মুখ্য স্থান অধিকাৰ কৰিব পাৰিব লাগিব।

'নৰকখন অপেশাদাৰী গায়ক আৰু সংগীতজ্ঞৰে ভৰপূৰ'
—'মেন এণ্ড চুপাৰমেন' নাটকত বাৰ্ণাৰ্ড




শ্ৰীনিৰ্মল বৰগোহাঁই
বি. কম. ১ম বাৰ্ষিক


মাকহঁতে কেতিয়াও ভবা নাছিল যে হঠাৎ এনে দৰে ঝৰ্ণালী ওলাবহি পাৰে। পদূলি মুখত বায়েকক দেখি ভনীয়েক জোনালী দৌৰ মাৰি আহিল। আৰু ঘৰৰ ভিতৰ সোমায়েই জোনালীয়ে চিঞৰ বাখৰ লগালে, মা ঐ, বাইদেউ আহিছে। মাক লৰা লৰিকৈ ওলাই আহি ঝৰ্ণালীক দেখি আচৰিত হ'ল। ঝৰ্ণাই মাকক সেৱা কৰিলে। মাকে ঝৰ্ণাক দুহাতেৰে মূৰটো দাঙি লৈ ক'লে –"ঝৰ্ণা, তই ইমানকৈ খীনাইছ, কিবা অসুখ হৈছিলনেকি? তই কিমান-দিন থাকিবি? অনন্ত নাহিলযে?" একে লেঠাৰিয়ে মাকে প্ৰশ্নবোৰ কৰি গৈছিল।

অনন্তদ্বীপ। ঝৰ্ণাৰ স্বামীৰ নাম। অনন্তৰ নাম শুনি বিতৃষ্ণাত ঝৰ্ণাৰ মুখৰ বৰণ সলনি হ'ল। তথাপি তাই ক'লে,—"নাই মা, তেওঁ নাহিল। কামৰ বাবে য'ত ত'ত যাব লগা হৈছে।" জোনালীয়ে বায়েকৰ বস্তুবোৰ ভিতৰলৈ নিলে। এইবাৰ তাই বায়েকৰ মূখৰ পিনে চাই ক'লে— "বাইদেউ! তই কিমানদিন থকাকৈ আহিছ কচোন?" ইমান পৰে বুকুৰ সঞ্চিত বেদনাখিনি লুকাই আছিল। এইবাৰ ভনীয়েকৰ কথা শুনি বুকু ভাঙি বেদনা-খিনি ওলাই আহিল। তাইৰ কান্দোন শুনি মাক ওলাই আহিল। ভনীয়েকে বায়েকৰ কাণ্ড দেখি আচৰিত

হ'ল। মাকে সান্ত্বনাৰ সুৰত ক'লে—"তই কান্দিছ কিয় আই? তই অনন্তৰ লগত কিবা লাগি আহিছনেকি?" মাকৰ মুখত অনন্তৰ নাম শুনি ক'লে, "মা তোমালোকৰ মুখত যেন মই আৰু দ্বিতীয়বাৰ তেওঁৰ নাম নুশুনো। তোমালোকে মোক তেওঁৰ লগত বিয়া দি জীৱনত বহুত ভুল কৰিলা। যি ভুলৰ কোনো দিন কোনো কালে শুধৰণি নহয়। তোমালোকে ভাবিছিলা, মই অনন্তৰ লগত এখন সুন্দৰ সংসাৰ পাতিছিলো বুলি। আচলতে এডাল ফেটীসাপৰ লগত মোক সাঙুৰ খুৱাইছিলা। যি ভাল বিষাক্ত ফেটী-সাপৰ ফোচফেচনিত আজি মোৰ এই অৱস্থা। দুদিনৰ পাছত সি যে মোক খোঁট নামাৰিব তাৰ কি মানে আছে। চক্‌চকীয়া দেখিলেই সকলো বস্তুৱেই সোণ নহয় মা।" জোনালীক ওচৰ চপাই মূৰত হাত বুলাই ক'লে—"মই আৰু কোনোদিনেই নাযাওঁ জোনালী; মই তোৰ লগতেই থাকিম। মই সেই ঘৰলৈ কোনো দিনেই ঘূৰি নেযাওঁ।"

মাক আৰু জোনালী উচপ খাই উঠিল। তাৰ পিছত ঝৰ্ণাই দেউতাকৰ ফটোখনৰ তলত বৈ ফেকুৰি উঠিল আৰু ভঙা ভঙা মাতেৰে ক'লে—"দেউতা, পাৰা যদি মোক ক্ষমা কৰি দিবা। মোৰতো কোনো দোষ নাছিল, দেউতা। মই তোমাৰ আদৰ্শ জীয়াই ৰাখিবলৈ চেষ্টা কৰিছিলো, কিন্তু!! কিন্তু দেউতা, বৰ ভুল হৈ গ'ল। বৰ ভুল হৈ গ'ল……।" মাকে কেনেকৈ সান্ত্বনা দিব ভাবি নেপালে; ভনীয়েক বিব্ৰত হৈ পৰিল।

দেউতাক শ্ৰীযুত শংকৰ বৰদলৈ আছিল স্থানীয় এল, পি স্কুল এখনৰ প্ৰধান শিক্ষক। শিক্ষক হিচাপে তেখেতৰ আদৰ্শ তিনিওটা ল'ৰা-ছোৱালীয়ে পালন কৰিছিল। শংকৰ বৰদলৈ আছিল তেওঁলোকৰ গাঁৱৰ এজন সৰবৰাহী আৰু সমাজ-সেৱক। তেওঁক ভাল নোপোৱা ব্যক্তি খুউব কমেইহে আছিল। কিন্তু ভগৱানে বিশিষ্ট লোকসকলকহে আগতে নিব দেখে। এবাৰ স্থানীয় সঙ্গীত বিদ্যালয় এখনৰ প্ৰতিষ্ঠা দিৱসত তেখেতে সভাপতিত্ব কৰিছিল। কিন্তু ভাষণ দি থাকোঁতেই হঠাৎ হৃদপিণ্ডৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুৰ মুখত পৰে। সেইয়া আছিল পাঁচ বছৰৰ আগৰ কথা। ঝৰ্ণাই সেই বছৰ বি. এ. আৰু একমাত্ৰ ভায়েক সাগৰে পি, ডি পাছ কৰিছিল। আৰু ভনীয়েক জোনালী ক্লাচ ছিক্সত আছিল। সাগৰে তেতিয়াই যি পঢ়া এৰিলেই আৰু পঢ়াৰ নাম নুলিয়ালে! পঢ়াৰ কথা উলিয়ালে সি মাথোন কয়, "পঢ়ি আৰু কি কৰিবি। যিমান পঢ়িলো সিমানেই মোৰ বাবে যথেষ্ট। আগতেই তইতক দিব পাৰিলেই মোৰ বাবে কোনো চিন্তা নাই।" ভনীয়েক জোনালীয়ে সাগৰক ধেমালিৰ সুৰত ক'লে—"আমাৰ ঘৰত এজনী বৌৰ বৰ প্ৰয়োজন হৈছে সাগৰদা।" সি ক'লে—"ই এইজনীৰ কথা শুন আকৌ।" সাগৰে কোনোমতে অফিচ এটাত মূৰ সোমাই আছে। তলে তলে বায়েকৰ বিয়াৰ যো-জা কৰিবলৈ ধৰিলে।

অৱশেষত সাগৰহঁতৰ মামাক সমীৰণ বৰুৱাৰ বন্ধু অনন্তদ্বীপ চলিহাৰ লগত ঝৰ্ণাৰ বিয়া ঠিক হ'ল। সমীৰণ বৰুৱা আৰু অঙ্কুৰ তালুকদাৰ আহিছিল ঝৰ্ণাহঁতৰ ঘৰলৈ। সমীৰণ বৰুৱা ইলেকট্ৰিকেল ইঞ্জিনিয়াৰ আৰু তেওঁৰ বন্ধু অঙ্কুৰ তালুকদাৰ চাপ্লাই ইন্সপেক্টৰ্। তেওঁলোক দুয়োজন থাকে ডিগবইত। শেষত মোমায়েক বৰদলৈয়ে মাকক ক'লে—"বুজিছ বাইদেউ, অনন্তৰ লগত ঝৰ্ণাই একো অসুবিধা নেপায়।" ঝৰ্ণায়ো কোনো অপত্তি নকৰাকৈ বিয়াত সন্মতি জনালে যাতে মাকৰ মনত কিছু আনন্দ সঞ্চাৰ হয়। এদিন ঘৰৰ সকলোকে কন্দুৱাই মূৰত দীঘল ওৰণি লৈ এঘৰৰ বোৱাৰী হ'ল। সেয়া তিনি বছৰৰ আগৰ কথা। ঝৰ্ণাৰ মনত প্ৰতিটো কথা, প্ৰতিটো ঘটনা এতিয়াও স্পষ্ট হৈ আছে—'ব্যস্ত নগৰী গুৱাহাটীৰপৰা খিলং পালোহি। খিলঙৰ মনোমোহা সৌন্দৰ্য্যই কিছু পৰিমাণে মোক মুগ্ধ কৰিছিল; কিন্তু স্বামীৰ উদাসীনতাই মোক ভাবিবলৈ বাধ্য কৰালে। মাৰ আগত মামাই কোৱা কথাবোৰ মোৰ বেছি স্পষ্ট হৈ পৰিল। মদ, ক্লাবৰ এক গ্লেমাৰ জীৱন আৰম্ভ কৰিলে অনন্তদ্বীপে। ৰাতি ক্লাবত গৈ পৰনাৰীৰ লগত আড্ডা জমায়, বলডান্স মাৰে। তেওঁক বুজাবলৈ চেষ্টা কৰিলে কয়—মই হেনো এপাহ বোকাত ফুলা পদুমফুল। এদিন ওচৰচুবুৰীয়া এঘৰ মানুহৰ ঘৰলৈ যাওঁতে অনন্ত-দ্বীপৰ কীৰ্তিকলাপৰ বিষয়ে মোক ক'লে। মোৰ শহুৰ,

ননদ কোনো নাছিল; থকাহেঁতেন নিশ্চয় কিবা কৰিব পাৰিলোহেঁতেন। সেয়ে মই মোৰ ভাগ্যক ধিয়াই থাকিলো। দিনৰ ভাগত কেতিয়াবা জোনালীলৈ চিঠি লিখো। কেতিয়াবা উদাসভাৱে ৰাস্তালৈ চাই থাকো। কেতিয়াবা দূৰৰ বৰফৰ পৰ্বতলৈ চাই থাকো। ৰাতি হ'লে নিৰৰে চকুলো টোকো। ঘৰলৈ বৰকৈ মনত পৰে। ঘৰলৈ বিয়াৰ পিছত মাত্ৰ এবাৰহে গৈছিলো। ওচৰচুবুৰীয়াৰ নিন্দা মিহলি বাক্যই মোক শেলৰ দৰে বিন্ধিছিল।'

এদিন অনন্তদ্বীপে সামান্য কথাতে ঝৰ্ণাক ঘৰৰপৰা ওলাই যাবলৈ ক'লে। ঝৰ্ণাৰ বাকৰুদ্ধ হোৱাৰ উপক্ৰম হৈছিল। তথাপি তাই ধৈৰ্য্য হেৰুওৱা নাছিল। তাই তেতিয়া অনন্তক সুধিলে—'কিয় মোৰ জীৱনটো ধ্বংস কৰিলে? মোৰ নিচিনা হাজাৰজনী ভাল ঝৰ্ণা পালেহেঁতেন। দিয়ক! দিয়ক মোৰ কথাৰ উত্তৰ।' অনন্তদ্বীপে বহু সময় ভাবি ক'লে—'শুনা তোমাক মই স্বইচ্ছাৰে বিয়া কৰোৱা নাই। তোমাক বিয়া কৰাবলৈ মোক বাধ্য কৰাইছে সমীৰণ বৰুৱাই।'

কি?

ঝৰ্ণাই আচৰিত হৈ চিঞৰি উঠিল আৰু ক'লে—'নহয়, নহয় মামা তেনেকুৱা নহয়'। অনন্তদ্বীপ চিঞৰি উঠিল আৰু ক'লে—'হয়নে নহয় মামাৰক তুমি সুধি চাব লাগিছিল। আৰু শুনা তুমি মোৰ বিষয়ে যা শুনিছা সেয়া মিছা নহয়।' ঝৰ্ণাই আৰু একো নুশুনিলে, থক্ থক্কৈ কঁপিবলৈ ধৰিলে। কঁপি কঁপিয়েই ঝৰ্ণাই ক'লে—"আপোনাৰ এই সুন্দৰ শৰীৰটোৰ ভিতৰত যে এটা কুৎসিত মন সোমাই আছিল তাক এতিয়াহে জানিলো। তাইৰ মুখমণ্ডলত আক্ৰোশৰ ৰেখাডাল প্ৰকট হৈ উঠিল।

ছিঃ ছিঃ গিৰিয়েকে কৰা পাপৰ নিজমুখে দিয়া স্বীকাৰোক্তি!

বাইদেউ!! হঠাৎ সাগৰৰ মাতত ঝৰ্ণাৰ ভাবৰ তন্ময়তা ভাগিল। দেখিলে পিছফালে ভায়েক সাগৰ থিয় হৈ আছে।

'কি হ''ল সাগৰ,' ঝৰ্ণাই সুধিলে—'কাইলৈ মাঘবিহু। এইবাৰ মেজি আমি ডাঙৰকৈ জ্বলাম দেই।'

পিছদিনা ৰাতিপুৱা গা-পা ধুই সাগৰে মেজিত জুই লগাই দিলে।

জুইয়ে দশোদিশ পোহৰাই তুলিলে। ঝৰ্ণাই জুইৰ পোহৰত মাত্ৰ এখন মুখেই দেখিলে। মুখখন অনন্তদ্বীপৰ।

'Music is the universal language of mankind' —Longfellow

# ধৰ্ম এটা বিতৰ্কিত বিষয়—হয়নে ?

**বিশ্বজিত মণ্ডল**
স্নাতক দ্বিতীয় বৰ্ষ, ( কলা )

আধুনিক বিজ্ঞানৰ এই জগতত যদি কোনোবাই ক'ব বিচাৰে যে ধৰ্ম এটা বিতৰ্কিত বিষয়, ক'বলৈ আৰু কিবা থাকিব জানো ? কথাটো অলপ মন দি ভাবিলেই গম পোৱা যাব যে, কেনেকৈ ক'ব নোৱাৰা বহুত দিনৰ আগৰ পৰাই এই অতি আধুনিক কালতো ধৰ্ম বিৰাজমান। ধৰ্ম-আছে কিন্তু বহুতে ক'ব খোজে, 'ধৰ্ম ? নাই, ধৰ্ম বুলি কোনো বস্তুৱেই নাই পৃথিৱীত'। কোনোবাই কয়—ধৰ্ম নাথাকিলে, ঈশ্বৰ নাথাকিলে, জগতখননো কেনেকৈ চলি আছে ? আকৌ কোনোবাই কয়—ধৰ্মৰ আফিং খাই সমাজখন্ গ'ল ! আৰু দেখোঁ, এঠাইত যেতিয়া ধৰ্ম মহাসভা অনুষ্ঠিত হৈছে ধৰ্মৰ মহত্ব বুজাবৰ বাবে, আনফালে কোনো ধৰ্মগুৰুৱে ধৰ্মৰ দোহাই দি আহ্বান কৰিলে—'যুদ্ধ কৰিব লাগিব, বিপ্লৱ কৰিব লাগিব।' মৰামৰি, কটাকটি, ৰক্তপাত হ'ল ; আকৌ প্ৰচাৰ কৰিলে শান্তিৰ বাণী ! কোনোবাই ক'ব বিচাৰে ধৰ্মই হৈছে শোষণৰ এপাত প্ৰধান অস্ত্ৰ। ধৰ্ম নাথাকিলে শোষণ কৰিব কেনেকৈ ? ধৰ্মৰ নামত কোনোবাই কৰিছে দান-ধ্যান, কোনোবাই ধৰ্মৰ নাম শুনিয়েই মুখ ঘূৰাই ক'লে—'back-dated'। গতিকে দেখা গৈছে, বৰ্তমান কালত এইটো এটা অতি বিতৰ্কিত বিষয়। কিন্তু সঁচাকৈয়ে ধৰ্ম এটা বিতৰ্কিত বিষয়নে ? অলপ চাওঁচোন !

যাক লৈ ইমান বিতৰ্ক সেই 'ধৰ্ম' বস্তুটোনো কি—গীতাত আছে, যেনাত্মনস্তমানেষাৎ জীৱনং বৰ্দ্ধনঞ্চাণি ধ্ৰিয়তে সঃ ধৰ্ম। ধৰ্মৰ মুল অৰ্থটো আহিছে ধৃ-ধাতুৰপৰা। আৰু এই ধৃ-ধাতুৰ অৰ্থ হ'ল ধাৰণ কৰা, পালন কৰা, পোষণ কৰা। কিন্তু কাক ধাৰণ কৰিম, পালন কৰিম, পোষণ কৰিম ? সত্তা বা existenceঅক। তাৰ মানে যি নীতি বিধানৰ মাজেদি আমাৰ সত্তাক পালন কৰোঁ, ধাৰণ কৰোঁ, পোষণ কৰোঁ তাকেই কয় ধৰ্ম। শ্ৰীশ্ৰীঠাকুৰ অনুকূলে কম কথাত ধুনীয়াকৈ ক'লে, 'জীয়াই থাকিবলৈ নৰৰ যি যি লাগে তাক লৈহে ধৰ্ম জাগে।' আৰু সহজভাৱে যুগপোযোগীকৈ তেওঁ ক'লে—"আমাৰ জীয়াই থকা আৰু বাঢ়ি উঠাটো যদি এনেকৈ অগ্ৰসৰ হয়, যাৰ মাজেদি আনৰ জীয়াই থকা আৰু বাঢ়ি উঠাত পৰিপুষ্টি লাভ কৰে তেন্তে তাতেই ধৰ্ম বজায় থাকে।" তেন্তে জীয়াই থকাৰ বা আমাৰ existenceৰ being আৰু becomingৰ ( অস্তিবৃদ্ধি ) কাৰণে আমি যি নীতি বিধি পালন কৰোঁ তাকেই ধৰ্ম বুলি কোৱা হৈছে। আৰু এই অস্তিবৃদ্ধি ( being and becoming) অকল নিজৰ হ'লেই নহ'ব। আমাৰ পাৰিপাৰ্শ্বিকক লগত লৈ যেতিয়া আমি জীয়াই থাকিবলৈ অগ্ৰসৰ হ'ম তেতিয়াহে ধৰ্ম বজায় থাকিব। এতেকে জীয়াই থকাটো আৰু বাঢ়ি উঠাটো যদি প্ৰাণী মাত্ৰৰেই প্ৰথম আৰু প্ৰধান ধৰ্ম হয়, তেন্তে 'ধৰ্ম নাই'—কথাটো যুক্তিসংগতনে ? সকলোকে লৈ জীয়াই থকাৰ যি পন্থা,

সেয়েই যদি ধৰ্ম হয়, তেন্তে ইয়াক লৈ বিতৰ্ক হ'ব পাৰেনে? তেনেহ'লে ধৰ্ম এটা সত্য কথা আৰু সত্য কথালৈ বিতৰ্ক হয় জানো? আমি এতিয়ালৈকে জীয়াই আছো—এইটো এটা উৎকৃষ্ট প্ৰমাণ যে ধৰ্ম আছে। আফিংএ মানুহক জীয়াই ৰাখিব নোৱাৰে, মাৰিহে পেলায়।

আমি ধৰ্ম সম্বন্ধে মনেগঢ়া এটা যুক্তি দাঙি ধৰিলেই ই ধৰ্ম হৈ নাযায়। তিনি চাৰিদিন একেলগে নাম-গান গাই থাকিলেই মূৰত জটা, মুখত গাঁজাৰ গোন্ধ, গাত ছাই-ভস্ম সানি ঘূৰি ফুৰিলেই; বছৰে বছৰে লাখ লাখ টকা খৰচ কৰি দুৰ্গা পূজা, কালীপূজা কৰিলেই, শাস্ত্ৰৰ কিতাপ তিনি চাৰিখনমান মুখস্থ কৰি য'তে ত'তে শাস্ত্ৰৰ ব্যাখ্যা কৰি শাস্ত্ৰজ্ঞ বুলি পাণ্ডিত্যাভিমান থাকিলেই ধৰ্ম হৈ নাযায়। এইবিলাক অনুষ্ঠানমাত্ৰ। "বাট বিচাৰি কাল হেৰালি অনুষ্ঠানৰ মহৰাত, অনুষ্ঠানহে পাই বহিল পোৱা তোৰ গ'ল গোল্লাত।" (শ্ৰীশ্ৰীঠাকুৰ অনুকূল চন্দ্ৰ) আমি অকল অনুষ্ঠানতহে মত্ত হৈ আছো, সাৰ বস্তু পেলাই দি। সেই কাৰণেই আমি দেখোঁ যে আমি অসুৰদলনীক পূজা কৰি, অসুৰ আৰু নিজৰ যি আসুৰিক প্ৰকৃতি তাক দমন নকৰি, একোটাকৈ অসুৰ হৈ ভাবিছো। সেয়েহে নজৰুলে গালে "খৰেৰ প্ৰতিমা পূজিস ৰে তোৰা, মাকে তো তোৰা পূজিস নে···। বছৰ বছৰ মাতৃ পূজাৰ কৰে যাস অভিনয়।" দুৰ্গা পূজা পাতিলে। পেণ্ডেল, লাইট, ডেকোৰেচন, মূৰ্ত্তি—খুব ধুমধাম্ হ'ল। বিসৰ্জনৰ দিনা—'আমাৰ গাড়ী আগত যাব—কিয়নো আমাৰ সকলোতকৈ পুৰণি পূজা।' 'নহয়—আমাৰ গাড়ী আগত যাব—কিয়নো আমাৰ পূজা সকলোতকৈ ধুনীয়া হৈছে···।' লাগিল গণ্ডগোল, মাৰপিট, তেজ! অথচ উদ্দেশ্যটো আছিল দেৱীৰ আৰাধনা আৰু বিসৰ্জন, কিন্তু শেষত অনুষ্ঠানটোহে ডাঙৰ হ'ল। দুৰ্গাপূজা বাঢ়ি গৈ আছে, লগে লগে সমান গতিত বাঢ়িছে নাৰী নিৰ্যাতন, ধৰ্ষণ আদিৰ দৰে সামাজিক অন্যায়! তেনেহ'লে সাৰ্থকতা ক'ত! ভগৱান যীশুৱে কেতিয়াও কোৱা নাই—কাগজত পুণ্য ভৰাই পইচাৰ বিনিময়ত তাক বিক্ৰি কৰা, যি পন্থা তাৰ বিৰুদ্ধে গ'লে তাক জলাই মাৰা। মহম্মদে কোৱা নাই হিন্দুক মাৰা, হিন্দু ধৰ্মতো কোৱা নাই—মুছলমানক মাৰা।

তেন্তে ধৰ্মৰ নামত ইমান বিৰোধ কিয়? কাৰণ মানুহৰ বৃত্তি-প্ৰবৃত্তি। বৃত্তি-প্ৰবৃত্তিৰ তালত নাচি থকা মুখাপিন্ধা ধাৰ্মিকসকলৰ স্বাৰ্থপৰায়ণতাৰ ফলতেই এই বিৰোধ। গতিকে এই বৃত্তি-প্ৰবৃত্তিৰ তালত নাচি নেথাকি বৃত্তি-প্ৰবৃত্তিক নচাবৰ শক্তি অৰ্জন কৰিব লাগে। ধৰ্মানুশীলনৰ মাজেদি বৃত্তি-প্ৰবৃত্তিক সংহত কৰিব লাগে।

আমি যাকে তাকে ধৰ্মগুৰু বুলি মানি ল'লেই তেওঁ ধৰ্মগুৰু হৈ নাযায়। যি জন প্ৰকৃত ধৰ্মগুৰু তেওঁ কেতিয়াওঁ existenceক ধ্বংস কৰাৰ কথা নকয়, কেতিয়াও মানুহৰ মাজত বিভেদ সৃষ্টি নকৰে, কেতিয়াও নকয়, এজন আনজনৰ শত্ৰু। ইংৰাজ নাট্যকাৰ, পাশ্চাত্য মনিষী George Bernard Shawই কৈছে, "what I mean by a religious person is one who conceives himself ro herself to be the insrument of some purpose in the universe, which is high purpose, and is the motive power of evolution—that is of a continual ascent in organisation and power and life, and extention of life" ধৰ্মানুশীলনে মনক বিস্তাৰিত কৰে। আৰু য'ত মন সংকীৰ্ণ হৈ পৰে অথচ কোৱা হয় যে অকল ধৰ্মানুশীলন। ই কেতিয়াও ধৰ্ম হ'ব নোৱাৰে। তেতিয়াহে ধৰ্ম আফিং হয়, নহ'লে ই অমৃত।

ধৰ্ম কেতিয়াও বহু হ'ব নোৱাৰে। ধৰ্ম একেটাই। এইটো হিন্দু ধৰ্ম, এইটো মুছলমান ধৰ্ম, এইটো খৃষ্টান—এইবিলাক বিভাগ আমি মানুহে কৰিছো, অৱতাৰসকলে নহয়। কিন্তু দুৰ্ভাগ্য, সেই প্ৰকৃত মানৱ প্ৰেমিক ঈশ্বৰৰ অৱতাৰবিলাকক, কিবা এটা হ'লেই আমি তেওঁবিলাকক প্ৰথমেই দোষ দিওঁ। শ্ৰীশ্ৰীমাধৱদেৱে কৈছে—"অনাদি অনন্ত এক ঈশ্বৰ পৰম, জগততে দ্বিতীয় নাহিকে যাক সম"। যীশুখৃষ্টইয়ে ক'লে "I and my father are one" কোৰাণ-ছৰিফতো সেই একেই বেদবাণী শুনা যায় "আমি তেওঁৰ ৰছুলবিলাকৰ মাজত কাকো পাৰ্থক্য নকৰো।" শ্ৰীশ্ৰীৰাম-


কৃষ্ণ দেৱে কৈছে "যে ৰাম সেই কৃষ্ণ, ইদানীং এই দেহে ৰামকৃষ্ণ।" ইংৰাজ নাট্যকাৰ George Bernard Shaw-ইও এই কথাকেই স্বীকাৰ কৰিছে "There is only one religion though there are huudred versions of it." সকলো অৱতাৰৰ মুল এজন ঈশ্বৰেই। গতিকেই ধৰ্মও এটাই। "ধৰ্ম কেতিয়াও বহুত হ'ব নোৱাৰে, ধৰ্ম এটাই আৰু তাৰ কোনো প্ৰকাৰ নাই। মত বহুত হব পাৰে, সেই বুলি ধৰ্ম কেতিয়াও বহুত হ'ব নোৱাৰে। ধৰ্ম, হিন্দু ধৰ্ম, মুছলমান ধৰ্ম, খৃষ্টধৰ্ম, বৌদ্ধ ধৰ্ম ইত্যাদি কথাত কোনো যুক্তিযুক্ততা নাই। সিবিলাক মাথো মত। কোনো মতৰ লগত আন মতৰ প্ৰকৃততে কোনো বিৰোধ নাই।" (শ্ৰীশ্ৰীঠাকুৰ অনুকূল চন্দ্ৰ)

আপুনি নিশ্চয় ভাবিছে, 'ঈশ্বৰ যদি আছেই, কোনোবাই ঈশ্বৰক দেখুৱাব পাৰিবনে ? সকলো মিছা—।' কিন্তু আপুনিটো জীৱাই আছে। আপোনাক যদি কোনোবাই সোধে, আপোনাৰ প্ৰাণটো অলপ দেখুৱাই দিয়কচোন। আপুনি তেতিয়া নিশ্চয় ক'ব 'মই এতিয়া জীয়াই আছো। গতিকে মই কেনেকৈ প্ৰাণটো দেখুৱাম ? কিন্তু কথা হ'ল কোনোবা যদি মৰিও যায়, তেতিয়ানো কেনেকৈ দেখুৱাব ! মানুহজনৰ মৃত্যু হ'ল, প্ৰাণটো নাই, দেহটো পৰি আছে। ঈশ্বৰো তেনেকুৱাই। আমি মাত্ৰ অনুভৱ কৰিব পাৰোঁ। বতাহ জানো দেখা যায় ? অথচ বতাহৰ অনুভৱ কৰিব পাৰোঁ। গতিকে ঈশ্বৰক জানিবলৈ হ'লে আপুনি কিবা কৰিব লাগিব, যেনে—চিন্তা, স্মৰণ, মনন। প্ৰখ্যাত দাৰ্শনিক ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে কোৱা মতে "Man can not know God, unless he comes into contact with him in a personal encounter as an object of worship." মহাবিজ্ঞানী Einsteinৰেও উপলব্ধি কৰি গ'ল—"The cosmic religious experience is the strongest and the noblest main spring of scientific research. My religion consists of a humble admiration of illumitable superior spirit, who reveals himself in the slight details. We are able to perceive with our frail and feeble mind. That deeply emotional conviction of the presence of a superior reasoning power which is revealed in the incomprehensive universe, forms my idea of God."

এই ধৰ্ম মানিবলৈ যাওঁতে পাহাৰে-ভৈয়ামে, দিহিঙে-দিপাঙে ঘূৰি ফুৰিব নেলাগে। জটাধাৰী হৈ সন্ন্যাসী হ'ব নেলাগে। "আদৰ্শত মন সম্যক প্ৰকাৰে ন্যস্ত থকাৰ নাম সন্ন্যাস।" আদৰ্শত মনটোক সম্যক প্ৰকাৰে ন্যস্ত ৰাখিবলৈ যাওঁতে জঙ্গলত যোৱাৰ নিশ্চয় কোনো প্ৰয়োজন নাই। কাৰণ যি আদৰ্শ মানুহৰ কোনো কামতে নেলাগে, সেই আদৰ্শ লৈ আমি কি কৰিম ? ধৰ্ম, ঈশ্বৰ মানুহৰ বাবেই। মানুহক বাদদি এইবিলাকৰ সাৰ্থকতা ক'ত ? "আমাকে বসে বসে ৰাখিস্ মা, আমাকে শুকনো সন্ন্যাসী কৰিস নে।" এই আছিল শ্ৰীশ্ৰী ৰামকৃষ্ণ দেৱৰ প্ৰাৰ্থনা।

গতিকে ধৰ্ম বুলি, ঈশ্বৰ বুলি একো বস্তু নাই, এইবিলাক কথা ঠিক 'আঙুৰ ফল টেঙা' যেনহে শুনি। ধৰ্মৰ প্ৰয়োজনীয়তা আছে। আমাৰ জীয়াই থকাৰ প্ৰয়োজনীয়তা যিমান দিন থাকিব, সিমান দিন ধৰ্মও থাকিব। ৰাজনীতি, সমাজনীতি, বিজ্ঞান ইত্যাদি—যিয়েই আমাৰ জীয়াই থকাৰ সহায়ক, সেই আটাইবোৰেই ধৰ্মৰ ভিতৰত পৰে।

কোনোবাই ক'ব পাৰে, এই ধৰ্ম কৰিবলৈ যাওঁতে আকৌ গুৰুৰ কি প্ৰয়োজন ? আমি নিজে নিজেই ধৰ্ম কৰিব বা মানিব পাৰোঁ। প্ৰকৃততে গুৰু বা সদ্গুৰু বা যুগগুৰু হৈছে—ধৰ্মৰ মূৰ্ত্ত প্ৰতীক। আৰু তেৱেঁই হ'ল সৰ্ব্ব-পৰিপূৰক। কিয়নো যুগগুৰুৱে প্ৰত্যেকৰে স্ববৈশিষ্ট্য পূৰণ কৰিব বিচাৰে। আমি Universal brother hood বুলি চিঞৰি আছোঁ। কিন্তু Universal father-hood নেথাকিলে, brother-hood নো কেনেকৈ হ'ব ? সৰ্ব্বপৰিপূৰক আদৰ্শ এটাই এই father-hood হ'ব পাৰে। আৰু এই আদৰ্শ একমাত্ৰ ধৰ্মতেই সম্ভৱ।




মূল হিন্দী—শ্ৰীৰা. শ্যামসুন্দৰ
অনুবাদ—শ্ৰীমতী দীপ্তি কৌৰ
১ম বাৰ্ষিক, স্নাতক

"এই ফাইলখনৰ ভিতৰত এখন আৱশ্যক চিঠি আছে। সেইখন চাই এতিয়াই উত্তৰটো দিব দেই," বুলি কৈ ৰবিজিতে এটা ফাইল মোৰ ফালে আগবঢ়াই দিলে আৰু নিজৰ ঠাইত গৈ বহি পৰিল।

মই ফাইলখন খুলি চাই দেখিলো, তাত ধুনীয়া আখৰেৰে লিখা এখন চিঠি আছে। লিখনিখিনি অতি সুন্দৰ আছিল। তলত ৰবিজিতৰ নাম আছিল। মই কম্পিত হৃদয়েৰে চিঠিখন পঢ়িলো ঃ

মৰমৰ দিব্যা,

তুমি অহাৰ আগতে মোৰ জীৱনত শান্তি আছিল, তৃপ্তি আছিল আৰু আছিল সন্তোষ। মই ভাবিছিলো, মোৰ জীৱনটো ছাগে এনেদৰে শান্তিপূৰ্ণভাৱেই কাটি যাব। কিন্তু জানা, যেতিয়াই মই তোমাক দেখা পালো, তেতিয়াৰ-পৰাই দেখোন মোৰ মনটো অশান্ত হৈ পৰিছে; আৰু অনুভৱ কৰিছো সকলো পায়ো যেন মই কিবা এটা পোৱা নাই। এনেকুৱা লাগিছে যেন আজিলৈকে মই এনেকুৱা এগৰাকী ব্যক্তিৰ সহচৰ্য্য আৰু সম্পৰ্কৰপৰা বঞ্চিত হৈ আছিলো, যিজনে মোৰ মনটো সুখী কৰিব পাৰে। এই কেইদিন তুমি মোৰ সপোনত, মোৰ অন্তৰত থাকিবলৈ লৈছা আৰু কি জানা, মই সদায় তোমাৰ কথাকে ভাবি থাকো। তুমি বাৰু মোৰ জীৱনলৈ আহিবলৈ ভাল পাবানে ?

তোমাৰ উত্তৰৰ অপেক্ষাত—

তোমাৰেই

ৰবিজিৎ।

মোৰ আঙুলিবোৰ যেন অৱশ হৈ পৰিল, হৃদয়খন জোৰেৰে কঁপিবলৈ ধৰিলে। মই নিৰীহভাৱেৰে ৰবিজিতলৈ চালো, সি মোৰ ফালে একেথৰে চাই আছিল। চকুৰে চকুৰে পৰাত লাহেকৈ হাঁহি দিলে। মই কিন্তু অস্থিৰ হৈ পৰিলোঁ, —হৃদয়খন কঁপিবলৈ ধৰিলে। এনেকুৱা লাগিছিল যেন তাৰ আগত গৈ চিঠিখন টুকুৰা টুকুৰকৈ ফালি দিওঁ। কিন্তু মই তেনেকুৱা কৰিব নোৱাৰিলো আৰু লাহেকৈ বহি পৰিলো।

মই বৰ্তমান যি কাৰখানাত কাম কৰো ৰবিজিতো সেই কাৰখানাৰে মেনেজাৰ আছিল। তাৰ দেহৰ বৰণ মিঠা বৰণীয়া আৰু চকু দুটা আছিল খুব উজ্জ্বল। দীঘল, ক'লা চুলিখিনিয়ে তাৰ কাণ দুখন ঢাকি ৰাখিছিল। তাৰ ৰূপৰ ফ্ৰেমৰ চশ্‌মা যোৰে তাৰ সৌন্দৰ্য্য অধিক আকৰ্ষণীয় কৰি তুলিছিল। সি এই কাৰখানাৰে মেনেজাৰ হোৱা বাবে তাৰ লগত প্ৰায়ে মোৰ দেখা সাক্ষাৎ হৈছিল।

এদিন সি মোক তাৰ চিঠিখনৰ উত্তৰ বিচাৰিছিল। সি মোক সুধিছিল, "আপুনি মোৰ চিঠিৰ উত্তৰ নিদিলে ?"

"সকলো প্ৰশ্নৰ উত্তৰ নেথাকে। কিছুমান এনেকুৱা সমস্যাও আছে যাৰ কোনো সমাধান নহয়।"

"এনেকুৱা কোনো সমস্যা নাই, যাৰ সমাধান নাই; এনেকুৱা কোনো প্ৰশ্ন নাই, যাৰ কোনো উত্তৰ নাই।"

"মোৰ মা-দেউতা পুৰাতন ধৰ্মী। তেওঁলোকৰ বিচাৰ বিবেচনাও অতি পুৰণি ধৰণৰ।"

"মই আপোনাৰ সমাজত নহয়, আপোনাৰ মনত স্থান বিচাৰিছোঁ।"

মই তাৰ কথাৰ কোনো উত্তৰ নিদি মনে মনে থাকি শাৰীখন আঙুলিৰে ভাঁজ কৰিব ধৰিলো।

"আপোনাৰ মনত কোনো বেলেগ ব্যক্তিৰ স্থান নাইতো ?"

"নহয়, এনেকুৱা কোনো কথা নহয়।"

"তেনেহ'লে ?"

"মই আপোনাক কেনেকৈ বুজাওঁ ?"

"বলক ক'ৰবাত গৈ অলপ চাহ খাই লওঁ।" ৰবিজিতে ক'লে। আমি দুয়ো গৈ এখন ৰেষ্টোৰাত বহিলো। "চশমা কেতিয়াৰপৰা পিন্ধিছে ?" মই এনেয়ে তাক সুধিলো।

"প্ৰায় চাৰিবছৰ মান হৈছে। মই তেতিয়া কলেজত। আমি ছাত্ৰ কেইজনমানে বাজি মাৰিছিলো, কোনে আটাইতকৈ বেছি সময় একেৰাহে সূৰ্য্যটোলৈ চাই থাকিব পাৰিব।"

"সূৰ্য্যটোলৈ ?" মই আচৰিত হৈ সুধিলো।

"অ, আৰু মজাৰ কথা এই যে প্ৰত্যেকবাৰেই মই জিকিছিলো। কিন্তু তাৰ ফল মই কি পালো জানে ? এই চশ্‌মা।"

"সেই কাৰণে কৈছো, সত্য সদায় তেজোদীপ্ত সূৰ্য্যৰ দৰেই হয়। তাক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি।"

"আপোনাৰ কথাৰ অৰ্থ হৈছে যে ইয়াত নিশ্চয় কোনো কঠোৰ সত্য লুকাই আছে।"

"হয়। মোৰ সোঁৰৰণীত 'মঙ্গল দোষ, আছে; আৰু মঙ্গল দোষৰ অৰ্থ কি জানে ?"

"ওহোঁ, মই নেজানো"

"তেনেহ'লে শুনক, সোঁৰৰণীত 'মঙ্গল দোষ' থকাজনৰ লগত, যিজনৰ বিয়া হয় তেওঁৰ অকাল মৃত্যু হয়।"

"আৰু মই যদি আপোনাৰ বাবে মৃত্যুক আঁকোৱালি লোৱাৰ সুবিধা পাওঁ !"

"এনেকৈ নক'ব" বুলি লগে লগে মই প্ৰতিবাদ কৰি উঠিলো। ক'ব নোৱাৰাকৈয়ে মোৰ মনটো ৰবিজিতৰ কথাত হাহাকাৰ কৰি উঠিছিল। এন্ধাৰ নামি আহিছিল। ৰেষ্টোৰাঁৰ লাইটবোৰ জ্বলি উঠিছিল। ৰবিজিতে লাহেকৈ মোৰ হাতখনত ধৰিলে। লগে লগে মই ৰোমাঞ্চিত হৈ উঠিলো। লাহেকৈ হাতখন আঁতৰাই মই ক'লো,—"বহুত সময় হৈ গ'ল। এতিয়া যাওঁ।"

ৰবিজিতে বিল দি বাহিৰলৈ ওলাই আহিল। "তুমি মোৰ প্ৰশ্নৰ উত্তৰ নিদিলা ?" লাহে লাহে ৰবিজিতে মোক 'তুমি' বুলি সম্বোধন কৰিবলৈ আৰম্ভ কৰিলে।

"মাক অলপ সময় দিয়া"।

মই যেতিয়া ৰবিজিতৰপৰা বিদায় লৈ ঘৰ পাওঁহি

তেতিয়া ৰাতি নটা বাজিছে। মই ভাবিছিলো, দেউতাই কিজানি থং কৰিব। কিন্তু যেতিয়া মই ঘৰ পাওঁ, তেতিয়া দেখিলো, দেউতাই পণ্ডিতৰ লগত বহি মোৰ 'সোঁৰৱণী' মিলাই আছে। মা'ও ওচৰতে বহি আছিল। এতিয়ালৈকে তেওঁলোকে বহুত ল'ৰা চালে। কিন্তু দুৰ্ভাগ্য! মোৰ সোঁৰৱণীৰ লগত কাৰোৱেই সোঁৰৱণী নিমিলে। অৰ্থাৎ তেওঁলোকে এনেকুৱা সোঁৰৱণী বিচাৰিছে—যাৰ সোঁৰৱণীও মোৰ দৰেই মঙ্গল দোষ থাকে। তেতিয়া মোৰ গ্ৰহযোগৰ কাৰণে তেওঁৰ কোনো অমঙ্গল নহয়।

মই কিন্তু বহুত প্ৰসন্ন চিত্তে বিছনাত বাগৰ দিলো। ৰবিজিতৰ কথাবোৰ ভাবি মোৰ মন পুলকিত হৈ উঠিল। এনেকুৱা লাগিছিল যেন মই বিচাৰি ফুৰা বস্তুটোক পাই গ'লো। কিন্তু হঠাৎ মোৰ মনত এটা প্ৰশ্ন জাগিল। যদি মোৰ মা-দেউতাই কথাটো সহজভাৱে নলয়! নাইবা যদিহে ৰবিজিতৰ মাক-দেউতাকে ধৰ্মপৰিবৰ্তনৰ কথাটোৰ ওপৰত অধিক জোৰ দিয়ে!—মই এনে ধৰণৰ কথাবোৰতে বিলীন হৈ আছিলো। হঠাৎ মাৰ মাত শুনি মই স্তম্ভিত হৈ পৰিলো।

"যদি সেই অভাগিনীৰ সোঁৰৱণী নিমিলে তেতিয়া হ'লে বাদ দিয়া। স্মৃতাৰ যেতিয়া মিলিছে তাইৰে দিহা কৰা।"

"নহয়, নহয়, দিব্যাৰ মা, ডাঙৰজনী থাকোতেই সৰুজনীক বিয়া দিলে সমাজে কি ক'ব! দিব্যাজনীৰ কথা ভাবাচোন! তাইৰ মনত কেনেকুৱা লাগিব।"

"চোৱা, মই কোনো পধ্যেই প্ৰাঞ্জলক এৰিব নোৱাৰো। সি দেখিবলৈও ধুনীয়া, স্বভাৱ-চৰিত্ৰও ভাল। তাইৰ ভাগ্যত আছে যদি বেলেগ ল'ৰা ওলাব।"

"মই এক অজান বেদনাত চটফটাব ধৰিলো। এই কাৰণে নহয় যে মোৰ বাবে চোৱা প্ৰাঞ্জললৈ স্মৃতাৰ বিয়া দিবলৈ লৈছে। কিন্তু এই কথা ভাবি মোৰ বেছি দুখ লাগিল যে মই থাকোতেই মোতকৈ সৰু স্মৃতাক বিয়া দিবলৈ লৈছে! স্মৃতাই কিন্তু প্ৰথমতে বিৰোধিতা কৰিছিল। তাই দৌৰি আহি মোক কৈছিল, "মই এনেকুৱা অন্যায় কেতিয়াও হ'বলৈ নিদিওঁ বাইদেউ, প্ৰাঞ্জলক তোমাৰ বাবে চাইছে, মই কেতিয়াও তাৰ লগত বিয়া নহওঁ।"

মই বহুত কষ্টেৰে তাইক বুজাইছিলো।

বিয়াৰ দিনাখন সকলোকে মই সম্ভাষণ জনাইছিলো। সকলোৱে এটা প্ৰশ্ন কৰিছিল—"ডাঙৰজনী থাকোতে সৰুজনীক কিয় বিয়া দিলে?" মই নিৰুত্তৰ হৈ পৰিছিলো। অন্তৰত জুই জ্বলিছিল, কিন্তু মুখত আছিল হাঁহি। মনে মনে কিন্তু মই ভীষণ আতংকিত হৈ পৰিছিলো,—ৰবিজিতক দেখি যদি মোৰ চকুপানী ওলাই আহে!

এসময়ত ৰবিজিৎ আহিল আৰু তাক মই হাঁহিমুখেই সম্ভাষণ জনালো। সি উপহাৰ দিবলৈ স্মৃতাৰ ওচৰলৈ গ'ল আৰু সুখী দাম্পত্য জীৱন কামনা কৰি যেতিয়া উলটিব ধৰিলে তেতিয়া স্মৃতাই মোক যাব নিদি ক'লেঃ

"বাইদেউ তোমাৰ লগত এখন ফটো তুলি লওঁ।" ৰবিজিতে তেতিয়া আচৰিত হৈ সুধিলে—

"আপুনি দিব্যাৰ ভনীয়েকহে হয় নেকি?"

"হয়, আপোনাক কোৱা নাই নেকি? বাইদেৱে খুউব জোৰ কৰি মোক বিয়াত প্ৰস্তাৱ দিয়ালে, নহ'লে মই……।"

মই আৰু চকুপানী বাধা দি ৰাখিব নোৱাৰিলো, লগে লগে পাছফাললৈ দৌৰ মাৰিলো। ৰবিজিতে বোধহয় মোৰ মনৰ বেদনাৰ আভাস পাইছিল, সি মোৰ পিছে পিছে আহিল আৰু কলে—

"তুমি মোক এই কথাষাৰ আগতে কোৱা নাছিলা কিয়।"

"কি ক'ম? কিমানবাৰ কৈছো মোৰ সোঁৰৱণীত 'মঙ্গল-দোষ' আছে।" এই বুলি কৈ মই কান্দিবলৈ ধৰিলো। ৰবিজিতে মোক সাৱটি ধৰি, মোৰ চুলিত হাত বুলাই ক'লে,—

"মই সেই পুৰণি ধৰণৰ কথাবোৰ বিশ্বাস নকৰো। তুমি যাৰ ঘৰলৈ যাবা তাৰ ভাগ্য ফুলিবহে।" "নহয়…… নহয়, মোৰ ছাঁটোও আপোনাৰ গাত পৰিব নেলাগে।" ইয়াৰ পাছত মই কিবা কোৱাৰ আগতে ৰবিজিতে মোৰ ওঠত আঙুলিৰে হেঁচি বাধা দিলে।

ইয়াৰ কিছুদিনৰ পিছত ৰবিজিতে বিয়াৰ প্ৰস্তাৱ দিয়াৰ

লগে লগে আমাৰ ঘৰত প্ৰবল আপত্তি হ'ব ধৰিলে। মাৰ আপত্তি হ'ল—ৰবিজিৎ খৃষ্টান আছিল। আনহাতে দেউতা আশংকিত হৈছিল মোৰ গ্ৰহযোগে ৰবিজিতক অনিষ্ট কৰে বুলি। ৰবিজিতৰ মাক-দেউতাকৰ মাত্ৰ এইটো আপত্তি আছিল যে বিয়া গীৰ্জাঘৰত নহয়, কোৰ্টত হ'ব।

এই সকলো বাধা-বিঘিনি নেওচি আমি দুয়ো কোৰ্টত বিবাহকাৰ্য্য সম্পন্ন কৰিলো। সেই সময়তে মোৰ ফালৰ-পৰা স্মৃতা আৰু প্ৰাঞ্জল, আৰু ৰবিজিতৰ ফালৰপৰা তাৰ কেইজনমান বন্ধু উপস্থিত আছিল। আমি দুয়ো কোৰ্টত বিবাহ কৰাৰ বাবে নিজ নিজ বংশ পৰিয়ালৰপৰা আঁতৰি পৰিছিলো। তথাপি আমি অত্যন্ত সুখী আছিলো। ৰবিজিতে মোক খুউব মৰম কৰিছিল। সি মোক চাকৰিৰ-পৰা এৰাই দিছিল। ৰবিজিতে বেলেগে এখন ঠাইত আন এটা ভাল চাকৰি পাইছিল আৰু আমি দুয়ো এটা ঘৰ ভাড়া লৈ থাকিবলৈ লৈছিলো। ৰবিজিতে এখন স্কুটাৰো কিনি লৈছিল।

মই সদায় ৰবিজিৎ অহালৈ বাট চাই থাকো। অলপ সন্ধিয়া হ'লেই মোৰ মনত নানা ধৰণৰ চিন্তা হ'বলৈ ধৰে। এইদৰে আমাৰ দিনবোৰ অতি সুন্দৰভাৱেই পাৰ হৈ গৈছিল।

এদিনৰ কথা। মা'ই চিঞৰি চিঞৰি কান্দি-কাটি বাউলী হৈ হঠাৎ মোৰ ওচৰলৈ দৌৰি আহিল। ভয়ত মোৰ অন্তৰাত্মা কঁপি উঠিল। সুধিলো, "কি হ'ল মা?"

মোৰ সকলো গ'ল। স্কুটাৰ আৰু ট্ৰাকৰ দুৰ্ঘটনাত সি শেষ নিশ্বাস লৈ আছে।"

মাৰ কথা শুনি মই থৰ লাগিলো, উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। লগে লগে মাৰ লগত দৌৰি দৌৰি গৈ হস্পিটেল পালোগৈ। তাত ইমাৰজেন্সী ৱাৰ্ডৰ বাহিৰত ৰবিজিতক থিয় হৈ থকা দেখিহে যেন মোৰ উশাহ ঘূৰি আহিল! কিন্তু ভিতৰত কোন আছে, সেইটো সুধিবলৈ মোৰ প্ৰয়োজন নহ'ল। কাৰণ স্মৃতাই নিজৰ মূৰটো দেৱালত খুন্দিয়াই আছে! আৰু ইতিমধ্যে তাইৰ শিৰৰ সেন্দুৰ খিনি মুচি দিয়া হৈছিল!

কাষতে দেউতা স্তম্ভিতভাৱে থিয় হৈ আছিল।

# ডিগবৈ মহাবিদ্যালয় আলোচনীঃ এটি সমীক্ষা

শ্ৰীবানু বৰুৱা
শ্ৰীদীপক ভুঞা
প্ৰাক্ স্নাতক ( বিজ্ঞান ) দ্বিতীয় বাৰ্ষিক

শিক্ষানুষ্ঠানৰ নিৰ্দিষ্ট পাঠ্যক্ৰমৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য-চেতনা জাগ্ৰত কৰিবলৈ প্ৰত্যেক শিক্ষানুষ্ঠানৰে একোখনকৈ মুখপত্ৰ থকা একান্তই বাঞ্চনীয়। ডিগবৈ মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। প্ৰস্তাৱনা সংখ্যা প্ৰকাশ পোৱাৰ প্ৰায় সাত বছৰৰ মূৰত পলমকৈ হলেও ১৯৭৩ চনৰ পৰা বৰ্ত্তমানলৈকে মুঠতে ডিগবৈ মহাবিদ্যালয় আলোচনীৰ পাঁচটি সংখ্যা প্ৰকাশ হোৱা আমি দেখিছোঁ। এই প্ৰবন্ধটিত যোৱা পাঁচটি সংখ্যা আলোচনীৰ অসমীয়া বিভাগটিৰ বিভিন্ন সাহিত্য সম্ভাৰৰ ওপৰত এটি চমু আলোচনা আগবঢ়োৱা হ'ব।

আলোচনীখনলৈ চকু দিলেই প্ৰথমে চকুত পৰে মহাবিদ্যালয় আলোচনীখনৰ বিশেষ এটি নাম নোহোৱাটো। অৱশ্যে বিশেষ নাম এটি থাকিলেই যে আলোচনীখন সৰ্বাঙ্গ সুন্দৰ হ'ব সেই কথা নহয়, তথাপিও ইয়াৰ আনুষঙ্গিক দিশটোলৈ লক্ষ্য ৰাখি আলোচনীখনৰ বিশেষ এটি নাম থাকিলে কিছু শূন্যতা পূৰ্ণ হ'লহেঁতেন। ভৱিষ্যতৰ সম্পাদনা সমিতিয়ে এই দিশটোৰ প্ৰতি দৃষ্টি ৰাখিব বুলিআশা কৰিলোঁ।

সম্পাদকীয় স্তম্ভটো প্ৰত্যেকখন বাতৰি কাকত, আলোচনীৰ বাবে এক বিশেষ গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় অঙ্গ। সম্পাদকীয় স্তম্ভৰ ওপৰতে আলোচনীখনৰ সফলতা-বিফলতা বহু পৰিমাণে নিৰ্ভৰ কৰে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ প্ৰায় দুবছৰৰ মূৰত প্ৰস্তাৱনা সংখ্যাৰূপে ডিগবৈ মহাবিদ্যালয় আলোচনীখনে জন্মলাভ কৰে। আলোচনীখনৰ এই সংখ্যাটোৰ প্ৰতিলিপি আমাৰ হাতত নপৰাত তাৰ ওপৰত আলোচনা আগবঢ়াব পৰা নগ'ল। ১৯৭৩ চনত শ্ৰীডম্বৰু শইকীয়াৰ সম্পাদনাত প্ৰকাশ পোৱা আলোচনীখনৰ সম্পাদকীয়টো অতি দুৰ্বল। তেখেতৰ সম্পাদকীয়ত সেই সংখ্যাৰ আলোচনীখনৰ প্ৰকাশত পলম হোৱাত ক্ষমা বিচাৰি, তেখেতৰ সহকৰ্মীসকলক ধন্যবাদ জ্ঞাপন কৰি, বিভিন্ন বিভাগীয় সম্পাদকৰ প্ৰতি বেদনাসমূহ ছপা কৰিব নোৱাৰা বাবে দুখ প্ৰকাশ কৰিয়েই সম্পাদকীয়ৰ সামৰণি মাৰিছে। গতিকে সম্পাদকীয় বুলিলে আমি যিটো কথা উপলব্ধি কৰোঁ সেই উপলব্ধিৰ ঝংকাৰ এই সম্পাদকীয়ত আমি পোৱা নাই। ১৯৭৫-৭৬ চনত শ্ৰীশিবদাস তালুকদাৰৰ সম্পাদনাত প্ৰকাশ পোৱা সংখ্যৰ আলোচনীৰ সম্পাদকীয়টো যথেষ্ট উন্নত মানৰ হৈছে। তেখেতে টুকুৰা-টুকুৰকৈ দুটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোকপাত কৰি লিখা সম্পাদকীয়টো সঁচাকৈয়ে মনোগ্ৰাহী, গঠনমুলক আৰু তত্বগধুৰ হৈছে। তেখেতৰ বলিষ্ঠ শব্দগাঁথনি, বিষয়বস্তুৰ ভাৰভাষা আৰু বিষয়বস্তুৰ হ্ৰস্বতাই এক মনোগ্ৰাহী সম্পাদকীয় হৈ উঠাত বিশেষভাৱে অৰিহণা যোগাইছে।

আনহাতে ১৯৭৬-৭৭ চনত প্ৰকাশ হোৱা তৃতীয় সংখ্যাৰ সম্পাদক শ্ৰীপ্ৰদীপ ফুকনৰ সম্পাদকীয়টো কেৱল হেম বৰুৱাৰ জীৱন দৰ্শনৰ মাজতেই আৱদ্ধ হৈ থাকিল। ১৯৭৯ চনত শ্ৰীঅজিত কুমাৰ বড়াৰ সম্পাদনাত প্ৰকাশ পোৱা চতুৰ্থ আলোচনীৰ সম্পাদকীয়টো অতি গুৰুত্বপূৰ্ণ আৰু সময়পোযোগী হৈছে। ১৯৮০-৮১ চনত শ্ৰীৰমেশ গগৈৰ সম্পাদনাত প্ৰকাশ পোৱা পঞ্চম সংখ্যা আলোচনীখনৰ সম্পাদকীয়টি বেছ আকৰ্ষণীয় হৈছে। সম্পাদকে তেওঁৰ সম্পাদকীয়ত সাহিত্য-সৃষ্টিত সমসাময়িকতাৰ প্ৰভাৱ আৰু সামাজিক দায়বদ্ধতাৰ ওপৰত এটি চমু অথচ আকৰ্ষণীয় বিষয়বস্তুৰ অৱতাৰণা কৰি সম্পাদকীয়টি সময়োপযোগী ও পাঠযোগ্য কৰি তুলিছে।

প্ৰথম সংখ্যাৰ পৰাই আলোচনীখনত গল্প প্ৰকাশ পাই আহিছে। ডিগবৈ মহাবিদ্যালয় আলোচনীত প্ৰকাশ পোৱা বেছিভাগ গল্পই উচ্চ পৰ্য্যায়ৰ। আলোচনীখনৰ প্ৰথম সংখ্যাত মুঠতে চাৰিটা সুন্দৰ চুটি গল্পৰ সমাবেশ ঘটিছে।

১৯৭৩ চনৰ সংখ্যাত প্ৰকাশিত 'হে যুদ্ধ' শ্ৰীমোহন শৰ্মাৰ এক সাৰ্থক গল্প। যুদ্ধৰ বীভৎসতা, এজন সৈনিকৰ দুখলগা অসম্পূৰ্ণ প্ৰেম, মানসিক অন্তৰ্দ্বন্দ্বৰ পূৰ্ণ প্ৰতিফলন, বিষয়-বস্তুৰ সাৱলীল বৰ্ণনা আদিয়ে গল্পটোৰ পূৰ্ণতা অনাত যথেষ্ট সহায়ক হৈছে। গল্পটোৰ প্ৰকাশভঙ্গী নিঃসন্দেহে উচ্চ পৰ্য্যায়ৰ। দ্বিতীয়টো গল্প শ্ৰীঅৰুণ কুমাৰ শইকীয়াৰ 'দুমুঠি ঢেঁকীয়া আৰু এটা উদিত নক্ষত্ৰ'ত এজন নিবনুৱা যুৱকৰ মনোবেদনা, ধনী-দুখীয়াৰ পাৰ্থক্যৰ চিত্ৰ আদিৰে সমৃদ্ধ এই গল্পটোত নায়ক অবিনাশক বেছি ভাবপ্ৰৱণ হোৱা দেখা গ'ল। এই দীঘলীয়া ভাবপ্ৰৱণতাই পাঠকক বিৰক্তি-বোধ কৰাব যেন লাগে। গল্পটোত শেষৰফালে নাটকীয়তাৰ কিছু প্ৰভাৱ পৰা যেন লাগে। এজন ধনীৰ দুলালে দেউতাকৰ ভণ্ডামিত অসন্তুষ্ট হৈ কিদৰে নিজকে অসৎ পথলৈ নি দেউতাকৰ ওপৰত প্ৰতিশোধ লবলৈ ঠিৰাং কৰিছে তাৰ এক সুন্দৰ বৰ্ণনাৰেপূৰ্ণ শ্ৰীদিলীপ বৰাৰ 'প্ৰতিশোধ' নামৰ গল্পটো সেই সংখ্যাৰ এক উৎকৃষ্ট উপহাৰ। এই সংখ্যাৰে 'অশান্ত-বেদনা' চৈয়দা চুৰেয়া বেগমৰ আন এটি আকৰ্ষণীয় গল্প। অৱশ্যে গল্পটোত আবেগময়ীতাৰ কিছু প্ৰাচুৰ্য্যই দেখা দিছে।

দ্বিতীয় সংখ্যাতো মুঠতে চাৰিটা গল্প প্ৰকাশ পাইছিল। এই সংখ্যাৰ 'অভিশপ্তা' ত্ৰিশঙ্কুৰ এটি কলেজীয়া প্ৰেমৰ গল্প। শেৱালীৰ চৰিত্ৰটোৱে পাঠকৰ মনত সহজে ৰেখাপাত কৰি গৈছে। গল্পকাৰে ব্যৱহাৰ কৰা সহজ সৰল অথচ হৃদয়-স্পৰ্শী শব্দব্যঞ্জনাইও এইক্ষেত্ৰত অনেক সহায় কৰিছে। মহাবিদ্যালয়ৰ মুখপাত্ৰত গল্পকাৰে ছদ্মনামত কিয় লিখিব-লগীয়া হ'ল জনা নগ'ল। 'তেজ' প্ৰথম সংখ্যাৰ সাৰ্থক লিখক শ্ৰীমোহন শৰ্মাৰ আন এটি সুন্দৰ গল্প। গল্পটি নিঃসন্দেহে উচ্চ মানবিশিষ্ট আৰু কিছু অগতানুগতিক যেন লাগিল। এই সংখ্যাতেই প্ৰকাশ পোৱাৰ শ্ৰীবিপিন বৰুৱাৰ 'অৰূপ চলিহাৰ ডায়েৰীৰ টুকুৰা' আৰু কুমাৰী মাধৱী ৰাজকোঁৱৰৰ 'ভগ্নস্বপ্ন' এই দুয়োটাই তুলনামূলকভাৱে সাৰ্থক গল্প।

তৃতীয় সংখ্যাতো চাৰিটা গল্পৰ সমাবেশ ঘটিছে। সহজ অথচ মনোমোহা ভাষাৰে শ্ৰীৰবীন ৰয়ৰ 'চিৰন্তন এই নদী' এই সংখ্যাৰ এটি উৎকৃষ্ট গল্প। ৰুণু গগৈৰ 'প্ৰতীক্ষা' নামৰ গল্পটো যদিও গতানুগতিক প্ৰেমকাহিনীৰ পৰা পৃথক নহয়, তথাপি পাঠকৰ মনত ই সাঁচ বহুৱাই থৈ যায়। গতানুগতিক প্ৰেম কাহিনীৰে পূৰ্ণ। 'কস্তুৰীৰ অশ্ৰু অতনুৰ বাসনা' বন্তিৰেখা বৰগোহাঁঞিৰ এটি সাৰ্থক গল্প। তথাপি শেষৰ নাটকীয় বৰ্ণনাই গল্পটো অধিকতৰ আকৰ্ষণীয় হোৱাত বাধা দিলে। ললিত কোঁৱৰৰ 'আশা জাহ্নবীৰ দুইপাৰ' গল্পটোৰ প্ৰকাশভঙ্গী সম্পূৰ্ণ নতুন নহ'লেও এটি সাধাৰণ ঘটনাৰ আলমত এনেদৰে এটি গল্প উপহাৰ দিয়া বাবে গল্পকাৰ সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ। তথাপি গল্পটোত গাঁৱৰ এজন সাধাৰণ স্কুলৰ শিক্ষক ৰেলৰ প্ৰথম শ্ৰেণীৰ ডবাত বহি অহাটো অপ্ৰাসঙ্গিক যেন লাগিল।

চতুৰ্থ সংখ্যাৰ গল্প চাৰিটাও পাঠোপযোগী হৈছে। ইয়াৰে এটি অনুবাদ গল্প অনামিকাৰ 'কলিজাৰ সোৱাদ' গল্পটো কিছু অগতানুগতিক। চাহ মজদুৰৰ জীৱনৰ ওপৰত আলোকপাত কৰি লেখাত এই গল্পটো অধিক আকৰ্ষণীয়

হৈ পৰিছে। এজন গাঁৱৰ স্কুল মাষ্টাৰৰ আশা-নিৰাশাৰে পৰিপূৰ্ণ শ্ৰীভোলা কাকতীৰ 'প্ৰস্তুতি' গল্পটো নিঃসন্দেহে উন্নত মানবিশিষ্ট গল্প। এই জগতত বৰ্ত্তমান ভাল, সৎ মানুহৰ যে স্থান নাই, এই কথাখিনি প্ৰতিপন্ন কৰিবৰ বাবে ৰচনা কৰা শ্ৰীপ্ৰশান্ত শৰ্মাৰ 'মুক্তি' গল্পটো সুন্দৰ বৰ্ণনাৰে মনোমোহা কৰি তুলিছে। গল্পটোত 'কেলভিন'ৰ চৰিত্ৰ অংকনত গল্পকাৰে সম্পূৰ্ণ সাৰ্থকতা লাভ কৰিছে।

গল্পৰ ক্ষেত্ৰত পঞ্চম সংখ্যা আলোচনীয়ে নিশ্চয় শ্ৰেষ্ঠতাৰ দাবী কৰিব পাৰে শ্ৰীৰাজীৱ ৰাজকোঁৱৰৰ 'জাবৰ জোথঁৰ আঁতৰাই' গল্পটিয়ে আলোচনীখনৰ সৌষ্ঠৱতা বঢ়োৱাত যথেষ্ট সহায় কৰিছে। গল্পটোত ব্যৱহাৰ কৰা উপমাবোৰে পাঠকৰ মনত গভীৰভাৱে ৰেখাপাত কৰে আৰু ভৱিষ্যতে গল্পকাৰে অধিক সাৰ্থক গল্প ৰচনা কৰিব পাৰিব বুলি আশা থাকিল। শ্ৰীদেৱজ্যোতি হাজৰিকাৰ 'সি বিদ্ৰোহ কৰিব' আন এটি সফল গল্প। গল্পটিৰ মাজেৰে আমাৰ সমাজখনক পুনৰ এবাৰ ভালদৰে চালিজাৰি চাবলৈ যি সুবিধা গল্পকাৰে আমাক দিলে তাৰ বাবে লিখকক ধন্যবাদ জনালোঁ। শ্ৰীৰমেশ গগৈৰ 'তেজৰ ৰং ৰঙা' গল্পটোৰ শেষৰ অংশ অধিক আকৰ্ষণীয় কৰাৰ সুৰুঙা থাকি গ'ল। 'ক্ৰিমিয়াৰ যুদ্ধৰ বিভীষিকা'ত শ্ৰীসৌৰভ শৰ্মাৰ ৰচনাই পুনৰ যুদ্ধৰ বিভীষিকালৈ মনত পেলাই দিলে। যুদ্ধলৈ যাওঁতে কৱচ কাপোৰ বই দিয়া প্ৰথা বোধকৰো আনদেশত নাছিল। সেয়ে, এই গল্পটোত "সকলোৱে নিজৰ স্বামীৰ, পুত্ৰৰ ওপৰতে দেশ ৰক্ষাৰ ভাৰ দি নিজে 'কৱচ' কাপোৰ বই দিছে"......বোলা কথাবোৰ অলপ থাপ নাখালে যেন অনুমান হয়। কুমাৰ জীৱন বুঢ়াগোহাঁইৰ 'অলপ হাঁহি অলপ অশ্ৰু' আন এটি যুদ্ধ সম্পৰ্কীয় গল্প। গল্পটোত এগৰাকী খৃষ্টান মহিলাই 'ভগৱান' বুলি কোৱাত কিছু আসোঁৱাহ থাকি গ'ল।

বৰ্ত্তমানলৈকে মহাবিদ্যালয় আলোচনীখনত উন্নত মানদণ্ডৰ গল্পই প্ৰকাশ পাইছে। আমি আশাকৰোঁ ভৱিষ্যতেও এই আলোচনীত অধিক সংখ্যক নতুন দৃষ্টিভঙ্গীৰ পাঠোপযোগী গল্প প্ৰকাশ পাব।

গল্পৰ দৰেই মহাবিদ্যালয়ৰ আলোচনীখনত যথেষ্ট সংখ্যক কবিতাও প্ৰকাশ পাইছে।

১৯৭৩ চনৰ সংখ্যাতেই মুঠ নটা কবিতা প্ৰকাশ পাইছে। কেইটামান কবিতাত ব্যৱহাৰ কৰা প্ৰতীকীব্যঞ্জনা আৰু শব্দ চয়ন বলিষ্ঠ হৈছে। 'এমুঠি জোনাকৰ আশাত', 'জুই' আৰু 'এটি প্ৰশ্ন'—এই তিনিটা কবিতাত বৰ্ত্তমান সমাজ ব্যৱস্থাৰ এটি কুৎসিত ৰূপ সুন্দৰভাৱে ফুটি উঠিছে।

১৯৭৫-৭৬ চনৰ সংখ্যাত মুঠতে আঠোটা কবিতা প্ৰকাশ হৈছে। এই কবিতাকেইটাও উৎকৃষ্ট ধৰণৰ। 'গোৰোহাত উৰিছে ৰঙা মাটিৰ ধূলি' কবিতাটিত পূৰ্ণমাত্ৰাই মাৰ্ক্সীয় তথা বামপন্থী সুৰ পৰিলক্ষিত হয়। কবিতাটিত ব্যৱহাৰ কৰা প্ৰতীকধৰ্মী বলিষ্ঠ শব্দবোৰ যথেষ্ট আকৰ্ষণীয় হৈছে। 'শতপুত্ৰৰ সমাধিত মাতৃ তুমি গান্ধাৰী' কবিতাটোত ভাৱভাষা উজ্জ্বলভাৱে প্ৰকাশ পাইছে। মাজে মাজে কিছু অংশত বক্ৰোক্তিও প্ৰকাশ পাইছে। বৰ্ত্তমান আমাৰ সমাজৰ মুখা পিন্ধা এজাক নেতাৰ (?) স্বৰূপ কবিয়ে তেখেতৰ 'চহৰৰ সেই নিষিদ্ধ গলিত' নামৰ কবিতাটিত উদঙাই দেখুৱাবলৈ সক্ষম হৈছে।

তাৰ পিছৰ সংখ্যাত ছটা সুন্দৰ কবিতা প্ৰকাশ পাইছিল। তাৰে 'তিনিটা মিনি ফৰাছী কবিতা' এটি অনূদিত কবিতা। তুলনামূলকভাৱে আটাইকেইটা কবিতাই শ্ৰুতিমধুৰ হৈছে। এই সংখ্যাৰ 'ভগ্ন কাঁচৰ ভ্ৰূকুটি' এটি বলিষ্ঠ কবিতা।

১৯৭৯ চনৰ সংখ্যাত আঠোটি কবিতা প্ৰকাশ হোৱা আমি দেখিছোঁ। ইয়াৰে এটা অনূদিত। 'প্ৰতিশ্ৰুতি ঃ আইলৈ', 'এজাক মুক্ত বতাহৰ সন্ধানত', 'বিদ্ৰোহ', আৰু 'বেদনা'—এইকেইটা কবিতাত বঞ্চিত, শোষিত জনতাৰ কান্দোন আৰু শোষক-চক্ৰান্তকাৰীসকলৰ বিপক্ষে বিদ্ৰোহৰ সূচনাৰ আভাস পোৱা গৈছে। বলিষ্ঠ শব্দৰীতিৰে কবিতা-বিভাগটি সুন্দৰ হৈছে।

শেষৰ সংখ্যা আলোচনীত মুঠ সাতটা কবিতা প্ৰকাশ হৈছে। 'এই নিশা ঃ প্ৰস্তুতিৰ এক নিশা' কবিতাটিৰ বিষয়-বস্তুৰ উপস্থাপন-ৰীতি সুন্দৰ, শব্দপ্ৰয়োগ চকুতলগা। 'উত্তৰণ' নামৰ কবিতাটিত চাৰিজন বিভিন্ন ব্যক্তিৰ জীৱন-

সংগ্ৰামৰ এখন চিত্ৰ ফুটি উঠিছে। প্ৰাঞ্জল শব্দপ্ৰয়োগেৰে কবিতাটি সুমধুৰ হৈছে।

দেখা গ'ল যে মহাবিদ্যালয়ৰ আলোচনীখনত যথেষ্ট সংখ্যক উচ্চমানৰ কবিতাই সুন্দৰভাৱে প্ৰকাশ পাই আহিছে। আশা প্ৰকাশ কৰিব পাৰি যে ভৱিষ্যতেও নতুন পুৰুষে এই আলোচনীখনলৈ নতুন দৃষ্টিভঙ্গীৰ, নতুন ভাৱধাৰাৰ তথা আঙ্গিকৰ কবিতা আগবঢ়াব।

বৰ্ত্তমানলৈকে আলোচনীখনত কেৱল এখনহে উপন্যাস প্ৰকাশ পাইছে। সাহিত্যিক দৃষ্টিভঙ্গীৰ পৰা এই উপন্যাসখনক উপন্যাসিকা বুলিহে নামকৰণ কৰা হৈছে। দ্বিতীয় সংখ্যাটোত শ্ৰীদেৱজিৎ গগৈৰ 'হেজাৰ তৰাৰ মিছিল য'ত' নামৰ উপন্যাসিকাখন প্ৰকাশ পাইছিল। উপন্যাসিকাখনৰ উপস্থাপন ৰীতি প্ৰশংসনীয়। চৰিত্ৰ চিত্ৰণত লিখকে সফলতাৰ দাবী কৰিব পাৰে। ডাঃ স্বপ্ননীড় বৰুৱাৰ বৰ্ণনা আৰু অলপ দীঘলীয়া কৰাহেঁতেন ভাল আছিল।

যোৱা পাঁচটা সংখ্যা আলোচনীত যথেষ্ট সংখ্যক পাঠোপযোগী প্ৰবন্ধও প্ৰকাশ হৈছে। প্ৰথম সংখ্যাত প্ৰকাশ হোৱা আটাইকেইটা প্ৰবন্ধই উৎকৃষ্ট। ইয়াৰ ভিতৰত অধ্যাপক সমৰেন্দ্ৰ ভাগৱতীৰ 'আৰ্থিক উন্নয়ন, জাতীয় পৰিকল্পনা আৰু ভাৰত', অনু দত্তৰ 'দ্ৰব্যৰ চ'ৰাদামৰ সমস্যা আৰু তাৰ সমধানৰ উপায়', কমী কোঁৱৰৰ 'ভাৰতবৰ্ষৰ নিবনুৱা সমস্যা', শীৰ্ষক প্ৰবন্ধ তিনিটা গঠনমূলক আৰু সময়োপযোগী হৈছে।

দ্বিতীয় সংখ্যাতো ভালেমান প্ৰবন্ধৰ সমাবেশ ঘটিছিল। ইয়াৰ ভিতৰত 'সুখী সমাজ গঠনৰ ক্ষেত্ৰত জন্মনিয়ন্ত্ৰণ' কিৰণ কুমাৰী দাসৰ এটি সময়োপযোগী প্ৰবন্ধ। বাকীকেইটা প্ৰবন্ধও লেখত লবলগীয়া।

তৃতীয় সংখ্যাত মুঠতে ছটা সুন্দৰ প্ৰবন্ধ প্ৰকাশ পাইছিল। ইয়াৰ ভিতৰত অধ্যাপক হিতেন শৰ্মাৰ 'নাটকৰ সংলাপ', মঃ নাছিৰ চুলতানৰ 'কবিতা সম্পৰ্কে দুআষাৰ', নাজৰিন হাজৰিকাৰ 'বেজবৰুৱাৰ সাহিত্যৰ সমাজ' প্ৰবন্ধকেইটাৰ ভাষা মনকৰিবলগীয়া। অসম বুৰঞ্জীৰ এটি অন্যতম চৰিত্ৰ তথা নায়ক 'ডেবেৰা'ৰ এটি পুঙ্খানুপুঙ্খ বিৱৰণ অধ্যাপক তৰুণ হাজৰিকাই তেখেতৰ 'ডেবেৰা হাজৰিকা' নামৰ প্ৰবন্ধটিৰ জৰিয়তে আগবঢ়োৱা বাবে তেখেতলৈ ধন্যবাদ থাকিল।

চতুৰ্থ সংখ্যাৰ আলোচনীত প্ৰবন্ধৰ গতিধাৰা কিছু দুৰ্বল যেন লাগিল। শ্ৰীপ্ৰমোদ কুমাৰ তামুলীৰ 'শিল্পৰ জগতলৈ' প্ৰবন্ধটি আকৰ্ষণীয় হৈছে। শ্ৰীঅজিত বড়াৰ প্ৰবন্ধটি 'অসম আৰু সদৌ অসম ছাত্ৰসন্থা' তথ্যবহুল হোৱা বাবে সুন্দৰ হৈছে। প্ৰবন্ধটিত সদৌ অসম ছাত্ৰ সন্থাৰ জন্মৰে পৰা কিছু বিৱৰণী দিয়া হ'লে ভাল আছিল।

পঞ্চম সংখ্যা আলোচনীত যথেষ্ট সংখ্যক মূল্যৱান প্ৰবন্ধপাতি প্ৰকাশ পায়। ইয়াৰ ভিতৰত শ্ৰীবিজয়ানন্দ দুৱৰাৰ 'অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু ভাৰতবৰ্ষ' নামৰ ভিতৰ্কমূলক প্ৰবন্ধটি ৰসোত্তীৰ্ণ হোৱাৰ লগতে আকৰ্ষণীয় হৈছে। বৰ্ত্তমান ছাত্ৰ অশান্তিৰ পৰিস্থিতিত ৰচনা কৰা শ্ৰীবিপুল চন্দ্ৰ খাউণ্ডৰ 'বিশ্বত ছাত্ৰ অশান্তিৰ চমু পৰ্য্যালোচনা' প্ৰবন্ধটি সময়োপযোগী হৈছে। শক্তি সংকটৰ দিনত উদ্ভিদৰ পৰা ইন্ধন আহৰণ কৰা বিষয়ৰ ওপৰত লিখা শ্ৰীদেৱজ্যোতি হাজৰিকাৰ 'উদ্ভিদ বনাম ইন্ধন' নামৰ প্ৰবন্ধটিত তথ্যসহকাৰে উক্ত বিষয়বস্তুৰ অৱতাৰণা কৰা বাবে তেখেত প্ৰশংসনীয়। শ্ৰীবিৰেণ বৰগোহাঁইৰ 'প্ৰাদেশিকতাবাদ, অসম আৰু জ্যোতিচিন্তা' নামৰ প্ৰবন্ধটি সুন্দৰ হৈছে।

ভৱিষ্যতেও এইধৰণৰ মৌলিক, নতুন চিন্তাধাৰাৰে পুষ্ট প্ৰবন্ধ পাতি মহাবিদ্যালয়ৰ আলোচনীত পঢ়িবলৈ পাম বুলি আশা ৰাখিলোঁ।

মহাবিদ্যালয় আলোচনীত তিনিখন ভিন্নসুৰী নাটকো প্ৰকাশ হৈছিল।

তৃতীয় সংখ্যাত প্ৰকাশ পোৱা শ্ৰীযোগেশ বৰুৱাৰ 'ৰক্তাক্ত পতাকাৰ তলত' এখন সম্পূৰ্ণ প্ৰতীকধৰ্মী নাটক। বৰ্ত্তমান সমাজ ব্যৱস্থাৰ দুৰ্বল শ্ৰেণীৰ প্ৰতিচ্ছবি এই নাটকখনত ফুটি উঠিছে। নাটখন সম্পূৰ্ণ সমাজকেন্দ্ৰীক। ভাৱভাষাৰ বাবে নাটকখন আকৰ্ষণীয় হৈ পৰিছে। নাট্যধৰ্মী আৰু হ্ৰস্বসংলাপন ৰীতিয়ে নাটকখন ৰঙ্গমঞ্চৰ উপযোগী কৰি তুলিছে। তথাপি নাটকখন প্ৰতীকধৰ্মী হোৱাৰ বাবেই বিকৃত ৰূপ ধাৰণ কৰিব পৰা নাই। প্ৰতীকধৰ্মীতাৰে সমাজৰ সেমেকা, অপৰিচ্ছন্নতা

অস্বাস্থ্যকৰ অংগবোৰৰ.বীজ খুচৰি উলিওৱাত সক্ষম হৈছে।

পঞ্চম সংখ্যাত প্ৰকাশ পোৱা 'পানী' ডঃ প্ৰফুল্ল কুমাৰ ভূঞাৰ এখন সাৰ্থক নাটক। মূল্যৱান অলঙ্কাৰৰ প্ৰতি তিৰোতাৰ স্বভাৱজাত মোহ—এই নাটকৰ প্ৰধান বিষয়বস্তু। শ্ৰুতিমধুৰ অথচ বাস্তৱভাষাৰে বৰ্ণিত সংলাপে নাটকখনৰ সফলতা অনাত সহায় কৰিছে। চৰিত্ৰ অংকনত নাট্যকাৰে সফলতাৰ দাবী কৰিব পাৰে।

চতুৰ্থ সংখ্যাত প্ৰকাশ পোৱা শ্ৰীশ্ৰীমন্ত কুমাৰ শৰ্মাৰ 'যৱনিকা' এখন সফল প্ৰতীকধৰ্মী নাটক। নাটকখনত কিছু পৰিমাণে মাৰ্ক্সীয় সুৰৰ প্ৰভাৱ পৰিলক্ষিত হয়। নাটকৰ আৰম্ভণিতে থকা 'পঙ্গু' নামৰ চৰিত্ৰটোৰ বলিষ্ঠ সংলাপৰ পৰাই নাটকখনৰ মূল বিষয়বস্তু জানিব পাৰি। চুটি সংলাপেৰে নাটকখন এখন মঞ্চসফল নাট হোৱাত বৰঙণি যোগাইছে। নাটকখনৰ বিষয়বস্তু অতি বলিষ্ঠ। উপস্থাপন ৰীতি চকুতলগা।

আলোচনীখনৰ প্ৰথম সংখ্যাৰ বাহিৰে বাকীকেইখনৰ ছপা, বন্ধা ও বেটুপাত উন্নত মানৰ। চতুৰ্থ সংখ্যা আলোচনীখনৰ প্ৰথম ভাগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিভিন্ন সম্পাদকসকলৰ প্ৰতিবেদন প্ৰকাশ কৰাত কিছু বিসঙ্গতিয়ে দেখা দিছে। মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশত কিছু অনিয়মীয়া যেন লাগিল। প্ৰত্যেক বছৰতেই যাতে আলোচনীখন প্ৰকাশ হয় তাৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে পাৰ্য্যমানে চেষ্টা কৰা উচিত।

আলোচনীখনৰ যোৱা পাঁচটি সংখ্যা বিচাৰ কৰি চাই দেখা গ'ল যে আলোচনীখনত যথেষ্ট উচ্চ মানদণ্ডৰ সাহিত্য প্ৰকাশ পাইছে। আলোচনীখনৰ পাঁচটি সংখ্যাৰ বিভিন্ন সাহিত্য সম্ভাৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ যে কিঞ্চিৎ পৰিমাণৰ হ'লেও দান আগবঢ়াইছে তাত কোনো সন্দেহ নাই আৰু এই নতুন সাহিত্যিকসকলৰ পৰাই যে ভৱিষ্যতে একোজন লব্ধপ্ৰতিষ্ঠ সাহিত্যিকৰ জন্ম লব তাক কোনেও দুই কৰিব নোৱাৰে।

শেহত ডিগবৈ মহাবিদ্যালয় আলোচনীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰবন্ধটোৰ সামৰণি মাৰিলোঁ।

**'প্ৰতিজন প্ৰেমত পৰা ব্যক্তি মাত্ৰেই একোজন কবি'**

**—প্লেটো**



# শেষ প্ৰতিশ্ৰুতি


ৰোজী বেগম

প্ৰাক্-স্নাতক, ২য় বাৰ্ষিক (ক'লা)


১৯৮২ চন। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম হবৰ আজি প্ৰায় তিনি বছৰ সম্পূৰ্ণ হ'লহি। যদি মোৰ বান্ধৱী ৰুমী আৰু অৰ্ণৱৰ চলিহাৰ মিলন হ'লহেঁতেন তেওঁলোকৰ সেই মিলন স্বাক্ষৰেও বহন কৰিলেহেঁতেন সুদীৰ্ঘ তিনিটা বছৰ। কিন্তু তেওঁলোকৰ সেই হ'ব লগা মিলনক প্ৰত্যাখ্যান কৰিছিল ৰুমীয়ে নিজেই. অথচ ৰুমীয়েতো জনা নাছিল যে অৰ্ণৱৰ সেই ভালপোৱাক প্ৰত্যাখ্যান কৰিলেও ইমান সোনকালে অৰ্ণৱে এই সুন্দৰ পৃথিৱীখন আৰু তাইৰ মৰমক এৰি থৈ চিৰদিনৰ বাবে গুচি যাব! এৰা মানুহে নভবা কথা কিছুমানো কেতিয়াবা মানুহৰ অলক্ষিতে ঘটি যায়, ঠিক যেনেকৈ ঘটিছিল অৰ্ণৱৰ ক্ষেত্ৰত।

সেয়া আছিল ১৯৭৯ চনৰে এটা কাহিনী। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰম্ভ হৈছিল। সেই অস্তিত্ব ৰক্ষা কৰিবৰ কাৰণে ওলাই আহিছিল হাজাৰ হাজাৰ মুনিহ, তিৰোতা, ডেকা, গাভৰু। হিন্দু মুছলমান বা জাত-পাতৰ ভেদাভেদখিনি সেই সময়ত তেওঁলোকৰ মনত উদয় হোৱা নাছিল। কাৰণ তেওঁলোকৰ সেই সময়ত একমাত্ৰ চিন্তা আছিল নিজৰ অস্তিত্ব বিদেশীৰ গ্ৰাসত বিলীন হ'বলৈ নিদিয়াটোহে। সেয়েহে তেওঁলোকে সেই সময়ত তেওঁলোকৰ ধৰ্মৰ মাজত থকা বহল প্ৰাচীৰ ভেদ কৰি হাতত হাত মিলাই ওলাই আহিছিল—একমাত্ৰ তেওঁলোকৰ অস্তিত্ব ৰক্ষাৰ কাৰণে নিজৰ জীৱনক তুচ্ছ কৰি সকলোৰে মাত্ৰ সমস্বৰে গাইছিল—জয় আই অসম। এই কথাৰ প্ৰমাণ কৰি দিলে অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰে। কিন্তু ইমানখিনি দেখিও কিয় বাৰু ৰুমী আৰু অৰ্ণৱৰ মিলনক সমাজে স্বীকৃতি দিব নোৱাৰিলে? কিয় বাৰু ৰুমীহঁতে ধৰ্মৰ মাজত থকা প্ৰাচীৰখন ভেদ কৰিব নোৱাৰিলে? কিয়?? কিয়???

ৰুমী বেগম আৰু অৰ্ণৱ চলিহা। দুটি ভিন্ন ধৰ্মীৰ প্ৰাণী এক হৈ যোৱাৰ সপোন দেখিছিল। কিন্তু তেওঁলোকৰ সেই সপোনে বাস্তৱত ৰূপ ল'বলৈ নেপালে। অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জপিয়াই পৰিছিল হাজাৰ হিন্দু-মুছলমান ভাই-ভনী। জপিয়াই পৰিছিল ৰুমী আৰু অৰ্ণৱো। আন সকলো মানুহৰ লগতে ৰুমী আৰু অৰ্ণৱেও আন্দোলনৰ প্ৰত্যেকটো কাৰ্য সূচীতেই আগভাগ লৈছিল। ৰুমীয়ে যেন প্ৰায়েই লক্ষ্য কৰিছিল অৰ্ণৱে সদায়েই আন্দোলনৰ প্ৰত্যেকটো কামতেই আগভাগ লৈছিল। ঠিক তেনেদৰে মহিলাসকলৰ ফালৰ পৰা কৰিবলগীয়া আন্দোলনৰ প্ৰত্যেকটো কামৰে গুৰি ধৰিছিল ৰুমীয়ে। হয়তো ৰুমীয়ে মন কৰাৰ দৰে অৰ্ণৱেও ৰুমীক লক্ষ্য কৰিছিল। শেষত এদিন তেওঁলোকৰ চাৰি চকুৰ মিলন হৈছিল। কিন্তু, তেওঁলোকৰ সেই সৰল অথচ মিঠা চাৱনিয়েই যে তেওঁলোকৰ জীৱনলৈ এনে পৰিৱৰ্তন কঢ়িয়াই আনিব সেই কথা সিহঁতে কেতিয়াও ভবা নাছিল।

আন্দোলনৰ প্ৰত্যেকটো কামতে সিহঁত দুয়ো আগভাগ লোৱাৰ কাৰণে সকলো কথাকে সিহঁতে আলোচনা কৰিব লগা হৈছিল। কিন্তু ৰুমীয়ে যেন সদায়েই লক্ষ্য কৰিছিল অৰ্ণৱৰ দৰে এটা সাহসী ল'ৰায়ো তাইৰ লগত কথা পাতিবৰ সময়ত কিছু নাৰ্ভাচ হয়। কওঁ কওঁ বুলি ভবা কথাবোৰো যেন তাৰ মুখৰপৰা স্পষ্টকৈ ওলাই নাহে। অথচ সেইজন অৰ্ণৱেই যেতিয়া হাজাৰ হাজাৰ মানুহৰ আগত মাইকৰ সমুখত অনৰ্গল বক্তৃতা দিয়েতেতিয়া ৰুমীয়ে নিজেই আচৰিত হৈ যায়। এনেদৰেই ৰুমী আৰু অৰ্ণৱৰ দিনবোৰ অতিবাহিত হ'বলৈ ধৰিলে। লাহে লাহে অসমৰ আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ হৈ উঠিল। সদৌ অসম ছাত্ৰসন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদে আন্দোলনৰ নতুন নতুন কাৰ্য্যসূচী ল'বলৈ ধৰিলে। তেওঁলোকৰ সেই কাৰ্য্যসূচীত যোগদান কৰিবলৈ অসমৰ ৰাইজেও উঠি পৰি লাগিল। কাৰণ তেওঁলোকে জানেযে তেওঁলোকে যদি এই আন্দোলনত জয়ী হ'ব নোৱাৰে তেনেহ'লে হয়তো তেওঁলোকৰ অস্তিত্ব চিৰদিনলৈ লুপ্ত হৈ যাব। অসমীয়াৰ এই সংগ্ৰাম তীব্ৰতৰ কৰি তুলিবলৈ অনুপ্ৰাণিত কৰিলে ১৯৮০ চনৰ ৩জানুৱাৰী তাৰিখে দুবৃত্তৰ হাতত প্ৰাণ দিয়া শ্বহীদ দিলীপ হুজুৰীয়ে। অৰ্ণৱ আৰু ৰুমীয়েও আগতকৈ অধিক উৎসাহ আৰু একাগ্ৰতাৰে আন্দোলনত জপিয়াই পৰিল আৰু তেওঁলোক দুয়ো যেন অনুভৱ কৰিলে আন্দোলনৰ মাজেৰে যেন তেওঁলোকে ইজনে সিজনৰ অধিক কাষ চাপি আহিছে, দেশৰ হকে জীৱনটোক উৎসৰ্গ কৰিবলৈ যেন তেওঁলোকে অধিক মনোবল পাইছে। কিন্তু ৰুমী আৰু অৰ্ণৱ কেনোৱেই তেওঁলোকৰ সেই ভালপোৱাৰ কথা ইজনে সিজনক মুখেৰে প্ৰকাশ কৰিব পৰা নাছিল অথচ চকুৰ চাৱনিতেই তেওঁলোকৰ প্ৰেমৰ গভীৰতা দুয়ো উপলব্ধি কৰিছিল। কিন্তু নকওঁ নকওঁ বুলি ভাবি থকা কথাটোও এদিন প্ৰকাশ কৰিবলৈ অৰ্ণৱ বাধ্য হৈছিল আৰু সেয়েহে এদিন অৰ্ণৱৰ ভালপোৱাৰ কথা ৰুমীৰ আগত প্ৰকাশ কৰিছিল। অৰ্ণৱৰ কথাৰ কোনো উত্তৰ দিব পৰা নাছিল ৰুমীয়ে। কেৱলমাত্ৰ দুটোপাল চকুলোহে তাইৰ দুচকুৰেদি বৈ আহিছিল। কিন্তু তৎক্ষণাৎ ৰুমীয়ে নিজকে সংযত কৰি অৰ্ণৱৰ সেই ভালপোৱাক প্ৰত্যাখ্যান কৰিছিল। কাৰণ ৰুমীয়ে জানিছিল অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত হাজাৰে হাজাৰে হিন্দু-মুছলমান জপিয়াই পৰিলেও সিহঁতে সেই ধৰ্মৰ মাজত থকা প্ৰাচীৰখন ভেদ কৰিব নোৱাৰে। সেয়েহে তাই অৰ্ণৱক এই সকলো কথা বুজাই কৈছিল। কিন্তু অৰ্ণৱে ৰুমীৰ উত্তৰত তাইক আচৰিত কৰি দি কৈছিল যে যদি ৰুমী মান্তি হয় তেনেহ'লে সি সেই ধৰ্মৰ মাজত থকা প্ৰাচীৰ ভেদ কৰি হ'লেও ৰুমীক আপোন কৰি ল'ব। ৰুমী কিন্তু মান্তি হোৱা নাছিল। কাৰণ ঘৰখনৰ একমাত্ৰ ল'ৰা হিচাপে অৰ্ণৱ যে মাক-দেউতাকৰ কিমান মৰমৰ সেই কথা তাই ভালদৰেই জানিছিল। ৰুমীৰ প্ৰত্যাখ্যানত এক ভাৰাক্ৰান্ত মন লৈ অৰ্ণৱ আঁতৰি গৈছিল। আৰু ৰুমী? ৰুমীয়েও সেইদিনা মনে মনে প্ৰতিজ্ঞা কৰিছিল, মৰণলৈকে তাই অইন কাকো আপোন কৰি নলয়। কেৱল অৰ্ণৱৰ স্মৃতিকেই বুকুত সাৱটি তাই জীয়াই থাকিব।

সেইদিনাৰ সেই নিৰাশ উত্তৰ পায়ো অৰ্ণৱ কিন্তু ৰুমীৰ

ওচৰৰপৰা আঁতৰি যাব পৰা নাছিল। কিবা এক বুজাব নোৱাৰা আকৰ্ষণে অৰ্ণৱক ৰুমীৰ কাষলৈ টানি আনিছিল। আগতকৈও উদ্যম গতিত দুয়ো আন্দোলনত জপিয়াই পৰিছিল। আৰু সেইদিনা? ৰুমীয়তো জনা নাছিল যে অৰ্ণৱ তাইক ঠগি ইমান সোনকালে এই পৃথিৱীৰ পৰা আঁতৰি যাব। আৰু অৰ্ণৱেও জানো ভাবিছিল যে সি তাৰ অতি মৰমৰ ৰুমীজনীৰ ওচৰৰপৰা ইমান সোনকালে আঁতৰি যাব লগীয়া হ'ব। কিন্তু অৰ্ণৱক আঁতৰি যাবলৈ বাধ্য কৰিছিল তাৰ মৰমৰ দেশখনে……

আন্দোলনৰ অইন সকলো কাৰ্য্যসূচীতেই ভাগ লোৱাৰ দৰে সেইদিনাখনো সকলো ৰাইজৰ লগতে ৰুমী আৰু অৰ্ণৱো গৈছিল ডুলীয়াজনত পিকেটিং কৰিবলৈ। সেইদিনা আছিল ১৯৮০ চনৰ ১৮ জানুৱাৰী। শান্তিপূৰ্ণ পিকেটিং-কাৰীৰ ওপৰত চৰকাৰে পুলিচৰ অত্যাচাৰ আৰম্ভ কৰিছিল। সেই অত্যাচাৰৰ বলি হৈছিল অসমৰ বহুতো ডেকা। ঘূণীয়া হৈছিল এই অসমৰে বহুতো গাভৰু। পিকেটিংথলীত উপস্থিত হৈ অৰ্ণৱ আগবাঢ়ি গৈছিল তাৰ লগৰ ল'ৰাবোৰৰ ওচৰলৈ। কিবা এটা কথা আলোচনা কৰিবৰ কাৰণে কেইগৰাকীমান নেতৃস্থানীয়া মহিলাৰ সৈতে ৰুমীয়ে মাত্ৰ কেইটামান মুহূৰ্ত্তৰ বাবে পিকটিংথলীৰপৰা আঁতৰি গৈছিল। কিন্তু হঠাৎ হোৱা গুলীয়াগুলীৰ শব্দত ৰুমীহঁত চক্ খাই উঠিছিল। পিকেটিংথলীৰ ফালে চাই সিহঁতে মাথোন দেখিছিল চাৰিওফালে মানুহৰ লৰা-ধপৰা আৰু চিঞৰ বাখৰ। ইমানবিলাক মানুহৰ মাজতো ৰুমীৰ চকুৱে কিন্তু কেৱলমাত্ৰ এজনকহে বিচাৰি ফুৰিছিল। হঠাৎ এটা গুলী আহি অৰ্ণৱৰ বুকুত সোমাইছিলহি। আন একো কথাকে ক'বলৈ অৰ্ণৱে সেই সময়ত সময় পোৱা নাছিল। কেৱল মুখেৰে অস্পষ্টভাৱে ওলোৱা 'জয় আই অসম' ধ্বনিৰে অৰ্ণৱ মাটিত বাগৰি পৰিছিল। আৰু ৰুমী? ৰুমীয়ে মাথোন পাগলৰ দৰে অৰ্ণৱৰ ওচৰলৈ দৌৰি গৈছিল। ইমানবিলাক পুলিচ, মিলিটেৰীৰ গুলীৰ শব্দও তাইৰ কাণত সোমোৱা নাছিল। হঠাৎ তাইৰ মূৰত চি. আৰ.পি.ৰ ৰাইফেলৰ প্ৰচণ্ড কোব পৰাত একো ক'ব নোৱাৰা হৈ ৰুমী অৰ্ণৱৰ ৰক্তাক্ত দেহৰ ওপৰতে অজ্ঞান হৈ পৰি গৈছিল। সম্পূৰ্ণ দুদিনৰ মূৰত ৰুমীয়ে জ্ঞান পাইছিল। কিন্তু তেতিয়া বহু পলম হৈ গ'ল। সেই সময়ত শ্মশানত পৰি থকা ছাইখিনিৰ বাহিৰে অৰ্ণৱৰ একো অস্তিত্বই নাছিল। এখোজ দুখোজকৈ ৰুমী শ্মশানৰ ওচৰ পাইছিলগৈ। তাইৰ মুখৰপৰা কিন্তু এটা কথাও ওলাই অহা নাছিল। অৰ্ণৱক দাহ কৰা ঠাইটুকুৰাত তাই আঁকি দিছিল এটা চুমা— তাইৰ প্ৰথম আৰু শেষ চুমা। শেষত তাই অৰ্ণৱৰ ছাই এমুঠিকে হাতত লৈ প্ৰতিজ্ঞা কৰিছিল, অসমত এটা বিদেশী থকালৈকে সিহঁতে আন্দোলন কৰি যাব আৰু তেতিয়াহে অৰ্ণৱহঁতৰ দৰে ফুলকুমলীয়া ডেকা অকালতে প্ৰাণ দিবলগীয়া হোৱা আত্মাবোৰে শান্তি পাব।

# নতুন শক্তিৰ সন্ধানত

কুমাৰী প্ৰতিভা বৰুৱা
স্নাতক মহলা, ২য় বাৰ্ষিক (ক'লা)

অতি প্ৰাচিন কালৰেপৰাই মানুহে শক্তিৰ লগত চিনাকি হৈ আহিছে। আদিম অৱস্থাত মানুহে যেতিয়া গছৰ বাকলি পিন্ধি, শিলৰ অস্ত্ৰৰে বা গছৰ ডালেৰে হাবিৰ বনৰীয়া পশু চিকাৰ কৰি পশুৰ কেঁচা মাংসৰে জীৱন ধাৰণ কৰিছিল তেতিয়া তেওঁলোকে নিজৰ দৈহিক শক্তি ব্যৱহাৰ কৰাৰ বাহিৰে আন শক্তি ব্যৱহাৰ কৰি জীৱন ধাৰণ কৰিব নাজানিছিল। কাৰণ সেই সময়ত মানুহ আছিল অসভ্য আৰু বনৰীয়া। কিন্তু অসভ্য আছিল যদিও অচিন, আচৰিত বস্তু দেখিলেই সেই বিষয়ে জানিবলৈ আগ্ৰহ তেতিয়াও কিছু আছিল।

মানুহে প্ৰথমে ব্যৱহাৰ কৰা শক্তিৰ ভিতৰত জুইৰেই বোধহয় প্ৰথম। হাবিত গছে গছে ঘহঁনি খাই জুই জ্বলা, শিলে শিলে খুন্দা খাই জুই জ্বলা বা আগ্নেয়গিৰিৰ জুই আদিয়ে হাবিৰ গছ-গছনি যেতিয়া পুৰি পেলাইছিল তেতিয়া মানুহে জুইলৈ কিবা জীৱন্ত বস্তু বুলি ভয় কৰিছিল। লাহে লাহে মানুহে জুইলৈ ভয় নকৰি জুইক বশ কৰিলে। ফলত পশুৰ মাংস জুইত পুৰি খাবলৈ শিকিলে। এসময়ত হাবিত কিছুমান বনৰীয়া জন্তু ধৰি তাৰ পিঠিত উঠিবলৈ শিকিলে। হাবিৰ ফল-মুল গছৰপৰা সৰি কিছুদূৰ বাগৰি যোৱা দেখি, পৰ্বত পাহাৰৰপৰা শিল বাগৰি অহা দেখি, অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিবলৈ শিল, নতুবা জুই জ্বলাবলৈ কাঠ এঠাইৰপৰা আন এঠাইলৈ বগৰাই নিবলৈ ধৰিলে। এইদৰে কালক্ৰমত ইয়াৰপৰা আবিষ্কাৰ হ'ল চকা। যুগৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ চিন্তা শক্তি ক্ৰমে ক্ৰমে বিকাশ হ'বলৈ আৰম্ভ কৰিলে। কালক্ৰমত মানুহে চকালগা গাড়ী ব্যৱহাৰ কৰি খাদ্যৰ সন্ধানতেই হওক বা আন কাৰণেই হওক টানি লৈ ফুৰিবলৈ ধৰিলে। পাছত মানুহে নিজৰ দৈহিক শক্তি লাঘৱ কৰিবলৈ সেই গাড়ী টানিবলৈ হয়তো জন্তুৰ দৈহিক শক্তি নিয়োগ কৰিলে। এইদৰে আদিম অৱস্থাৰপৰা বহু পৰিবৰ্তনৰ মাজেদি মানুহে বিভিন্ন শক্তি কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাক শিকিলে। তথাপিও মানুহে বিভিন্ন শক্তি ব্যৱহাৰ কৰিবলৈ যাওঁতে পদে পদে বাধাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। কিন্তু মানুহে সেই বাধাক ভ্ৰুক্ষেপ নকৰি নতুন নতুন শক্তি আবিষ্কাৰ কৰি তাৰ ব্যৱহাৰ কৰি আহিছে।

ইউৰোপত ঊনবিংশ শতিকাত যি শিল্প বিপ্লৱৰ আৰম্ভ হৈছিল সেই বিপ্লৱৰ ফলত মানুহে বহুতো নতুন নতুন যন্ত্ৰৰ আবিষ্কাৰ কৰি নতুন শক্তিৰ ব্যৱহাৰ শিকিলে। ফলত মানুহৰ নতুন শক্তিৰ সন্ধানত জ্ঞানৰ চৰ্চা আৰু বাঢ়ি গ'ল। মাটিৰ তলৰ পৰা কয়লা আৰু খনিজ তেল আহৰণ কৰি বিভিন্ন কামত ইন্ধন শক্তিৰূপে ব্যৱহাৰ কৰিব পৰা হ'ল।

মাটিৰ তলৰ পৰা কয়লা উন্নত পদ্ধতিৰে আহৰণ কৰি বিভিন্ন ধৰণৰ কল-কাৰখানা; যান-বাহন, ৰন্ধা-বঢ়া ইত্যাদি বিভিন্ন কামত ইন্ধন শক্তিৰূপে ব্যৱহাৰ হ'ব ধৰিছে।

ভূগৰ্ভৰপৰা খনিজ তেল উদ্ঘাটন কৰি বিভিন্ন কামত ব্যৱহাৰ হ'ব ধৰিছে। খনিজ সম্পদৰ আহৰণ পদ্ধতি যিমানেই উন্নত হ'ব ধৰিছে আৰু যিমানেই এইবিলাকৰ ব্যৱহাৰ বৃদ্ধি পাব ধৰিছে সিমানেই খনিজ সম্পদৰ নাটনি দেখা দিছে। মাটিৰ তলৰ খনিজ সম্পদবিলাক হ'ল একো একোটি প্ৰকাণ্ড প্ৰকাণ্ড শক্তিৰ ভঁৰাল। গতিকে সুদূৰ ভৱিষ্যতে এইদৰে অহৰহ আহৰণ কৰি থকাৰ ফলত এই প্ৰকাণ্ড ভঁৰালৰ শক্তি এদিন নিশ্চয় শেষ হৈ যাব আৰু এইদৰে ক্ৰমাত কমিও আহিব ধৰিছে।

পৃথিৱীৰ যিবিলাক উদ্ভিদ আছে এই প্ৰত্যেক বিধ উদ্ভিদেই হ'ল শক্তিৰ একো একোটি উৎস। এই উদ্ভিদসমূহত যি পৰিমাণৰ শক্তি নিহিত হৈ আছে তাৰ মাত্ৰ শতকৰা দুই ভাগহে আজিলৈকে মানুহে নিজৰ কামত ব্যৱহাৰ কৰিব পাৰিছে। ইয়াৰ বাকীখিনি এতিয়াও পৰা নাই। কিন্তু বাকীখিনি উদ্ভিদ শক্তি মানুহে নিজৰ কামত লগাব পাৰে। নলগায় কিয়? যদি এইদৰে সকলো ক্ষেত্ৰতে উদ্ভিদক শক্তিৰূপে ব্যৱহাৰ কৰি থকা হয়, তেন্তে এদিন এই পৃথিৱীত উদ্ভিদৰ নাটনি হ'ব। মানুহৰ দৈনন্দিন সকলো খাদ্যই উদ্ভিদৰ ওপৰতেই নিৰ্ভৰ কৰিবলগীয়া হয়। গতিকে মানুহৰ খাদ্যৰ অভাৱে দেখা দিব। কাৰণ সকলো উদ্ভিদেই হ'ল প্ৰকৃতিৰ দান। এবাৰ এই উদ্ভিদৰ বংশ শেষ হ'লে ইহঁত পৃথিৱীৰ বুকুৰপৰা নাইকিয়া হৈ যাব। মানুহে কৃত্ৰিম উপায়েৰে পৃথিৱীত উদ্ভিদৰ সৃষ্টি কৰিব নোৱাৰে। সেই বাবে সকলো ক্ষেত্ৰতে উদ্ভিদ শক্তিৰ ওপৰত মানুহে নিৰ্ভৰ কৰাটো অসম্ভৱ। কিন্তু তথাপিও জানো মানুহে উদ্ভিদ শক্তিক কামত নলগোৱাকৈ থকা নাই? নিশ্চয় লগাইছে। আমি দৈনন্দিন যিবিলাক উদ্ভিদ খাদ্য ৰূপে ব্যৱহাৰ কৰি আহিছো তাৰ কিছু অংশ পেলনি যায়। গতিকে এই অখাদ্য উদ্ভিদসমূহ এনেয়ে পেলায় নিদি বিজ্ঞানীসকলে এইবোৰৰপৰা পেট্ৰল জাতীয় কিছুমান ইন্ধন উলিয়াইছে। যি ইন্ধন যান-বাহন খনিজ ইন্ধনৰ সলনি ব্যৱহাৰ কৰিব পাৰি। গতিকে এই ইন্ধন আমি সকলো সময়তে পেলনীয়া খাদ্য-শস্যৰপৰা পাব পাৰোঁ। ইয়াৰ উপৰিও বিজ্ঞানীসকলে কৃষিজাত সামগ্ৰীৰপৰাও এনে ইন্ধন শক্তি আহৰণ কৰিছে। কিন্তু এনে কৰিবলৈ হ'লে যথেষ্ট পৰিমাণে কৃষি উৎপাদন কৰা প্ৰয়োজন। তথাপিও আমাৰ খাদ্যৰ নাটনিৰ সম্ভাৱনা থাকি যাব।

গতিকে দেখা গ'ল যে ওপৰত উল্লেখ কৰা কোনোটো শক্তিয়েই অহৰহ আহৰণ কৰি থাকিব নোৱাৰি। এই শক্তিসমূহ এদিন নিশ্চয় শেষ হৈ আহিব। বিজ্ঞানীসকলে নতুন শক্তিৰ সন্ধানত প্ৰাকৃতিক সম্পদক শক্তিৰূপে ব্যৱহাৰ কৰিবলৈ নানা পৰীক্ষা-নিৰীক্ষা চলাই আছে আৰু এই পৰীক্ষাসমূহত বৰ্তমানলৈকে আংশিকভাৱে কৃতকাৰ্য্যও হৈছে। বৰ্তমান শক্তি হিচাপে কামত লগোৱা প্ৰাকৃতিক সম্পদসমূহৰ ভিতৰত জলশক্তি অন্যতম। নৈ, হ্ৰদ জল-প্ৰপাত আদিত পকী বান্ধ দি জলবিদ্যুৎ শক্তি উৎপন্ন কৰা হৈছে। এই পদ্ধতিৰ যোগে যথেষ্ট পৰিমাণে কম খৰচত বিদ্যুৎ শক্তি উৎপাদন কৰা হৈছে। জলশক্তিৰ ওপৰত আজি সমগ্ৰ পৃথিৱীৰ দেশসমূহে যথেষ্ট গুৰুত্ব দিছে আৰু ইয়াৰ উৎপাদন পদ্ধতি দিনে দিনে উন্নত হ'ব ধৰিছে।

বায়ুৰ গতি শক্তিক বিভিন্ন পদ্ধতিত যান্ত্ৰিক শক্তিৰ ৰূপ দি তাৰপৰা বিভিন্ন কাম কৰিব লাগিছে। অৱশ্যে সকলো ঠাইতে বায়ু শক্তিৰ প্ৰয়োগ কৰাৰ কিছুমান অসুবিধাও আছে। যিবিলাক দেশৰ ওপৰেদি প্ৰবল বেগেৰে বায়ুৰ সোঁত বয় সেই দেশসমূহত বায়ু শক্তি (Wind power) প্ৰয়োগ কৰা বিশেষ সুবিধা। যদি বায়ু শক্তিক মানুহে অতি উন্নত প্ৰণালীৰে ব্যৱহাৰ কৰিবলৈ সক্ষম হয়, তেনেহ'লে মানুহে অধিক লাভবান হ'ব পাৰিব। নেদাৰলেণ্ড, ডেনমাৰ্ক আদি দেশত এনে বায়ু শক্তিৰ দ্বাৰা চালিত বিদ্যুৎ উৎপাদক যন্ত্ৰ প্ৰতিষ্ঠা কৰা হৈছে।

আকৌ, সমুদ্ৰত যি জোৱাৰ সৃষ্টি হয় সেই জোৱাৰৰ-পৰা শক্তি আহৰণ কৰি টাৰবাইন চলাই তাৰপৰা বিদ্যুৎ শক্তি উৎপাদন কৰা হৈছে। অৱশ্যে এই পদ্ধতি সীমাবদ্ধ।

কাৰণ সমুদ্ৰৰ উপকূলীয় ঠাইসমূহৰ বাবেই ই বিশেষ সুবিধাজনক। যি যি ঠাইত এই শক্তি আহৰণৰ বিশেষ সুবিধা সেই ঠাইত এই শক্তি ব্যৱহাৰ কৰা হৈছে। ভাৰতৰ কাম্বে উঃ সাঃ আৰু কচ্চ উঃ কূঃত এনে শক্তি প্ৰকল্প ব্যৱস্থা কৰিব পৰা যায়। চীনতো এনে সৰু প্ৰকল্প কেইবাটাও আছে।

ইমানবোৰ শক্তি ব্যৱহাৰৰ পিছত আজি কুৰিশতিকাত মানুহে পৰমাণুৰ নিউক্লিয়াচৰ মাজত যি শক্তি অন্তৰ্নিহিত হৈ আছিল সেই পাৰমাণবিক শক্তিৰ সন্ধান মানুহে বিচাৰি উলিয়ালে। লগে লগে আৰম্ভ হ'ল মানৱ সভ্যতাৰ নতুন পদক্ষেপ। আজি কুৰিশতিকাত পাৰমাণবিক শক্তি ব্যৱহাৰ কৰি কয়লা, খনিজ তেল আদিতকৈ কম খৰচত অধিক শক্তি উৎপাদন কৰিবলৈ সক্ষম হৈছে। নিউক্লীয় ৰিয়েক্টৰৰ নিচিনা পাৰমাণবিক শক্তি ব্যৱহাৰ কৰি কম খৰচত বিদ্যুৎ-শক্তি উৎপাদন কৰিব পৰা সম্ভৱ হৈ উঠিছে। আনকি পাৰমাণবিক ৰিয়েক্টৰৰ সহায়ত সামুদ্ৰিক জাহাজ আদি বহুদিনলৈকে ইন্ধন নোহোৱাকৈ চলাব পৰা হৈ উঠিছে। কৃষি, চিকিৎসা, আদিতো পাৰমাণবিক শক্তি প্ৰয়োগ হ'বলৈ আৰম্ভ কৰিছে।

ইমানবিলাক শক্তি ব্যৱহাৰ কৰিবলৈ লোৱাৰ পিছতো জানো আজি পৃথিৱীত শক্তিৰ অভাৱে দেখা দিয়া নাই? আজিলৈকে বেছিভাগ শক্তি আহৰণ কৰা হৈছে খনিজ সম্পদৰপৰা। যিবিলাক খনিজ সম্পদ শক্তিৰূপে মানুহে কামত ব্যৱহাৰ কৰি আহিছে ভৱিষ্যতে এই সম্পদবিলাক নিশ্চয় শেষ হৈ যাব। গতিকে এই বিৰাট সমস্যা লৈ বিজ্ঞানীসকলৰ মাজত চিন্তা-ভাৱনাৰ সৃষ্টি হৈছে। সকলোবিলাক খনিজ সম্পদ শেষ হৈ যোৱাৰ পিছতো এনে এটা শক্তিৰ প্ৰয়োজন হ'ব যি শক্তি চিৰন্তন আৰু অফুৰন্ত। এনে চিৰন্তন আৰু অফুৰন্ত শক্তিও আজি কুৰিশতিকাৰ বিজ্ঞানীসকলে বিচাৰি উলিয়াইছে। এনে চিৰন্তন আৰু অফুৰন্ত শক্তি হ'ল সৌৰশক্তি (Solar Energy)। এই সৌৰশক্তিৰ উৎস হ'ল সূৰ্য্য। বিজ্ঞানীসকলে ভাবিছে যে সূৰ্য্যত বিহিত হৈ থকা প্ৰচণ্ড তাপ শক্তিক যদি কামত লগাব পৰা যায়, তেন্তে খনিজ সম্পদৰপৰা পোৱা শক্তিৰ পৰিবৰ্তে ইয়াক ব্যৱহাৰ কৰিব পৰা যাব। সূৰ্য্যই মহাসাগৰক তাপ দিয়ে আৰু তাৰ ফলত মহাসাগৰৰ ওপৰ স্তৰৰ পানীত সৌৰশক্তি সঞ্চিত হয়। ওপৰ স্তৰৰ উষ্ণপানী আৰু নিম্নস্তৰৰ চেঁচা পানীৰ মাজত উষ্ণতাৰ পাৰ্থক্য সূৰ্য্যৰ তাপ বিকিৰণৰ ফলত আপোনা-আপুনি সৃষ্টি হৈ থাকে। এই দুটা জলস্তৰৰ তাপৰ ব্যৱধান সহজে ব্যৱহাৰ কৰি শক্তি আহৰণৰ বাবে বিজ্ঞানীসকলে এবিধ নতুন কৌশল উদ্ভাৱন কৰি উলিয়াইছে, যাৰ নাম দিয়া হৈছে 'ওটেক' অৰ্থাৎ "মহাসাগৰৰপৰা তাপ শক্তিৰ ৰূপান্তৰ" (Ocean Thermal Energy Conversion or OTEC) পদ্ধতি। এই পদ্ধতিৰ সহায়ত সাগৰৰ জলৰাশিৰপৰা অন্তহীনভাৱে শক্তি আহৰণ কৰি থাকিব পাৰি। জাপান আৰু ইউৰোপীয় দেশ কেইখনমানে নতুন আৰু সস্তীয়া নমুনাৰ 'ওটেক' প্ৰকল্প নিৰ্মাণ কৰি উলিয়াবলৈ প্ৰচেষ্টা চলাই আছে। এই সৌৰশক্তিৰ সহায়ত বিজ্ঞানীসকলে মহাকাশৰ বিভিন্ন গ্ৰহলৈ মহাকাশ যান, কৃত্ৰিম উপগ্ৰহ আদি নিক্ষেপ কৰিছে আৰু কিছুদিনৰ পাছত হয়তো ঘৰুৱা বিভিন্ন কাম-কাজত সৌৰশক্তি ব্যৱহাৰ সম্ভৱ হৈ উঠিব পাৰে। বিজ্ঞানীসকলে চিন্তা কৰিছে যে আজিলৈকে পৃথিৱীত যিমান শক্তি আহৰণ কৰা হৈছে সৌৰশক্তি তাতকৈ একলাখগুণে বেছি।


অকল যান্ত্ৰিক উপায়েৰে নহয়, জৈৱিক ৰূপান্তৰৰ (Bio-conversion) দ্বাৰাও সাগৰৰপৰা শক্তি আহৰণ কৰিব পাৰি। আমি জানো যে সাগৰীয় উদ্ভিদে সৌৰশক্তি সঞ্চিত কৰি ৰাখে। গতিকে উদ্ভিদত নিহিত এই শক্তি সহজ পদ্ধতিৰে ইন্ধন, খাদ্য আৰু শিল্পজাত সামগ্ৰীলৈ ৰূপান্তৰিত কৰিব পাৰি। গোৱাত অৱস্থিত "নেচনেল ইনষ্টিটিউট্ অৱ ওচেনো গ্ৰাফী"ৰ এটি অধ্যয়নমতে অকল মহাৰাষ্ট্ৰৰ উপকূলৰ ওচৰত থকা সামুদ্ৰিক শেলুবৈৰ পৰাই বছৰি ৩ হেজাৰ টকা ওজনৰ বিভিন্ন দ্ৰব্য উৎপাদন কৰিব পাৰি।

আন এবিধ চিৰন্তন আৰু অফুৰন্ত শক্তি হ'ল হাইড্ৰ'জেন শক্তি। বিজ্ঞানীসকলে ভাবিছে যে এই হাইড্ৰ'জেন শক্তিক যদি কামত লগাব পৰা যায়, তেন্তে ইয়াৰপৰা চিৰদিনৰ বাবে শক্তি আহৰণ কৰি থাকিব পৰা হ'ব। কাৰণ হাইড্ৰ'জেন শক্তি আহৰণ কৰিবলৈ প্ৰয়োজনীয় গধুৰ হাইড্ৰ'জেন সাগৰৰ পানীত প্ৰচুৰ পৰিমাণে আছে।

এইদৰেই বিজ্ঞানীসকলৰ অনুসন্ধিৎসু দৃষ্টিত শক্তিৰ উৎসৰ নতুন নতুন দিগন্ত উদ্ভাসিত হৈ উঠিছে। সমগ্ৰ মানৱ জাতিৰ সুখ-শান্তি আৰু কল্যাণৰ বাবে বিজ্ঞানী-সকলৰ প্ৰচেষ্টাৰ কোনো দিনেই শেষ নাই। যিমানে মানৱ সমাজত বিজ্ঞানে দকৈ শিপাব লাগিছে সিমানেই মানুহে নতুন শক্তি সন্ধানৰ পিছ ল'ব ধৰিছে।

'Leisure is the mother of philosophy'
—Thomas Hobbes in Leviathan.

# ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্য্যকৰী সমিতি, ১৯৮১-৮২ চন




বহি ( বাওঁফালৰ পৰা )—ৰাতুল বৰদলৈ ( সাধাৰণ সম্পাদক ), অধ্যাপক হিতেন শৰ্মা, অধ্যাপক গিয়াচুদ্দিন আহমদ, অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা ( সভাপতি ), অধ্যাপক মদন মোহন চৌধুৰী, অধ্যাপক সমৰেন্দ্ৰ ভাগৱতী, অধ্যাপক মোহিনী কুমাৰ বৰদলৈ।


থিয় হৈ ( বাওঁফালৰ পৰা)—প্ৰতিভা বৰুৱা ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ), অমল শৰ্মা ( ছাত্ৰ উপ-সভাপতি ), প্ৰফুল্ল বৰা ( সম্পাদক, শৰীৰ চৰ্চা ), প্ৰদীপ বৰুৱা ( সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ ), ভোলা কাকতি ( সম্পাদক, সাংস্কৃতিক বিভাগ ), প্ৰদীপ কলিতা ( সম্পাদক, সমাজ সেৱা বিভাগ ) ৰলীন হাজৰিকা ( সম্পাদক, গুৰু খেল বিভাগ ), ৰবীন ৰয় ( আলোচনী সম্পাদক ), মুক্তালাল বৰকাকতি ( সম্পাদক, সাধাৰণ খেল বিভাগ ), ৰুণ দত্ত ( সম্পাদক, লঘু খেল বিভাগ ), জয় ( বিয়াৰাৰ ), ৰঞ্জিত কোঁৱৰ ( সংগীত বিভাগৰ সম্পাদক, ফটোত অনুপস্থিত ), ক্ষিৰোদ বৰুৱা ( সম্পাদক, ছাত্ৰ জিৰণি কোঠা, ফটোত অনুপস্থিত )।



শ্ৰেষ্ঠ সমাজ সেৱী ( ১৯৮১-৮২ ),
শ্ৰীৰাজেন্দ্ৰ সিং



মিঃ ডিগবৈ কলেজ ( ১৯৮১-৮২ )
শ্ৰীঅধিৰাজ বৰুৱা



১৯৮০ চনৰ প্ৰাক্ বিশ্ববিদ্যালয়
(বিজ্ঞান) পৰীক্ষাত দ্বিতীয় স্থান
অধিকাৰ কৰা শ্ৰীৰাজু ঘাই



ছোৱালী শাখাৰ শ্ৰেষ্ঠা খেলুৱৈ
শ্ৰীমতী কৰবী হাজৰিকা



১৯৮০ চনৰ স্নাতক (কলা) পৰীক্ষাত অৰ্থনীতি
বিষয়ৰ অনাৰ্চত প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান
অধিকাৰিণী শ্ৰীমতী দীপিকা চন্দ

# ENGLISH SECTION

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

# Prospect of Adult Education Among Tea Garden Labourers of Dibrugarh District, Assam.

**Prof. S. Bhagawati,**
**Prof. N. K. Dey,**
Dept. of Economics.

The Govt. of India in the month of October, 1978, launched the National Adult Education Programme. Keeping in view the objectives of this programme we made an humble attempt to study the attitude of tea-garden labourers of Dibrugarh district, Assam, towards adult education. Three tea gardens having sizeable acreage of tea bushes were choosen at random. The study was conducted during the first quarter of 1979 and it was assisted by the students of Degree (Hons.) classes of Digboi College.

As it appears from the study, about 51% (Male : 32% and Female : 19%) of the total regular adult labour force came into the purview. The Mean age of respondents stands at 33 years. In most of the cases the respondents were married and the % of married respondents is about 98. It has been calculated that the Mean number of children to each respondent is 4 (Four). It was also attempted to find out the existing stage of literacy of labourers. It was found that the % of labourers having ability to read only is 5 (five) and to read and write is 2 (two). Remaining 93% can neither read nor write.

While conducting the study, we also wanted to be familiar with the service condition of the labourers. Our respondents were regular tea-garden employees. Their monthly nominal money income varies from Rs. 110·00 to Rs. 156·00. In addition to this money income, they are provided with minimum ration at concessional rate, free medical facilities, free housing, free firewood, free drinking water facility, free primary education for employees' children, bonus and gratuity at the time of retirement. Hence their real income in terms of money varies from Rs. 190 to Rs. 236 per month.

An attempt was also made to have an idea of popularity of Family Planning Programme among the tea-garden labourers. It was revealed from the sample study that about 33% of the

labourers are aware of this programme. Only 16% of the labourers advocate family planning whereas 84% of them do not support it.

Adult Education took the most important place in our study. As per direction of the National Adult Education Programme we confined onr study to (15-35) years age group. From the study it has come to light that the % of labourers having knowledge of adult education programme is about 63. We have also collected the causes of willingness of the labourers to receive adult education in the following manner :

(1) About 35% think that it will increase their Salary.

(2) About 4% opine that it will improve their Efficiency.

(3) About 61% hope that it will strengthen their Trade-Union movement.

We have also tried to know the difficulties/problems encountered by illiterate labourers. About 44% of them acknowledge the difficulties faced by them for absence of education. The nature of difficulties they exposed to are :- financial, fear of exploitation by the employers as well as co-employees, shopkeepers. etc.

It has been already mentioned that the percentage of literacy of tea-garden labourers is only 5 which is too meagre. However, the literate labourers enjoy some facilities such as-improvement in the status of employment, no scope for easy exploitation in the sphere of service & salary. participation in joint consultation etc.

We did also try to have a brief idea of facilities mentioned by the labourers in the way of receiving adult education. Different facilities and the % of labourers desiring are tabulated below :

| Facilities | % of labourers Desiring |
|---|---|
| (a) Free Educational Coaching | 100% |
| (b) Free Supply of Educational materials like Books, Slates, Paper, Pencils etc. | 100% |

Among the labourers interested in receiving adult education about 22% are willing to receive during duty hours while about 78% during leisure period.

Then we came to the problem of medium of instruction. Here we found that only 1 (One) percent like to receive education in English, about 74% in Hindi and about 25% in Assamese. Opinions also differ so far as authorities providing adult education are concerned. Here we found that about 20% like to receive adult education from the employer, about 72% from the Government and about 8% from voluntary organisations. As far as financial assistance is concerned the labourers have their own axe to grind. While receiving adult education almost 100% of the labourers desire monetary help. However, about 20% of them are ready to receive adult education even if they are not given any monetary help.

The last part of our study deals with the view of the labourers whether Family Planning—a burning question of the day, should be included in adult education programme. The response was not appreciably optimistic. Here we found that only 9% are of opinion that family planning should be a part and parcel of adult education programme.

Our on the spot enquiry brings the fundamental fact to the light that the economic status of the tea-garden labourers in the Dibrugarh district of Assam is quite disheartening. Though the real wages by this

section of labourers are not meagre yet their economic condition is not bright. The primary cause of their poor economic condition is the unwillingness of the labourers to adopt family planning techniques as well as their strong and deep-rooted addiction to Liquor. A major portion of their nominal income is appropriated by their large family. The secondary cause is the massive illiteracy on the part of the labourers. It is easy to understand that family planning has got a direct relationship with education. Hence to tackle the problem of both large family and illiteracy, there is ample scope for implementation of dynamic adult education programme.

We now like to present a brief scheme for the implementation of Adult Education Programme in Tea-gardens of Dibrugarh district of Assam in the followsng manner :

1. The first step should be the setting up of some schools at different parts of tea-gardens.

2. Local educated unemployed youths may be entrusted with the task of imparting education in these institutions.

3. These teachers should be given allowances on the basis of enrolment and the performance of adult students.

4. As seriously felt in our study, each adult student should be provided with free educational materials.

5. Proper arrangements should be made for testing the performance of adult students from time to time. The teachers of Secondary schools and colleges may be entrusted with this task.

6. Another important part of our finding is that the teachers of these schools must have ability to teach in both Hindi and Regional language.

7. The last but not the least important recommendation is that along with Government, the responsibility of providing education to adult labourers may be entrusted with some charitable organisation.

# Two Leaves and a Bud

**Prof. N. K. Dey**
Dept. of Economics

Assam is proud of many things and Tea which is affectionately called—"Two Leaves and a bud" (Eti kali Duti Pat) is one of them. In Assam, tea was known and used by the local tribals long before it was discovered by Bruce in 1823. However, the actual commercial exploitation of tea in Assam started only about 150 years ago. For centuries tea drinking was confined to China and Japan. It was only after 1650 that it became known in the West, although its actual introduction in the United Kingdom may have been considerably earlier. It spread gradually from Far East to the Middle East, to Russia, India, Europe, America, and is now gaining strength in every country in the world. Probably it spreads to different regions of East and South-East Asia with migration of the people from China.

In the early days of commercial Tea cultivation in Assam, it was believed that only the Tea Plant of China makes 'tea' and gardens were started with seeds and plants imported from China. Subsequently, indigenous, tea plants were discovered and these were found to grow well and yield better than the imported China plants. These later introductions were generally grown side by side with the original China Plants, as a result of which natural crossing occured between them and further mixing among their offspring resulted in plants with complex mixed characters.

The earliest method of tea preparation was to gather the leaves, press them into cakes with hands, then dry them over a charcoal fire. When required, a portion of the cake was broken off, crushed into powder and placed in the cups. However, modern tea making and classification of tea developed with the growth of export trade. For proper understanding of the readers, modern tea manufacturing process can be divided as follows :

| 1 | 2 | 3 | 4 | 5 |
|---|---|---|---|---|
| WITHERING | ROLLING C. T. C. | FERMENTING | DRYING | SORTING |

It is generally accepted that the best Teas are made from good quality leaf i. e., two leaves and a bud, spread evently and lightly, and withered in cool clean atmosphere. Leaf is withered to evaporate surplus moisture and bring it to a physical condition suitable for Rolling without splitting or flaking. During withering, the leaf given off Carbon Dioxide and loses solid weight. Nothing beats this time-honoured test for the fitness of leaf for rolling : "It should be silken and cool to touch, and the stalks should be flexible and remain unbroken when bent. When squeezed in a ball, the leaf should remain thus and not expand. It should smell of fresh apples."

Leaf is rolled to squeeze out juices which, having come in contact with the air, start chemical changes necessary for the production of black tea. Rolling practice changes to suit markets in the demand for grades of one sort or another, or liquors which are light, flavoury, or coloury and strong in cup. In Assam, three or even two roll programmes are resorted to in rush months, but high humidities and softer leaf texture enable Tea Makers to turn out good black assortments from leaf scarcely withered at all.

Such being the demand for quick brew teas today, tea makers assume C. T. C. (Crushing, Tearing, Curling) to be one of the standard systems. The process of crushing, tearing & curling was invented by William Mckercher in 1932. Briefly, the machine consists of two stainless steel engraved rollers, the first set at 70 r.p.m. and the second at 700 r.p.m. The degree of tearing is governed by the step pulley on the slow speed roller.

The third step of tea manufacturing is Fermentation. Leaf is taken to be Fermenting room immediately after the final C. T. C. cut or rolling. At this section, leaf gains its colour. It is general practice to send the leaf to the Drying machines as soon as the temperature in the mass begins to drop in the Fermenting room.

The last but not the least important part of the manufacturing is Sorting. At this step cleaning of tea and elimination of unnecessary fibres are done. Proper Grading of teas is also undertaken at this section. Here it is worth-mentioning that the ratio between green-leaf and made-tea is 100 : 22 kgs.

Since the day of first planting at Lakhimpur district in the year 1833, at present there are 753 tea estates in Assam, covering an area of 1,90,621 hectares. According to 1978 estimate the annual productivity of tea in Assam is 298 million kgs. and it is about 54% of All-India productivity and 25% of World production. Tea estates of Assam have offered direct employment to about 4·5 lakhs of labours. From this industry Govt. of Assam earns about Rs. 12 million per annum as share of Union-Excise duties & other duties fixed at Rs. 1·51 per kg. of made tea. The average Production Cost per kg. of tea has been worked out as Rs. 8/- which excludes all duties. As a foreign exchange accounting nearly 10% of total exports. The U. K. is its principal customer, taking about 50% of the total tea exports from India.

But this is not the be-all and end-all of "Two Leaves And A Bud". Indian tea is in the grip of many problems today. The main problem in regard to tea exports from India is one of stagnant demand and keen competition from rivals, particularly Ceylon and the tea-producing countries of East-Africa,

leading to falling prices. A serious weakness of tea industry in India is that, too little attention has been paid for & modernisation and the development of quality teas. So far as Assam is concerned, the problem of marketing has offered a serious threat to tea industry. In 1970, a tea auction market was established at Guwahati. But it could not appreciably improve the situation and in 1977-78 it handled only 52·6 million kgs. of tea which is too scanty. Hence due emphasis should be placed on : (1) establishment of more tea auction centres at least at Dibrugarh and Sibsagar districts of Assam, (2) enlargement of operation of existing market, (3) and adoption of cost-minimising techniques.

# The Story of Paper Making

**Biswajit Bhagawati**
Final Year Degree Sc.

The development of paper making has synchronised with the progress in other branches of science and technology. Paper to day is the life-blood of civilisation. The paper of today has little resemblance to Papyrus from which the name has been derived. Papyrus was developed in Egypt at least a millenuium before Christ. The true paper which is a sheet made-out of a aqueous suspension of cellulosic materials was invented at a later date.

Although the popularity of paper was increasing, papyrus continued to be the chief writing medium till the beginning of the fourteenth century. With the invention of paper machines, the production increased at a very fast rate. With the development of pulping wood America took the lead in the production of pulp and paper. By 1872 American paper industry entered a new era of development. In 1964 the U. S. A. was by far the largest producer of paper, contributing more than 40% of world production. The per capita consumption of paper may be considered as an index of prosperity and progressiveness. In this regard the U. S. A. again ranks first in the series with a per capita consumption of over 200 kg, the U. K. fourth with 100 kg, France fourteenth with 70 kg, China seventy seventh with about 3 kg and India ninety sixth with a little over 1 kg in the world of 132 nations averaging a per capita consumption of 27 kg per year.

### Technology of Paper Manufacture

**Raw materials** : Paper is a sheet of cellulosic fibres. Although fibres may be derived from various sources such as wood, silk, asbestos, rayon, nylon etc, the bulk of paper is made of vegetable fibres. Bamboo grass, wood and agricultural residues like straw, bagasse and jute-sticks are also used as raw materials for producing ordinary papers used for writing and printing purposes. Cotton would be the first choice because of its colour, purity and durability but as the price is too high cotton is actually used for manufacturing quality papers like currency papers, bond papers, carbon papers etc. Bast fibres like linen, hemp sunhemp, jute are also available as the rawmaterials of paper. Recently scientists discovered that from wrter-hyacinnth also a good quality of paper can be produced.

**Process of pulping raw materials** : The

raw material is cooked with cooking liquors in a vessel called digester. The new substance that comes after cooking from the digester is called pulp. The process by which pulp is obtained is called the pulping process.

Generally three types of pulping processes are adopted and these are accordingly Mechanical, Chemical and semi-chemical pulping processes. Each of them is again sub divided into different processes. These processes may vary with the difference of raw materials.

For pulping cotton, it is first boiled with water, if necessary, a quantity of wood-ash or soda-ash is also used. For hosiery cutting, old rags, ropes, nets etc. are cut into small pieces and boiled with time, Soda or Caustic Soda, and then washed, teased-out in breakers. For pulping bamboo and wood, they are cut into small pieces (about 6 feet long) and crushed to make chips in chipper (name of the machine used for chipping purposess) and then boiled with Caustic Soda or Sodium Carbonate and Sodium Sulphide.

Such intricate methods and devices have been developed for separation of the fibres from bundles and lumps with a minimum loss of material and preservation of enough strength required for the paper to be made in the end.

The basis of the fibres is cellulose along anhydro-dextrose chain made by 1-4. B linkages. In stem of plants cellulose fibres are held together by a natural cementing material called liqnin with which a lesser form of carbo-hydrate, called hemicelluloss is present as an interpenetration. The length, width and shape of celluloss fibres vary from plant to plant and so also the proportion of liqnin, hemicellulose, gross and bevan cellulose, colouring matters and minor constituents are varied. The pulping of raw-materials consist in the separation of fibres with or without removal of lignin, which again causes all the differences in quality and yield of pulp.

**Washing of pulp** : The black coloured pulp is then washed by water and diluted black liquor (The liquor which comes-out from the washer offer washing is named black liquor) to remove the liquors, employed for cooking and other soluble substances.

**Bleaching of pulp** : The commercial pulps require a further course of treatment to bring the colour up to the standard whiteness. This process of whitening or brightening the colour is called bleaching. The bleaching operation consists in removal of liqnin matter by solubilising with chlorine, hypochlorites and chlorinedioxide. In modern method of bleaching, multistage bleaching replaced the single stage bleaching. Hydrogen Peroxide and Sodium Peroxide are also used in the final stage bleaching of Chemical Pulps so as to avoid degradation of cellulose.

**Recovery of Chemicals** : In Chemical pulping process a large amount of chemicals are consumed. And the maximum amount of these chemicals come out from the washer alongwith water which shoule be recovered for economic reasons if not for abatement of environmental pollution as well. This process consists in concentration of the spent liquor in a multiple effect vacuum evaporator and then burning it in a suitably designed furnace. In the case of Soda pulping (pulping is done by sodium hydroxide), bulk of the chemicals are recovered as Soda-ash which is converted to Caustic-soda with the help of lime. Any loss of soda incurred in washing of pulp etc. is made-up by fresh soda-ash. Sadium sulphate is the make-up chemical in case of sulphate pulping.

**Stock preparation :** To develop the desired sheet forming characteristics the pulp has to go for a further treatment, mechanical or chemical or both in this section. Stock refers to the pulp which is ready for making paper.

The fibre is a raddish like structure and hydrophalic in nature. The first stage in the paper making process is the treatment of fibres in such a way as to enable them to make a good and strong sheet. The fibres for this purpose are subjected to a mechanical action whereby the fibres undergo some physical and structural changes This process is known as Beating and Refining. These effects tend to increase the surface area of the fibres and make them soft and elastic. Since the paper making fibres are stiff and springy, if they are made into a sheet of paper without beating and refining, the resulting paper will be weak and flabby.

A process sizing is also done in the Stock Preparation section to give a property to the cellulose fibres such that it can resist the penetration of ink. The sizing chemicals used generally are rosine, wax and aluminium sulphate.

Fillers and loading materials are added to the pulp to improve the printing surface, to give a higher finish and greater opacity, a close and even appearance and to improve dimensional stability in changing atmospheric conditions. They often improve the brightness, texture, printing quality but reduce the strength. China-clay, Talcum, Titanium-oxide and Kieselguhr are used as filling and loading materials. Sometimes by using more filling and loading materials (beyond limit, the paper will break) adulteration paper is also produced.

The dyeing of paper to the correct colour is another operation carried out in the beater (beating apparatus). Even apparently white papers are also toned with a minute quantity of red and blue dyes. Dyes are soluble in water and are almost exclusively synthetic organic chemicals derived from organic bases and acids. It is a delicate Process and needs extreme care in order to have desired result.

Besides the above additives in stock preparation section some more special additives are used for producing good and special qualities of papers.

**Paper-making :** The pulp after stock Preparation Section is stored in a blending chest. In a proper proportion different types of pulps and brokes (pulp produced from waste papers) are mixed here. The proportion is determined by a proportioning instrument called Trimbey Meter. It is a great importance that the consistency (amount of overdried fibres present in 100 ml of pulp slurry) of the stock should be maintained at every stage. This is done by a consistency regulator which automatically regulates the amount of dilution water to be added to the stock. The whole mass is kept circulating by the agilators at any time. The pulp is then pumped to the paper machine head box passing through a constant level box, a basis weight valve (This valve uses for determining the uniform weight of the final paper sheet) ane some vortex type cleaners.

The consistency of the pulp of the head box is varied from 0.5% to 1.5% according as the desired quality of papers. The pulp suspension is distributed evenly by baffles and perforated rolls inside the whole width of the head-box. The velocity at which the stock is discharged, nearly equal to the speed of the wire. The sheet forming process basically consists of spreading a dilute suspension of

fibres through the slice (opening of the head box), uniformly dispersed in the form of a layer of pulp on a moving endless metal woven wire-mesh. The machine wire travels back to the breast roll and continuity of the sheet is maintained by continuous flow of stock on the machine. The discharged velocity and freeness of the stock and the shaking of the wire are highly influenced for the formation of the sheet. Water from the sheet is drained first by gravity and then producing suction (more or less at different stages) by table rolls, foils, suction box and Suction Couch. (These are shown in figure). Some more rolls are employed to keep the wire in position on the table and on the return side of the wire a strong water shower is kept to clean the travelling wire.

The water which is drained through the wire is called white water, collected in a pit and use for diluting the stock where necessary.

From the suction couch roll the sheet is passed on to a felt and moves onward to the presses at 15 to 22 Percent consistency. Pressing is the best way to remove water from the sheet but only to a definite limit, otherwise the sheet will break at the nip. A press consists of a pair of large rolls that may be of various types. There can be a number of presses on the machine depending on the amount of water to be removed. The top roll is pressed over the bottom roll by pneumatic, hydraulic or machanical pressure.

Only the presses cannot remove all the water from the sheet. So, for a next treatment the sheet passes over drying cylinders called dryers where the left water is evaporated. These cylinders are hollow, steam heated, Cast iron cylinders, accurately machined from the out side and inside.

After the last dryer, to improve the finish of the paper, the sheet is passed through calender (machine with rollers for smoothing the paper) which may be single or double stacked. For producing special grade of paper Super-calender is also used.

The continuous sheet round a drum is then stitted into reels or cut on a sheet cutter according to the customer's size. The sheets are finally sorted, counted and packed in the finishing house.


Practically the final paper is not dried completely. There should be atleast 0.5% moisture content in the final sheet of paper.

The above description of paper-machine is about Fourdinier Paper Machine. There is also a common type of paper machine, called Cylinder Machine, very often used for making paper and paper board. The wet sheet (fibre sheet) formed on a round wire, wound over a mould rotating in a wet and submerged in a suspension of fibres and the water drains from the sheet through the inside of the mould. This sheet is then pressed, dried and wounded round a drum as before.

**Names of common type of papers :** The names of the paper are given on the basis of their colour, structure, composition substance and uses. Practically the following papers are used in our day-to-day life.

Bond paper, Carbon paper, Chart paper, Kraft paper, Grease-proof paper, Label paper, Litho paper, Photographic paper, Newsprint paper, Towel and napkin paper, Poster paper, Writing paper, Tracing paper, Sanitarytissue pape, Safety paper, Match-box paper, Printing paper, Parchment paper, Off-set paper, Map paper, Manila paper, Onion skin paper, Art paper, Wall paper, Glassine paper, Filter paper, Duplicating paper, Drawing paper, Diazo-base paper, Documents paper, Cream Woves paper, Condenser paper, Cigarette paper Blue print paper, Blotting paper, Currency paper, Bible paper, Air-mail paper, Antique paper etc. etc.

# FLOW SHEET OF FOURDINIER PAPER MACHINE



WIRE PART | PRESS PART | DRYING PART

Wire direction—

Paper direction—

| | | | |
|---|---|---|---|
| 1. | Breast Roll | 15. | Wet Press |
| 2. | Couch Roll | 16. | Fabric Press |
| 3. | Head Box | 17. | Dryers |
| 4. | Forming Board | 18. | Calender |
| 5. | Table Rolls | 19. | Pope Reel |
| 6. | Suction Box | 20. | Slice |
| 7. | Dandy Roll | 21. | Shower |
| 8. | Auto-Guide Roll | 22. | Stock-in |
| 9. | Tension Roll | 23. | Direction of wire |
| 10. | Spreaded Roll | 24. | Direction of Paper |
| 11. | Washed Roll | 25. | Dancing Roll |
| 12. | Wire Pit | 26. | King Roll |
| 13. | Couch Pit | 27. | Swept dryer |
| 14. | Suction Press | 28. | Guide Roll |

# Digboi Refinery-AT A Glance.

**Jayasree Chakraborty**
**Arundhoti Barua**
B,A. 2nd Year (Hons)

Digboi Refinery is the oldest and only full-fledged refinery for oil production, refining, marketing & distribution of oil products in India. The oil resource of Digboi was first detected by the A.R.&T. Company while erecting railway from Dibrugarh to Margherita in the year 1882.

The drilling of the first succssful well was started in the year 1889, September and its existence is still bearing. The drilling for this well of about 662. ft. was completed in the month of November, 1890 i.e. it took over a time of about 14 months.

In 1898 a separate oil company was fromed for oil operations and it was named as "Assam oil Company Ltd." A refinery at Digboi was commissioned in 1901. A.O.C. completed 100 wells by 1921 which produced about 380 barrels a day and which were not enough to pay their costs. So Burma oil Company came and took over A.O.C. in progressive stages. With their closest supervision production was raised to 3000 barrels a day.

No oil field of the world gives a permanent production. World oil history tells us that an oil field produces oil for abut 50 to 60 years only. But it is the only exception with Digboi oil field where oils are still being produced for about 100 years from its invention.

As the owners of this gignatic concern uncorporated to Great Britain were foreigners, the profit margin was taken by them. Since independence Government of India was thinking over the nationalisation of this industry. Due to various reasons mostly economic, this could not be practicalised for a long time. However, effective from 14th October, 1981 A.O.C. Ltd. has been nationalised and marged with I.O.C., the largest public sector undertaking in India with an annual out-turn of about Rs. 6000 crores. After nationalsation A.O.C. Ltd. has been named as I.O.C, (A.O.D.) that is Indian Oil Corporation (Assam Oil Division) and using the same logo "RHINO" I.O.C. (A,O.D.)'s activities are now concerned with refining, & marketing of the products whereas production activities have been marged with oil India Limited. I.O.C. has chalked out a plan to expand Digboi Refinery and to increase the output to 0·7 million tonnes as against 0·5 million tonnes and gradually to 1 million tonnes. Here it is worth-mentioning that at present 15 nos. of various oil products are being produced at Digboi Refinery. With nationalisation merketiug problem of these products has been solved to a significant extent.

But this is not the be-all of Digboi oil installation. It has offered direct employment about 3132 of people, which is really a bold step in tackling the burning problem of unemployment. Moreover it has set up a well-equipped hospital at Digboi which has brought he innumerable physical miseries of the employees as well as of the neighbouring public to an end. In this way, I.O.C. (A O.D.) has been playing a signficant role in the sphere of social and economic uplift.

# Fair Skies

**Biswajit Chakravorty**
B. Com. 2nd year

When skies are grey, and winds blow high,
I'll seek the friends with mirth and cheer
The sun is veiled, but what care do I ?
The rays buoyant are everywhere here !
How sweet it is to meet together
When hearts are bathed in sunny weather !!
Not sun alone, not I alone
But all of us together,
Can keep the sunshine going strong
In every sort of weather.

# Nucleic Acids

**Amulya Gohain**
B. Sc. 1st year.

The molecular geneticist have recently discovered that nucleic acids which constitute the fundamental molecular 'machinery of the cell, is responsible for the phenomena of heredity. Chemically, the chromosomes are made of a class of compounds called nucleoproteins. These are formed by a combination of basic proteins and nucleic acids. The common basic amino group ($-NH_2$) and the two groups of nucleoproteins formed from them are respectively called nucleohistones and nucleoproteins. They are highly complex molecules of enormous size and are negatively charged at physiological PH. They are of many size, configuration and metabolic role. They belong to two general classes, one containing the sugar deoxyribose called deoxyribonucleic acid (DNA) and the other containing the sugar ribose called ribonucleic acid. (RNA).

Now, it is finaly established that in most organism genes are made of DNA or in other words DNA is the sole genetic material, analogous to genes, responsible for transmission of heredity characters from one generation to another. And it also controles all biosynthetic processes including all other activities of the living cell.

DNA is of universal accurance in almost all plants and animals. It is a constant component of all chromosomes and is the chemical of which genes are made.

1) DNA is metabolically stable under the physiological conditions in the cell and is not effected by the normal metabolic activity of the cell. The amount of DNA remains constant in a non dividing cell.

2) The DNA content of all the negetative cells of a species is constant irrespective to their size.

3) Preparatory to division and during mitosis the amount of DNA includes until it is almost exactly double the amount present in the non-dividing cell. Mitosis brings about an equal distribution of DNA to the two daughter nuclei. Therefore, when first formed all diploid nuclei of an individual posseses approximately the same amount of DNA.

4) The presence of DNA in the chrmosomes can be demonstrated by the cytochemical staining technique developed by Feulgen and Rasseuback (1924). Sections of fixed tissues are treated with Schiff's reagent which consists of basic fuchsin in sulpharus acid. The acid converts the basic fuchin into a colourless compounds uneofuchsin. This reagent reacts with the free aldehyde groups of deoxyribose, giving a characteristic purple colour. The Feulgen reaction is intensely positive in the chromonemate and its specific for DNA.

5) The quantity of DNA in a given cell is directly related to the number of chromosome sets. Thus the amount of DNA is haploid gamates is almost exactly half that continued in diploid somatic cells of the same species. The first meictic division of the nucleus which results in the formation of haploid daughter cells brings about as quantitatively equal division of the DNA of the parential cell between the two daughter nuclei. Syngamy which restores the diploid chromosome condition also restores the DNA constant characteristic of the diploid cell.

6) Cells which contain more than the normal two chromosomes sets (Polyploids) contain proportionately greater amount of DNA. Thus the DNA contents of tetraploid (4n) cells is roughly twice that of diploid cells and octaploid (8n) cells contain almost four times the DNA present in diploid cells.

7) It is known that the structure of DNA can be altered by certain chemical and physical factors. Such factors cause mutations.

8) As stated earlier, genetic transformation can be brought about by introducing pure DNA into cells.

**Nucleic Acids and their Constituents**

Nucleic acid are most important molecules in cell biology. Structuraly, they belong to a


class of compounds called polymxers. Neuclic acids are the most complex and the largest and heaviest molecules of of the living world. A nucleic acid with a moleculer weight of 25,000 is regarded as a comparatively small molecules of its class. They are called complex molecules because their monomeric units are formed as a result of chemical combination between three different smaller molecules. These smaller constituents are a pentose (5 carbon) sugar molecule, an Organic nitrogen base and phosphoric acid.

**(1) Pentose** :—They are 5 carbon sugar and are of two kinds ; ribose and deoxyribose. The difference between the two pentose sugar is very small. In ribose the carbon atom contains a hydroxyl (—OH) group. In deoxyribose this (OH) group is lacking and its place is taken by a hydrogen (H) atom. A nucleic in which the pentose constituents is ribose is called ribonucleic (RNA) acid and the one which contains deoxyribose is called deoxyriboncleic acid (DNA).


**(2) Nitrogen bases** : These are nitrogen containtng organic bases. The common nitrogenous bases are adenine (A), guanine (G thymine (T), cytosine (C), and uracil (U). The first two are the derivatives of parent compound purine and the last three are pyrimidine derivatives. The pyrimidines are nitrogen containing six-membered ring compound and in its purines, a five memberad ring is joined to a pyrimidine ring.

SUGARS


PHOSPHORIC ACIDS



Ribose



Deoxyribose




Phosphate


NITROGENOUS BASES

PURINES


PYRIMIDINES




Adenine



Thymine



Guanine




Cytosine

3) **Phosphorlc acid**—It contains three acid groups and can react with the (OH) groups of the pentose.

## STRUCTURE OF DNA


DNA is the key molecule in the living world. It is the most complex and the heaviest molecule of the cell, having a molecular Wt. of $10^8 - 10''$. For every gram molecule of phosphorus the DNA molecule contains one gram molecule of the pentose sugar deoxyribose. In the DNA molecule, sugar and phosphate are common to all the nuclotides, some DNA'S contain small amounts of usual bases, methyl cytosine (MC) and 5 hydroxymethyl cytosine in place of cytosine.

On the basis of X-ray diffraction studies of DNA strands by Wilkins and Franklin ( 953), Waston and Crick (1953) conceived that the DNA meleacle is not a single strand are directed towards the centre at right angle to




the lond strands. The base molecule of the two strands are joined together by weak hydrogen bonds to form base pairs. Although the hydrogen bonds between the base pairs of the two strands are weak, their large number ensures that the two strands are held together by a fair degree of firmness This arrangement gives to the DNA molecule a ladder like appearance.

The side rails or long banisterns of the ladder which are iu contact with the outer medium and which form the back bone of the DNA supermolecules are formed by alternating sugar and negatively charged phosphate groups bound by strong chemical bonds. The base pairs which are strongly hydrophilic occur in the centre of the molecule and form the rings or horizontal steps of the ladder. This ladder is however not straight. As conceived by Noble Prize Winners U.D. Watson and F.H.C. Crick the two strands of the DNA molecule are twisted about each other at intervals round a Central axis to form a double helix something like a spiral circular stair case. The two strands of DNA travel in opposite directions, that is they are antiparallel or opposite polarity.




Ref :—

(1) Genetic and evolution by P. L. Kochhar.

(2) Class Book of Botany By A. C. Dutta.

# Laugh Awhile

**Ashique Hussain**
P. D. Science,
First year
Roll No. 18.

(i) Analysis of a back Bencher in a class.
Symbol—Bb. Atomic Number—420
Atomic weight—Variable.
Equation for preparation :—
Back chair + Student − Attention − his back bench seater friends.
Relative Density—Heavier than his class fellows.

**Occurrence :**

(a) On rare chairs in class room.
(b) On front rows of Cinema-halls.
(c) In restaurants.
(d) In passing remarks on girls.

**Physical Properties :**

(a) Looks like Filmi Hero.
(b) Wear clothes of the latest cut.
(c) Always pass a nervous glance at his wrist watch during a lesson.
(d) Generally busy in disturbing his class-mates.

**Chemical Properties :**

(a) Acts ridiculously leading to fights and quarrels.
(b) Teachers' words are all Greek and Latin to him.
(c) Exteremely sensitive to movies.
(d) Reacts with chalk pencils to make cartoons on the black board or to throw the odd pieces at the front seats.

**Uses :**

(a) Good consumer of his parents' money.
(b) Helpful to restaurant and cinema hall owners.
(c) Serves as a constant headache to the Teachers.

(ii) Professor :—A man who talks during someone else's sleep.
Zoo :—A place devised for animals to study the habits of human beings.

(iii) The doctor stood by the beside and looked gravely down at the sick man. "I can't hide from you the fact that you're very ill," he said. "Is there anyone you would like to see before you go ?"
"Yes," said the patient very faintly.
"Who is it ?"
"Another doctor."

(iv) Rajeev :—How should I convey my father that I failed again.
Ram :—No problem, you can just send a telegram : Result declared, last years performance repeated.

(v) He bought a new "miracle" carburettor that saved 30 percent on petrol. He then bought a new set of sparkplugs which guaranteed a saving of 40 percent on petrol. The purchase of the new electronic timer, the salesman assured him, would save 35 percent on fuel.
He fitted all the above devices tn his Car. Then he got in and drove 50 miles—then the petrol tank overflowed.

# বি
# ভা
# গী
# য়

## সম্পাদকসকলৰ

## প্ৰতিবেদনসমূহ

# সাধাৰণ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

## ১৯৮১/৮২

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্ব্বাচিত কৰি ডিগবৈ মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীক সেৱা কৰাৰ যি সুবিধা প্ৰদান কৰিলে তাৰ বাবে মই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত সমগ্ৰ অসমত বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত যি এক অভূতপূৰ্ব আন্দোলন চলি আছে; তাৰ প্ৰতি সহাঁৰি জনাই ডিগবৈ আঞ্চলিক ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ লগত ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়েও যথেষ্ট দুখ-কষ্টৰ মাজেদি অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত জপিয়াই পৰি আন্দোলনটো সফল কৰিবলৈ সক্ৰিয় সহায়-সহযোগ আগবঢ়াই আহিছে। কেন্দ্ৰীয় চৰকাৰে অসমৰ আন্দোলনটো ৰাষ্ট্ৰীয় সমস্যা বুলি স্বীকাৰ কৰিও এই সমস্যাৰ সমাধান নকৰি বিভিন্ন চক্ৰান্তেৰে আন্দোলন দমন কৰাত ব্যস্ত হৈ পৰিছে। এই চক্ৰান্তৰ হাঠিয়াৰ স্বৰূপে চৰকাৰে বিভিন্ন ধৰণৰ ক'লা আইন প্ৰয়োগ কৰি ছাত্ৰ-যুৱকসকলক বিনাদোষে বন্দী কৰাৰ উপৰিও পুলিচ. চি. আৰ. পি. আৰু মিলিটেৰীৰ দ্বাৰা বহুত যুব-ছাত্ৰক শ্বহীদ কৰিলে। বহুতক পঙ্গু কৰিলে আৰু বহু মাতৃৰ ৰঙা সেন্দুৰ চিৰদিনলৈ মুচি দিলে; ক'ত নাৰীৰ সতীত্ব হানি হ'ল তাৰ কোনো লেখ নাই। কিন্তু অসমৰ ৰাইজ বিচলিত নহল। তেওঁলোকে দুগুণ উৎসাহেৰে "তৰিলে দেশ মৰিলে স্বৰ্গ"কে সাৰোগত কৰি ৰাজপথলৈ ওলাই আহিল। আন্দোলন চলিয়েই থাকিল। এই আন্দোলন দেশৰ অখণ্ডতা ৰক্ষাৰ হেতু সম্পূৰ্ণ এক সাংবিধানিক দাবীৰ আধাৰত পৰিচালিত হোৱা স্বত্বেও চৰকাৰে সমস্যা সমাধানৰ পৰিবৰ্তে দমনমূলক ব্যৱস্থা গ্ৰহণ কৰি যি হিংসা নীতিৰ দৃষ্টান্ত দাঙি ধৰিছে তাৰ বাবে কোনো গৰিহণাৰ ভাষা যথেষ্ট নহয়। চৰকাৰৰ সকলো প্ৰৰোচনাক নেওচি, চৰকাৰৰ ৰঙা চকুক ভ্ৰুক্ষেপ নকৰি আমাৰ সমূহ আন্দোলনকাৰী ৰাইজৰ লগত ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়েও আন্দোলনৰ সকলো কাৰ্য্যসূচীত সক্ৰিয় অংশ গ্ৰহণ কৰি নিজকে প্ৰকৃত সংগ্ৰামী ছাত্ৰ হিচাবে প্ৰতিষ্ঠিত কৰিবলৈ আহ্বান জনালো।

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাই নতুন কাৰ্য্যভাৰ লোৱাৰ পাছত উপলব্ধি কৰিছে—ডিগবৈ মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগ। ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা আৰু "DIGBOI COLLEGE AID CLUB"ৰ পুঁজিৰপৰা পোৱা শকত পৰিমাণৰ বৰঙণি স্বত্বেও এটা অসম্পূৰ্ণ প্ৰেক্ষাগৃহ, এজাক বৰষুণতে বোকা হৈ পৰা এটা ৰাস্তা, চালি এখনৰ তলতে কাম চলাই থকা এটা লেবৰেটৰীৰ অংশ বিশেষ; পিয়াহত পানীৰ ব্যৱস্থা নথকা, খেল পথাৰৰ অভাৱত লোকৰ খেল পথাৰৰ বাবে আবেদন কৰিবলগীয়া অৱস্থা, নৈশ শাখাৰ শ্ৰেণীত লাইটৰ অসুবিধা, মহাবিদ্যালয়ৰ চাৰিসীমাৰ দেৱাল আদি নথকাত সময়ে সময়ে অকাৰণে পুলিচী নিৰ্য্যাতনৰ সন্মুখীন হ'বলগীয়া হোৱা আদি এশ এবুৰি সমস্যা। এই সমস্যাবোৰ অতি সোনকালে সমাধান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা লাভৰ আনুসংগিক প্ৰতিভা বিকাশৰ সকলো সুবিধা কৰি দিবৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত দাবী জনালোঁ।

মই সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত হোৱাৰ পাছতেই মোৰ প্ৰথম কাম হ'ল—"মহাবিদ্যালয় সপ্তাহ" পালন কৰা। অসমৰ এই জটিল পৰিস্থিতিলৈ লক্ষ্য ৰাখি সপ্তদশ ডিগবৈ মহাবিদ্যালয় সপ্তাহ সংক্ষেপে পাঁচদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। এই পাঁচদিনৰ কাৰ্য্যসূচীত ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন খেলত নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰি উচ্চমানদণ্ডৰ খেল প্ৰদৰ্শন কৰিছিল বিভিন্ন বিভাগীয় সম্পাদকসকলে ভাৰপ্ৰাপ্ত অধ্যাপকসকলৰ সহযোগত

মহাবিদ্যালয়ৰ সপ্তাহ সুচাৰুৰূপে চলাই নিয়াত সক্ৰিয়-সহায় সহযোগ আগবঢ়াইছিল। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনাৰ কাৰ্য্যসূচী মুকলি অধিবেশনত অসমীয়া সাহিত্য সংস্কৃতিৰ এগৰাকী বিশিষ্ট পণ্ডিত "কপলিং ছিগা ৰেল"খ্যাত ডঃ লীলা গগৈ দেৱৰ জ্ঞান-গৰ্ভ ভাষণেৰে সকলোকে উৎসাহিত কৰিছিল। শেষত খেল-ধেমালী, গীত-মাত আদি বিভিন্ন বিষয়ৰ প্ৰতিযোগিতাসমূহত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক বঁটা বিতৰণ কৰিছিল। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত স্থানীয় আৰু অতিথি শিল্পীৰ যোগদানেৰে সাংস্কৃতিক অনুষ্ঠান সফল হৈ উঠিছিল।

ইয়াৰ পাছত ৬।২।৮২ তাৰিখে অন্যান্য বছৰৰ দৰে এই বছৰো সমূহ প্ৰাক্‌স্নাতক আৰু স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষাৰ্থীক সমূহ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হৈ ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাই বিদায় সম্ভাষণ জনায়। এই বিদায় সভাত ডিগবৈৰ বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক শ্ৰীযুত জয়কান্ত গন্ধীয়াদেৱৰ ভাষণে সমূহ ছাত্ৰ-ছাত্ৰীকে আনন্দিত কৰিছিল।

সৰ্বশেষত ২৮।৮।৮২ তাৰিখে ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাই সমূহ নবাগত ছাত্ৰ-ছাত্ৰীক আদৰণি জনাবৰ বাবে "নবাগত আদৰণি" সভাৰ আয়োজন কৰে। এই নবাগত আদৰণি সভাত মাৰ্ঘেৰিটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত সুৰেন বৰুৱাই মুখ্য অতিথিৰূপে যোগদান কৰি তেখেতৰ জ্ঞানগৰ্ভ ভাষণেৰে সমূহ ছাত্ৰ-ছাত্ৰীক আনন্দিত কৰি তুলিছিল। সেইদিনা নবাগত ছাত্ৰ-ছাত্ৰীসকলক ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সমূহ বিভাগীয় সম্পাদকসকলৰ লগত সমজুৱাভাৱে চিনাকি কৰি দিয়া হয়; আৰু নবাগত ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ নিজৰ চিনাকি সমজুৱাকৈ দি গোটেই সভাখন আনন্দমুখৰ কৰি তুলিছিল। আৰু সেইদিনা ৰাতিলৈ নবাগত ছাত্ৰ-ছাত্ৰী তথা অতিথি শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হৈছিল।

এইবাৰ ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাই "ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা"ৰ সংবিধানখন অসমীয়ালৈ অনুবাদ কৰা আৰু সংবিধানখনৰ ত্ৰুটিসমূহ সংশোধন কৰাৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে সংবিধানৰ অসমীয়া অনুবাদটো সাধাৰণ সভাত সৰ্বসন্মতিক্ৰমে অনুমোদিত হৈছে। মই আশা ৰাখিছো যে মই মোৰ কাৰ্য্যকালতেই এই সংবিধান সংশোধনৰ কাৰ্য্যও সম্পন্ন কৰিম।

শেষত মই ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক, অধ্যাপিকাসকলক জ্ঞাত বা অজ্ঞাতে কৰা দোষ-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিছো।

মোৰ কাৰ্য্যকালত ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসকলে প্ৰত্যক্ষ বা পৰোক্ষভাৱে দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে মই তেখেতসকলক ধন্যবাদ জ্ঞাপন কৰিছো। এই ক্ষেত্ৰত মই বিশেষভাৱে ডিগবৈ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ ওচৰত চিৰকৃতজ্ঞ।

ইয়াৰ উপৰিও মোক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে মই ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ ছাত্ৰ-উপ সভাপতি আৰু প্ৰাক্তন সাধাৰণ সম্পাদক—যথাক্ৰমে শ্ৰীঅজিত বৰা আৰু শ্ৰীলীলা বৰাৰ ওচৰত মই চিৰ ঋণী।

সৰ্বশেষত মই ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদন ইমানতেই সামৰিছো। "ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা" দীৰ্ঘজীৱী হওক। 'জয় আই অসম'।

ধন্যবাদ—

**ৰাতুল বৰদলৈ**

সাধাৰণ সম্পাদক

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ ১৯৮১—৮২ চনৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনক তথা ছাত্ৰ-ছাত্ৰীক সেৱা কৰিবলৈ যি সুবিধা দিলে তাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**কাৰ্য্যবিৱৰণঃ** আমাৰ ছাত্ৰ সন্থাই কাৰ্য্যভাৰ লোৱাৰ পাছতেই ইং ২৩।১২।৮১ তাৰিখৰ পৰা ২৮।১২।৮১ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহত সমাজ সেৱা বিভাগৰ ফালৰ পৰা "শ্ৰেষ্ঠ সমাজসেৱী'ৰ বাবে প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতা পৰিচালনা কৰে অধ্যাপক শ্ৰীগজেন বৰদলৈ চাৰে। এই প্ৰতিযোগিতাত শ্ৰীৰাজেন্দ্ৰ কুমাৰ সিংক 'শ্ৰেষ্ঠ সমাজসেৱী' আৰু শ্ৰীকে, নাইডুক দ্বিতীয় "দ্বিতীয় শ্ৰেষ্ঠ সমাজসেৱী" হিচাবে নিৰ্বাচিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ ৰাস্তাৰ, দুয়ো কাষ, মহাবিদ্যালয়ৰ চাৰিও কাষ আদি চাফ-চিকুণ কৰা হয়, আৰু লগতে বিভিন্ন সম্পাদক সমূহক তেওঁলোকৰ কাৰ্য্যত আমাৰ ফালৰ পৰা সম্পূৰ্ণ সহায়-সহযোগ আগবঢ়োৱা হয়। ইয়াতে এটা কথা মই কবই লাগিব—আন্তৰ্জাতিক খ্যাতিসম্পন্ন গায়ক, গীতিকাৰ তথা সঙ্গীতজ্ঞ ডঃ ভূপেন হাজৰিকাৰ গীতৰ কথাৰে—"কথাৰে নহয় বন্ধু, কামত পৰিচয়" আৰু কৰ্মৰ দ্বাৰা মই সমাজৰ সেৱা কৰিম, কথাৰে নহয়" এই মহৎ বাণীকেইষাৰ শিৰোগত কৰি কাৰ্য্য-ক্ষেত্ৰত আগবাঢ়িছিলো। কিন্তু কাৰ্য্যক্ষেত্ৰত বহুতো বাধাৰ সম্মুখীন হব লগাত পৰিছিল। সেইবিলাকৰ ভিতৰত—১৯৬৫ চনতে স্থাপিত আমাৰ মহাবিদ্যালয়ত কাম কৰিবলৈ আহিলা পাতিৰ অভাৱ, সমাজসেৱা বিভাগলৈ গুৰুত্ব নিদিয়া, পুঁজিৰ অভাৱ আৰু বেছিভাগ ছাত্ৰ-ছাত্ৰীৰেই সমাজ সেৱালৈ অনীহা ইত্যাদি। গতিকে ইয়াতে এই প্ৰতিবেদনৰ যোগেদি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, নৱ নিৰ্বাচিত সম্পাদক তথা সকলো ছাত্ৰ-ছাত্ৰীকে এই সমস্যাসমূহলৈ দৃষ্টি আকৰ্ষণ কৰিলো। মোৰ কাৰ্য্যকালৰ শেষচোৱাত ইং ২৯।২।৮২ আৰু ২০।২।৮২ তাৰিখত সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা ঘোষিত "বৃক্ষৰোপণ কাৰ্য্যসূচী"ত আমাৰ মহাবিদ্যালয় চৌহদত ৪১ জোপা বৃক্ষৰোপণ কৰা কৰা হয়। তাৰোপৰি যোৱা ৬।৪।৮২ তাৰিখৰ পৰা ৭।৪।৮২ তাৰিখলৈ ডিগবৈৰ ৰাষ্ট্ৰীয় বিদ্যালয়ত, ডিব্ৰুগড় জিলা ভিত্তিত অনুষ্ঠিত এন, চি, চি, শিবিৰৰ কেডেট্‌সকলৰ যোগেদি মহাবিদ্যালয়ত কিছু কাম কৰা হয়। ইয়াৰ ভিতৰত নৱ-নিৰ্মিত লাইব্ৰেৰীৰ সমুখ পৰিস্কাৰ, মহাবিদ্যালৰ নিজস্ব পথৰ মেৰামতি আৰু ভগ্নস্তূপ সদৃশ ছোৱালী হোষ্টেললৈ যোৱা পথৰ মেৰামতি আৰু উন্নয়ন আদি উল্লেখনীয়।

**কৃতজ্ঞতা স্বীকাৰঃ** আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা, অধ্যাপক সমৰেন্দ্ৰ ভাগৱতী, অধ্যাপক বদন কটকী, অধ্যাপক গোলাপ কলিতা, অধ্যাপক উদয় বৰুৱা, অধ্যাপক হৰেন ভূঞা, অধ্যাপক গজেন বৰদলৈয়ে যি উৎসাহ-উদ্দীপনা দি মোক সহায় কৰিছিল তাৰ বাবে তেখেতসকলৰ ওচৰত মই ভক্তি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই চমু কাৰ্য্যকালত নানা অনুষ্ঠানত সহায় কৰা বাবে সৰ্বশ্ৰী দিগন্ত শইকীয়া, অক্ষয় বৰুৱা,

অঞ্জন কাকতি, প্ৰমোদ গিৰি, বিশ্বজিত ভাগৱতী, বন্ধু অধিৰাজ বৰুৱা, ৰমেশ বৰা, কমল গগৈ, প্ৰদীপ গগৈ, অজিত তামুলী, জয়ন্ত চাকমা, ৰঞ্জিত মাঞ্জে, জ্যোতিপাৰ্থ লোমোৰামন, চন্দন কৌশিক, ৰাণু বৰুৱা, পবিত্ৰ বৰুৱা, ৰাজেন্দ্ৰ সিং, কে নাইডু আৰু বান্ধৱী অৰুন্ধতি, ৰূপা, দিপীকা, অঞ্জু, পদ্মা, দিপ্তী, টুলু, অনিতা, অমলা, ৰত্না, নীলিমা, জ্যোতি, নিভা, কল্পনা, পল্লৱীহঁতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ অতি মৰমৰ ডিগবৈ মহাবিদ্যালয়ৰ স্নিগ্ধ আলোকে যুগৰ সংঘাত নাশি সমাজৰ এন্ধাৰ আঁতৰাই আমাৰ মন আলোকিত কৰক এয়ে কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয়,
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা

শ্ৰীপ্ৰদীপ কলিতা
সম্পাদক, সমাজসেৱা বিভাগ।
ডিঃ মঃ ছাঃ সঃ

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সংস্থাৰ ১৯৮১-৮২ চনৰ বাবে তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি আৰু অকুণ্ঠ সমৰ্থন দি সমূহ ছাত্ৰ-ছাত্ৰীলৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোক বিভিন্ন কামত সহায়-সহযোগ, উৎসাহ-উদ্দীপনা দিয়াৰ পাছতো মই সকলোৰে আশা আৰু আস্থাক বাস্তৱ ৰূপ দিব পাৰিছোনে নাই তাৰ বিচাৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ। কিন্তু মোৰ বিশ্বাস, মই যত্নৰ অলপো ত্ৰুটি কৰা নাই ; সেয়েহে মই আশা কৰোঁ, মোৰ দোষ-ত্ৰুটি, অসমৰ্থতাথিনিৰ বাবে যেন মোক বন্ধু-বান্ধৱীসকলে ক্ষমা কৰে।

যোৱা ১৫-১২-৮১ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই অতি তৎপৰতাৰে ২৩-১২-৮১ তাৰিখৰপৰা আৰম্ভ হোৱা 'সপ্তদশ বাৰ্ষিক ডিগবৈ মহাবিদ্যালয় সপ্তাহ' সমাৰোহৰে মোৰ কাৰ্য্যকালৰ পাতনি মেলিবলগীয়া হৈছিল। আমাৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহত তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰি মোক উৎসাহিত কৰিছিল ; সেয়েহে প্ৰতিযোগিতাত যোগদান কৰা ছাত্ৰ-ছাত্ৰী তথা প্ৰতিযোগিতাত জয়লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞাতা জ্ঞাপন কৰাৰ লগতে তেখেতসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ। মোৰ বিভাগৰ দ্বাৰা আয়োজিত কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, দলগত আলোচনা চক্ৰ আৰু তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলৰ মানদণ্ডও যথেষ্ট উন্নত আছিল। তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল—সদনৰ মতে, "গণতন্ত্ৰৰ পৰিবৰ্ত্তে একনায়কত্ববাদহে ভাৰতৰ সাম্প্ৰতিক প্ৰয়োজন।" ( In the opinion of the House—india needs dictatorship not democracy at the moment). দলগত আলোচনা চক্ৰৰ বিষয় আছিল—'ভাৰতৰ জাতীয় সংহতিৰ খাতিৰত ৰাজ্যসমূহক অধিক ক্ষমতা প্ৰদান কৰা উচিত' ( The state should be given more power in the interest of national intigration of India ).

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহত শ্ৰীযুত টিকেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, শ্ৰীযুত দ্ৰোণকান্ত বৰুৱা, শ্ৰীযুত ৰাধাকান্ত গগৈ, শ্ৰীযুত কামাখ্যা দে, শ্ৰীযুত তাৰা হাজৰিকা, শ্ৰীযুত নাৰায়ণ দাস, অধ্যাপক হিতেন শৰ্ম্মা, অধ্যাপক হৰেন ভূঞা আৰু শ্ৰীযুত উইলিয়াম অলিয়ৰি আদি স্থানীয় বিশিষ্ট ব্যক্তি কেইজনে তেখেতসকলৰ বহুমূলীয়া সময় নষ্ট কৰি প্ৰতিযোগিতাসমূহ পৰিচালনা কৰাত সহায় আগবঢ়োৱাৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালৰ ভিতৰতে মহাবিদ্যালয় সপ্তাহ সমাৰোহত ডিগবৈ মহাবিদ্যালয়ৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে অধ্যাপক সমৰেন্দ্ৰ ভাগৱতীৰ পৰিচালনাত আৰু মহাবিদ্যালয়ৰ অধ্যাপক/অধ্যাপিকা, ছাত্ৰ আৰু কাৰ্য্যালয় সহকাৰীৰ

সহযোগত এটি বিশেষ আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়; সেয়া আছিল—'মুকলি চ'ৰা' আৰু তাৰ বিষয় আছিল প্ৰেম ( Love )। তাৰোপৰি মোৰ কাৰ্য্যকালৰ ভিতৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ে আয়োজন কৰা 'ডাঃ যমুনেশ্বৰী চৌধুৰী সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা'ত আমাৰ মহাবিদ্যালয়ৰ ফালৰ-পৰা যোগদান কৰা হয়।

মোৰ গোটেই কাৰ্য্যকালত দিহা-পৰামৰ্শ, উপদেশ আদি দি সহায় কৰাৰ বাবে "তৰ্ক আৰু আলোচনাচক্ৰ" বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী, অধ্যাপক শ্ৰীযুত হিতেন শৰ্মা, অধ্যাপক শ্ৰীযুত হৰেন ভূৰ্ক্তাঁদেৰৰ প্ৰতি মই চিৰকৃতজ্ঞ হৈ ৰলোঁ। তাৰোপৰি সকলো ক্ষেত্ৰতে মোক সহায় কৰি অহা মোৰ বন্ধু অমূল্য, অৰুণ, শঙ্কৰাচাৰ্য্য, যোগেন, পুণ্যেশ্বৰ আৰু অন্যান্য বন্ধু-বান্ধৱীসকললৈ মোৰ মৰম আৰু ধন্যবাদ জনালোঁ।

শেষত ডিগবৈ মহাবিদ্যালয়ৰ উজ্জ্বল আৰু ৰঙীন ভৱিষ্যত কামনা কৰাৰ লগতে ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰো দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীপ্ৰদীপ কুমাৰ বৰুৱা**
সম্পাদক, তৰ্ক আৰু আলোচনাচক্ৰ বিভাগ।
১৯৮১-'৮২.

## ছাত্ৰৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ শুভ আৰম্ভণিতেই মই, ডিগবৈ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰতিদ্বন্দ্বীতাৰে এই বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি যি আদৰ দেখুৱালে সেই বাবে সকলো ছাত্ৰ-ছাত্ৰীলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা আগবঢ়ালো।

বহুতো প্ৰতিযোগীক লৈ যোৱা মহাবিদ্যালয় সপ্তাহ সম্পন্ন কৰিছিলো। মোৰ বিভাগত মই কেৰম আৰু ডবা খেলৰ আয়োজন কৰিছিলো। এই আয়োজনত যিসকল প্ৰতিযোগীয়ে ভাগ লৈছিল তেওঁলোকৰ মাজত কেইবাজনো প্ৰতিযোগীৰ প্ৰতিভাক বুজিব পাৰিছিলো। এই প্ৰতিযোগীসকলে যদি সঠিক সুযোগ সুবিধা পায় তেন্তে একোজন ভাল খেলুৱৈ হব পাৰিব। মাজে মাজে সকস্থৰাকৈ যদি খেলৰ আয়োজন কৰি থকা যায় তেনেহলে প্ৰতিযোগী-সকলক উৎসাহ দিয়া আৰু লগতে উন্নতি সাধন কৰা হব। আৰু এটা উজ্জ্বল পৰিণামৰো আশা কৰা যায়। সেয়েহে এই প্ৰতিবেদনৰ যোগেদি পৰিচালনা সমিতিৰ ওচৰত অনুৰোধ জনালো তেখেতসকলে এই বিষয়ত অলপ বিচাৰ-বিবেচনা কৰি চায় যেন।

অৱশেষত জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীলক্ষেশ্বৰ শৰ্ম্মাদেৱলৈ তেখেতৰ সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা আগবঢ়ালো। মহাবিদ্যালয়ৰ সপ্তাহজোৰা আয়োজনত মোক সহায় কৰাৰ বাবে মই ধৈৰ্য্য বৰুৱা, শৈলেন্দ্ৰ, বিপুল, অৱতাৰ, হিৰেন, মানস মিশ্ৰ আৰু সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনালো।

ৰৈ যোৱা ভুল-ক্ৰটিখিনিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি—

ধন্যবাদেৰে

**শ্ৰীক্ষীৰোদ বৰুৱা**

ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদক

১৯৮১-৮২ চন

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ ১৯৮১-৮২ চনৰ সাংস্কৃতিক সম্পাদক ৰূপে নিৰ্বাচিত কৰি যি চেনেহ আৰু আদৰ দেখুৱালে তাৰ বাবে তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।

মোৰ কাৰ্য্যভাৰ আৰম্ভ হয় আমাৰ মহাবিদ্যালয় সপ্তাহৰ পৰা অৰ্থাৎ ২৩ ডিচেম্বৰৰ পৰা। উক্ত সাতদিনীয়া কাৰ্য্যসূচী "সপ্তদশ বাৰ্ষিক মহাৰিদ্যালয়ৰ সপ্তাহ" পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ত প্ৰচলিত ভাষাত চুটি গল্প, তৎস্থানিক ৰচনা প্ৰতিযোগিতা পতা হৈছিল। আশানুৰূপভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ এই প্ৰতিযোগিতাত কেউটা ভাষাৰে সঁহাৰি আৰু কৃতকাৰ্য্যতাৰে সম্পন্ন হৈছিল। অভিনয়ৰ ক্ষেত্ৰত একক অভিনয় আৰু একাংকিকা নাটক প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। এইৰাৰ যথেষ্ট সংখ্যক নাটকৰ লগতে কেইবাখনো উচ্চ মানবিশিষ্ট নাটক গোট খাইছিল। নৃত্যত এইবাৰ যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে যোগ দিছিল। এইবাৰ মহাবিদ্যালয়ত ইংৰাজী আৰু অসমীয়াত আবৃতি প্ৰতিযোগিতা পতা হৈছিল। যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি যি প্ৰতিভা বিকাশ কৰিলে ই লেখত লবলগীয়া। মোৰ কাৰ্য্যকালৰ ভিতৰতে মহাবিদ্যালয়ৰ প্ৰধান উৎসৱ শ্ৰীশ্ৰীসৰস্বতী পূজা উদ্‌যাপন কৰাত আগভাগ লৈছিলোঁ। যি সকল ছাত্ৰ-ছাত্ৰীয়ে পূজাথন সুচাৰুৰূপে চলাই নিয়াত সহায় কৰিলে তেখেতসকললৈ আন্তৰিক মৰম আৰু সলাগ জনালোঁ।

শেষত মোক সকলো ক্ষেত্ৰতে বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰা আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মদন চৌধুৰী, বদন কটকী আৰু হিতেন শৰ্মাৰ ওচৰত মই অশেষ কৃতজ্ঞ। এ. অ'. ডি. ল'ৰাৰ হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত ধীৰেন্দ্ৰ নাথ বৰুৱা, এ, অ'. ডি ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী শ্ৰীযুক্তা সত্যপ্ৰভা দাস, শ্ৰীযুক্ত অণু ডেকা, সৌমাৰ বিদ্যাপীঠৰ শিক্ষক দিলীপ ভট্টাচাৰ্য্য, ডিগবৈৰ অমৰেন্দ্ৰ বৰঠাকুৰ, শুভৰাম বৰা, জিতেন দত্ত, আবু হুছেইন, অজিত ফুকন, মাধুৰী ঠাকুৰ, প্ৰণতি চৌধুৰী, এস, মিত্ৰ আদিয়ে।

প্ৰতিযোগিতা পৰিচালনা কৰা আৰু আন আন ক্ষেত্ৰত সহায় কৰা মোৰ বন্ধু-বান্ধৱসকলৰ ভিতৰত সৰ্বশ্ৰী অক্ষয় বৰুৱা, ৰাণু বৰুৱা, দীপক ভূঞা, টিপুকান্ত হাজৰিকা, মিৰ্জা চাহ, প্ৰশান্ত কোঁৱৰ, খছৰুল হুছেইন, পৰিতোষ দে, চাহাবুদ্দিন, ৰঞ্জিৎ গোহাঁই, টি. এন. সিং, তুলসী বৰা, ৰূপা বৰুৱা, অৰুন্ধতী বৰুৱা, অঞ্জলি কাকতি, ৰৌজি বেগম, দীপিকা গোহাঁই, অমলা বৰপুজাৰী, পল্লৱী ভট্টাচাৰ্য্য, চৈয়দা চেমিমা, শক্তি কটকী, অজন্তা গোহাঁই, অঞ্জুমা আদিৰ ওপৰত মোৰ কাৰ্য্যকালৰ শেষ মুহূৰ্তত বিশেষভাৱে সহায় কৰি দিয়া শ্ৰীপুণ্যেশ্বৰ গগৈ, ৰুবুল শইকীয়া, আৰু চৈয়দ মিৰ মমতাজ হুছেইনক মোৰ মৰম আৰু ধন্যবাদেৰে সোঁৱৰোঁ।

সৰ্বশেষত মই চলাই যোৱা বছৰটোত মোৰ অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকবৃন্দৰ ওচৰত মই ক্ষমাৰ প্ৰাৰ্থী হৈ ৰলোঁ আৰু লগে লগে ডিগবৈ মহাবিদ্যালয়ৰ সকলো দিশতে সৰ্বোন্নতিৰ কামনাৰে মই মোৰ সাংস্কৃতিক বিভাগৰ প্ৰতিবেদনৰ বিৰৰণী ইমানতে সামৰণি মাৰিলোঁ।

**— জয় আই অসম —**

**শ্ৰীভোলা কাকতী**
সাংস্কৃতিক সম্পাদক।
ডি. ম. ছা. স. ('৮১-'৮২)

# মুখ্য খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক ১৯৮১-৮২ চনৰ মুখ্য খেল বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীৰ কিঞ্চিৎ সেৱা কৰাৰ বাবে যি সুবিধা প্ৰদান কৰিলে, তাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

১৯৮১ চনৰ ডিচেম্বৰ মাহৰ ২২. ১২. ৮১ তাৰিখৰ পৰা আন্তঃ শ্ৰেণী ক্ৰিকেট প্ৰতিযোগিতাৰে মহাবিদ্যালৰ সপ্তাহ সমাৰোহত মোৰ কাৰ্য্যকাল আৰম্ভ কৰোঁ। বতৰ ফৰকাল হোৱাৰ বাবে প্ৰতিযোগিতাসমূহ ছাত্ৰ-ছাত্ৰীৰ উৎসাহ উদ্দীপনাৰ মাজেৰে মুলিয়াবাৰী খেল পথাৰত উপভোগ্য হৈ পৰিছিল। সময়ৰ নাটনিত খেলসমূহ ২০ অভাৰকৈ খেলোৱা হৈছিল। অৱশেষত চূড়ান্ত খেলখন প্ৰাক স্নাতক বাণিজ্য শাখা আৰু স্নাতক বাণিজ্য শাখাৰ মাজত অনুষ্ঠিত হয়। এই চূড়ান্ত খেলত প্ৰাক স্নাতক বাণিজ্য শাখাই জয়লাভ কৰে আৰু দুয়োটা দলকে পুৰস্কাৰ দিয়া হয়। এই চূড়ান্ত খেলত শ্ৰীশ্ৰীন গগৈক ( প্ৰাক স্নাতক বাণিজ্য শাখাৰ ) বেচ্‌ট বেটচ্‌মেন আৰু শ্ৰীটংকেশ্বৰ গগৈক ( স্নাতক বাণিজ্য শাখাৰ ) বেচ্‌ট ব'লাৰ হিচাপে দুটা পুৰস্কাৰ দিয়া হয়। মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহত আৰু এখন আমোদজনক খেল—অধ্যক্ষ একাদশ আৰু সাধাৰণ সম্পাদক একাদশৰ মাজত প্ৰত্যেক বছৰে খেলুৱা হয়। কিন্তু এই বছৰ কেইবাজনো অধ্যাপকৰ অনুপস্থিতিত খেলাখন অনুষ্ঠিত কৰিব পৰা নগ'ল।

যি কি নহওক, প্ৰতিযোগিতাসমূহ সুকলমে আগবঢ়াই নিয়াত বহুখিনি ত্ৰুটি হৈছিল যদিও মোৰ বন্ধু শ্ৰীঅক্ষয় বৰুৱা, শ্ৰীফণীন্দ্ৰ গগৈ আৰু শ্ৰীৰাজীৱ শৰ্মা আদি বহুকেইজন বন্ধুৰ সহায়-সহযোগে প্ৰতিযোগিতাসমূহ সাফল্য-মণ্ডিত কৰি তুলিলে; সেয়ে সকলোলৈকে মই মোৰ ধন্যবাদ জনাইছোঁ। মোৰ বিভাগৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সকলো খেলুৱৈলৈ অকৃত্ৰিম শুভেচ্ছা থাকিল আৰু ভৱিষ্যতে অধিক উন্নতিৰ আশা ৰাখিলোঁ।

**মহাবিদ্যালয় কৰ্তৃপক্ষলৈ অনুৰোধ :—**

আমাৰ মহাবিদ্যালয়ৰ নিজ খেল পথাৰ এখন নথকাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো সমাজত যিকোনো ক্ষেত্ৰত কিমান অসুবিধা ভোগ কৰিবলগীয়া হৈছে তাক তুলনা কৰিব নোৱাৰি। গতিকে কৰ্তৃপক্ষক এই ক্ষেত্ৰত অনতিপলমে এটি সুব্যৱস্থা লবলৈ টানি অনুৰোধ জনালোঁ।

প্ৰতিবেদন শেষ কৰাৰ আগতে মোৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মোহিনী কুমাৰ বৰদলৈ দেৱৰ অনুপস্থিতিত সকলো সময়ত সকলোবোৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ দি সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূক্ৰা, সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত বদন কটকী, অধ্যাপক গিয়াচুদ্দিন আহমেদ, অধ্যাপক শ্ৰীযুত বিজয় চৌধুৰীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মকৰ্তালৈ পুনৰ ধন্যবাদ জনাই আৰু মোৰ বহু ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আজিলৈ ইমানতে সামৰিলোঁ।

**শ্ৰীবলীন হাজৰিকা**
সম্পাদক, মুখ্য ক্ৰীড়া বিভাগ
১৯৮১-৮২

# গৌণক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ পাতনিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সেৱা কৰিবৰ বাবে যি সুবিধা দিলে তাৰ বাবে আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো।

আমাৰ মহাবিদ্যালয়ৰ "প্ৰতিভা বিকাশ সমাৰোহ"ত ,গৌণক্ৰীড়া বিভাগত ক্ৰমে টেবুল টেনিচ, বেডমিন্টন আৰু ভলী বল প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। এইবাৰ এই প্ৰতিযোগিতত আশানুৰূপ প্ৰযিযোগীয়ে যোগদান কৰিছিল। তাৰ বাবে মই নথৈ আনন্দিত হৈছিলো তেওঁলোকৰ উৎসাহ দেখি। এই আপাহতে সমূহ প্ৰতিযোগী তথা অংশ গ্ৰহণকাৰীলৈ মোৰ তৰফৰপৰা আন্তৰিক শুভ কামনা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। এইবাৰ সকলোবোৰ প্ৰতিযোগীয়েই উচ্চ-মানদণ্ডৰ আছিল। আমি আশা ৰাখিছো ভৱিষ্যতে তেখেত-সকলে আৰু অধিক উন্নতি কৰিব আৰু তাৰ কাৰণে আমাৰ আন্তৰিক শুভ কামনা ৰ'ল।

উল্লেখিত বিভিন্ন প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত মোৰ বিভাগৰ ভাৰ প্ৰাপ্ত অধ্যাপক শ্ৰীযুত গিয়াচুদ্দিন আহমেদ দেৱৰ নাম শ্ৰদ্ধাসহকাৰে স্মৰণ কৰিছো। তদুপৰি বিভিন্ন ক্ষেত্ৰত কৰা সহায়-সহযোগিতাৰ বাবে ছাত্ৰ-বন্ধুসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত ইয়াকে কামনা কৰোঁ, গৌণক্ৰীড়া বিভাগত ডিগবৈ মহাবিদ্যালয়ৰ দৃঢ় পদক্ষেপ পৰক। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ দীৰ্ঘায়ু কামনাৰে—।

**"জয় আই অসম"**

**শ্ৰীৰুণ দত্ত।**
সম্পাদক, গৌণক্ৰীড়া বিভাগ
ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা।

# সঙ্গীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে মোক এই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে এই বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি যি চেনেহ আৰু আদৰ দেখুৱালে তাৰ বাবে সদৌ অসম ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমি সকলোৱেই এই মহাবিদ্যালয়লৈ আহিছো শিক্ষাৰ উদ্দেশ্যে। কিতাপৰ শিক্ষাৰ বাহিৰেও আন আৰু বহুত কলা আছে যাক শিক্ষাৰ ভিতৰতে ধৰিব পাৰি। তাৰ ভিতৰত সঙ্গীতকো এটা কলা হিচাপে ধৰা যায়। সঙ্গীত সাধনাই মানুহক পবিত্ৰ আৰু সৰ্বাঙ্গ সুন্দৰ কৰি তোলে। সঙ্গীত সাধনাৰ বাবে আমাৰ মহাবিদ্যালয়ত বৰ এটা বিশেষ সুবিধা নাই। আমাৰ মহাবিদ্যালয়ৰ এটা সম্পূৰ্ণ প্ৰেক্ষাগৃহ নথকাৰ বাবে আমাৰ হাতত অসুবিধা হৈছিল। অৱশ্যে এতিয়া কৰ্তৃপক্ষৰ অনুগ্ৰহত এটি প্ৰেক্ষাগৃহৰ নিৰ্মাণকাৰ্য্য চলি আছে। আশা ৰাখিছো অহাবছৰো যাতে এই একেই অসুবিধাৰ সন্মুখীন নহওঁ। ইয়াতে এটা কথা নকৈ নোৱাৰিলো—প্ৰত্যেক বছৰেই সঙ্গীত প্ৰতিযোগিতাৰ সময়ত আনফালে এটা প্ৰতিযোগিতা হৈ থকা দেখা যায়। তাত সঙ্গীত প্ৰতিযোগিতাসকলৰ বহুতো অসুবিধা হোৱা দেখা যায়, কাৰণ প্ৰতিযোগিসকলে খেলা খেলি আহি আকৌ সঙ্গীত প্ৰতিযোগিতাত যোগ দিবলৈ ধৈৰ্য্য নাথাকে। সেইবাবে সঙ্গীত প্ৰতিযোগিতাৰ বাবে আচুতীয়াকৈ কেইটামান দিন ধাৰ্য্য কৰি ললে সুবিধা হয়। আৰু এটা কথা বিচাৰো যে মহাবিদ্যালয়ত থকা সম্পদবোৰ আমাৰ নিজৰ বুলি ভবা উচিত। সেয়েহে মহাবিদ্যালয়ত থকা বাদ্যযন্ত্ৰবিলাক যতনে থোৱা ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্তব্য।

আগৰ কেইবছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত এখনি সঙ্গীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। নানা অসুবিধা থকা সত্বেও প্ৰতিযোগিতাবিলাক সফল কৰি তুলিবলৈ চেষ্টা কৰা হৈছিল। আমাৰ যদি দুই-এটা ভুল হৈছিল তাৰ বাবে সম্পাদক দুখিত। এই প্ৰতিযোগিতাত শ্ৰীমতী চক্ৰবৰ্তীয়ে শ্ৰেষ্ঠা গায়িকাৰ সন্মান লাভ কৰে।

এইবাৰ মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা হোৱা সঙ্গীত সন্ধিয়াত স্থানীয় শিল্পীৰ বাহিৰেও ডিব্ৰুগড়ৰ অনাতাঁৰ শিল্পী শ্ৰীযুতা নাছৰিন হালিমে গীত প্ৰদৰ্শন কৰি সেই সন্ধিয়াৰ সৌষ্ঠৱ বঢ়াইছিল।

বিৱৰণৰ শেষত মোৰ বিভাগৰ দায়িত্বত থকা অধ্যাপক শ্ৰীহৰেণ ভূঞা আৰু মোক সকলো কামতে সহায় কৰা মোৰ বন্ধুসকললৈ মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

ধন্যবাদেৰে—

**ৰঞ্জিৎ কোঁৱৰ**

সম্পাদক, সঙ্গীত বিভাগ

ডিঃ মঃ ছাঃ সঃ

ডিগবৈ।

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধুসকলে মোক শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ ভাৰ দি সেৱা কৰাৰ সুবিধা দিয়া বাবে সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো।

আমাৰ বিভাগৰপৰা শৰীৰ চৰ্চা, সৌন্দৰ্য্যৰ প্ৰতিযোগিতা (Armwrestling, Lifting, Body building) আদি প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। উক্ত বিভাগবোৰত সকলো প্ৰতিযোগীয়ে উচ্চ মানৰ খেল প্ৰদৰ্শন কৰিছিল। তাৰেপৰি ডিব্ৰুগড়ত হোৱা (Inter College) প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ শ্ৰীঅধিৰাজ বৰুৱাই (Lifting) প্ৰতিযোগিতাত দ্বিতীয় স্থান পায়। এইটো এটা মহাবিদ্যালয়খনৰ কাৰণে গৌৰৱৰ কাৰণ। আশাকৰো আগন্তুক বছৰবোৰত ডিগবৈ মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে ইয়াতকৈও ভাল স্থান পাবলৈ সক্ষম হ'ব।

অৱশ্যে শৰীৰ চৰ্চা প্ৰতিযোগিতা পাতিবলৈ আমি বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিলো। বিশেষকৈ প্ৰতিযোগিতাৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জামৰ অভাৱ। তথাপিও এই অভাৱৰ মাজতেই আমি এক উচ্চ মানদণ্ডৰ শৰীৰ চৰ্চা প্ৰতিযোগিতা পাতিবলৈ সক্ষম হৈছিলো।

উক্ত কামসমূহত সহায়-সহযোগ কৰাৰ বাবে তেখেতসকললৈ মোৰ কৃতজ্ঞতা থাকিল। মই আশাকৰো আগলৈ ডিগবৈ মহাবিদ্যালয়ৰ নিজা সকলোবোৰ সা-সৰঞ্জাম যোগাৰ হ'ব।

উল্লেখ কৰিবলগীয়া বিভিন্ন প্ৰতিযোগিতাত মোক ভালদৰে পৰিচালনা কৰাৰ বাবে মোৰ বিভাগৰ ভাৰ প্ৰাপ্ত অধ্যাপক শ্ৰীযুত অনিল কুমাৰ দেৱানলৈ কৃতজ্ঞতা জনালো। তাৰোপৰি মোৰ বন্ধু-বান্ধৱীবৰ্গলৈ বিভিন্ন কামত সহায়-সহযোগত, পৰামৰ্শ আগবঢ়োৱা বাবে সকলোলৈ আন্তৰিক স্নেহ আৰু কৃতজ্ঞতা জনালো।

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ দীৰ্ঘায়ু কামনাৰে—।

"জয় আই অসম"

শ্ৰীপ্ৰফুল্ল বড়া
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক
ডিঃ মঃ ছাঃ সঃ
ডিগবৈ।

# সাধাৰণ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ বুলনিতে মই সেইসকল ডিগবৈ মহাবিদ্যালয় ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছো—যি সকলৰ সহায়-সহযোগৰ পৰিণাম স্বৰূপে মই সাধাৰণ খেল-ধেমালি বিভাগৰ সম্পাদক ( General sports secy. ) ৰূপে নিৰ্বাচিত হৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক সামান্য সেৱা কৰাৰ সুযোগ পালো।

অন্যান্য বছৰৰ দৰে এইবাৰো "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন কৰা হয়। য'ত মোৰ বিভাগৰ সাধাৰণ খেল-ধেমালি প্ৰতিযোগিতাৰে মোৰ কাৰ্য্যকাল আৰম্ভ হয়। কিন্তু কিছুমান বিশেষ খেলিমেলিৰ পৰিস্থিতিত 'মহাবিদ্যালয় সপ্তাহ' পাতিব লগা হোৱাত খুব আড়ম্বৰপূৰ্ণতাৰে মোৰ বিভাগৰ খেলসমূহ পাতিব নোৱাৰিলো। তথাপিও মোৰ সাধ্যানুসাৰে মোৰ কাৰ্য্যকালছোৱাত যিখিনি কৰি গ'লো তাৰ ভাল-বেয়াৰ বিচাৰ কৰিব মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে। যদিও মোৰ কাৰ্য্যকাল বুলিলে মহাবিদ্যালয় সপ্তাহৰ কেইদিন বুলিলেই হ'ল তথাপিও সেই কেইদিন কৰা কামসমূহতেই মোৰ বহুতো দোষ-ত্ৰুটি থাকিব পাৰে। তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ-পৰা ক্ষমা ভিক্ষা কৰিছো।

কলেজীয়া শিক্ষা গ্ৰহণত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেৱল যে শিক্ষাই লাগতিয়াল সেয়া নহয়। শিক্ষাৰ বাহিৰেও তেওঁলোকৰ অৱসৰ বিনোদনৰ কালছোৱাত আন বহুতো কাম-কাজৰ দৰকাৰ। কিন্তু আমাৰ কলেজতে ছাত্ৰ-ছাত্ৰী-সকলৰ বাবে তেনে কোনো সুবিধা নাই। তাৰোপৰি মহাবিদ্যালয় সপ্তাহত খেল-ধেমালি প্ৰতিযোগিতা আদি পাতিবলৈও আমাৰ মহাবিদ্যালয়ৰ নিজা ববীয়াকৈ কোনো খেলপথাৰ নাই। মহাবিদ্যালয় সপ্তাহত "এথ্‌লেটিকচ"সমূহ পাতিবলৈ হ'লে প্ৰতিবছৰে মহাবিদ্যালয়ৰ এই বিভাগৰ সম্পাদকসকলে খেলপথাৰ বিচাৰি তেল কোম্পানীৰ বিভাগীয় বিষয়াৰ ওচৰত অনুগ্ৰহৰ পাত্ৰ হ'বলগীয়া হয়। তাৰোপৰি এই বিভাগৰ খেলসমূহ আয়োজন কৰিবলৈও কিছুমান সামগ্ৰীৰো প্ৰয়োজন যিবিলাক আমাৰ মহাবিদ্যালয়ত নাই। যাৰ বাবে সেই সামগ্ৰীবোৰ আনৰ-পৰা খুজি আনিহে খেলাব লগাত পৰে। তাকো যদিহে বস্তু পোৱা হয়। নহ'লে সেইখন খেল একেবাৰেই স্থগিত ৰাখিবলগীয়া হয়। মহাবিদ্যালয়ত খেলপথাৰৰ নামত যি বৃহৎ পৰিমাণৰ মাটি পৰি আছে সেইখন আৰম্ভণিৰে-পৰা আজিলৈকে চৰণীয়া পথাৰ হৈয়ে আছে। খেলপথাৰ বনোৱাৰ নামত বহুতো পৰিকল্পনা হাতত লোৱা হয় যদিও, সময়ত আজিলৈকে একোৱেই হৈ উঠা নাই। 'কোপদৃষ্টি' কাৰ সেইটো হয়তো কলেজ প্ৰশাসনেহে ক'ব পাৰিব। কেৱল যে 'General sports secy.' য়েহে অসুবিধাৰ সন্মুখীন হয়, তেনে নহয়। খেল বিভাগৰ সকলো সম্পাদকে এই একে অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰে। গতিকে মই এই প্ৰতিবেদনৰ জৰিয়তে কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি ইয়াৰ উত্তৰোত্তৰ কামনা কৰিলো।

অন্যান্য বছৰৰ দৰেই পৰম্পৰাগতভাৱে উদ্‌যাপিত 'মহাবিদ্যালয় সপ্তাহ'ত বিভাগীয় সকলোবোৰ প্ৰতিযোগিতাই পতা হৈছিল। আৰু এই প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়ৰ বেছিভাগ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল আৰু

নিজ নিজ কৃতিত্ব দেখুৱাবলৈ সমৰ্থ হৈছিল। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা আবেলি পুৰস্কাৰ বিতৰণ কৰা হয়। এই বছৰ মোৰ বিভাগত ডিগবৈ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে কোনো ছাত্ৰ নিৰ্বাচিত নহ'ল। কিন্তু শ্ৰেষ্ঠা খেলুৱৈৰ সন্মান পায় মহাবিদ্যালয়ৰ ছাত্ৰী শ্ৰীমতী কৰবী হাজৰিকাই।

এই বছৰৰ মোৰ বিভাগৰ উল্লেখযোগ্য দিশ আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ক্ৰীড়া সমাৰোহত যোগদান কৰা। বহু বছৰৰ বিৰতিৰ পাছত এই বছৰ আমাৰ মহাবিদ্যালয়ে এই ক্ৰীড়া সমাৰোহত যোগান কৰে আৰু আমাৰ খেলুৱৈসকলে খেলুৱৈসুলভ মনোবৃত্তিৰে খেলি নিজ নিজ কৃতিত্ব দেখুৱাবলৈ সক্ষম হয়।

সদৌ শেষত নানা ধৰণৰ দিহা-পৰামৰ্শ দি সহায় কৰা মোৰ বিভাগৰ দায়িত্বত থকা অধ্যাপক শ্ৰীনন্দ কুমাৰ দেৱ আৰু আন আন অধ্যাপকসকল, আৰু মোক প্ৰতিটো পদক্ষেপতে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ ছাত্ৰ বন্ধুসকললৈ আন্তৰিক কৃতজ্ঞা আৰু শলাগ লৈ সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীলৈ প্ৰীতি শুভেচ্ছাৰে ডিগবৈ মহাবিদ্যালয় আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰি এই প্ৰতিবেনৰ যৱনিকা পেলালো।

**শ্ৰীমুক্তালাল বৰকাকতি**
সম্পাদক,
সাধাৰণ খেল বিভাগ,
ডিঃ মঃ ছাঃ সঃ
১৯৮১-৮২ চন

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

**১৯৮১-৮২ চন**

প্ৰথমতে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ উদগনি দি এই মহান শিক্ষানুষ্ঠানৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে অকুণ্ঠ সমৰ্থন দি নিৰ্বাচনত জয়যুক্ত কৰালে সেইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

কাৰ্য্যভাৰ লোৱাৰ কিছুদিনৰ পাছতেই আৰম্ভ হৈছিল আমাৰ মহাবিদ্যালয়ৰ সপ্তদশ বাৰ্ষিক সাপ্তাহিক সমাৰোহ। ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। তাৰ ভিতৰত কেৰম, চাইনিচ্ চেকাৰ, চেছ, লুডু ইত্যাদি। প্ৰতিযোগিতাত বহু সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰি মহাবিদ্যালয়ৰ সপ্তাহৰ সৌষ্ঠৱ বঢ়াইছিল।

আমাৰ ছাত্ৰী জিৰণি কোঠাৰ ভালেকেইটা অভাৱ-অভিযোগ অনেক দিনৰপৰা অব্যাহত হৈ আছে। মোৰ কাৰ্য্যকালছোৱাতে অভাৱসমূহ পূৰণ কৰিব পাৰিম বুলি এক আশা লৈ সকলোবিলাক অভিযোগ ( মোৰ চকুত পৰাখিনি ) উল্লেখ কৰি এখন স্মাৰক পত্ৰ আমাৰ ছাত্ৰ সন্থাৰ মাননীয় সভাপতি তথা অধ্যক্ষ মহোদয়ৰ হাতত দাখিল কৰিছিলো। স্মাৰক পত্ৰত উল্লেখ কৰা অভিযোগসমূহৰ ভিতৰত কেইটামান অভিযোগ মোৰ কাৰ্য্যকালৰ বছৰটোৰ মাজভাগতেই পূৰণ কৰা হ'ল। বাকী থকা অভাৱ-অভিযোগসমূহ অতি সোনকালে পূৰণ কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয় কৰ্তৃপক্ষক এই প্ৰতিবেদনৰ যোগেদি পুনৰ দৃষ্টিগোচৰ কৰিলো। অন্যথাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যি সেৱা আগবঢ়াবলৈ নিৰ্বাচনত জয়ী কৰালে সেই মূল্যবান সেৱা আধৰুৱা হৈ ৰ'ব। মই আশা ৰাখিছো মোৰ কাৰ্য্যকাল-ছোৱাতেই এই কামবিলাক সম্পূৰ্ণ হৈ উঠিব।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিশত সকলো প্ৰকাৰে সহায়-সহযোগ আৰু সদুপদেশ মোক দিয়াৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত বদন চন্দ্ৰ কটকীদেৱলৈ মোৰ ভক্তিপূৰ্ণ ওলগ জনালো। লগতে অন্যান্য সকলো প্ৰকাৰে মোক সহায়-সহযোগ কৰাৰ বাবে বন্ধু-বান্ধৱীসকল সৰ্বশ্ৰী দিগন্ত, প্ৰশান্ত, অনুপ, অৰূপ, পুণ্যেশ্বৰ, মহিবুল, বিশ্বজিত, ইমৰাণ, নিৰঞ্জন, অৰুন্ধতী, দিপীকা, ৰূপা, অঞ্জু আৰু আন আন বন্ধু-বান্ধৱীসকললৈ মোৰ ধন্যবাদ থাকিল।

সদৌ শেষত, মোৰ অজ্ঞাতে যদি কিবা ভুল কৰিছিলো তেন্তে সেই ভুল-ক্ৰটি ক্ষমা প্ৰাৰ্থনা বিচাৰি আমাৰ মহাবিদ্যালয়ৰ তথা ছাত্ৰ সন্থাৰ ভৱিষ্যত উন্নত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**প্ৰতিভা বৰুৱা**
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
ডিঃ মঃ ছাঃ সঃ